## প্ৰথম খণ্ড ঃ শব্দ শক্তি


প্ৰথম বিভাগ ঃ প্ৰাচ্য সাহিত্য সমালোচনাৰ ধাৰা

দ্বিতীয় বিভাগ ঃ সাহিত্যৰ স্বৰূপ

তৃতীয় বিভাগ ঃ শব্দশক্তি

চতুৰ্থ বিভাগ ঃ ধ্বনিঃ ধাৰণা, বিৱৰ্তন আৰু প্ৰয়োগ

পঞ্চম বিভাগ ঃ ধ্বনিবাদী আচাৰ্য্যসকলৰ কৃতি

ষষ্ঠ বিভাগ ঃ বক্ৰোক্তিঃ ধাৰণা আৰু প্ৰয়োগ

সপ্তম বিভাগ ঃ বক্ৰোক্তিবাদ আৰু আচাৰ্য্য কুন্তক

# প্ৰথম বিভাগ
# প্ৰাচ্য সাহিত্য সমালোচনাৰ ধাৰা

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ প্ৰাচ্য সাহিত্যৰ সমালোচনাৰ ইতিহাস
১.৪ সংস্কৃত অলংকাৰ শাস্ত্ৰ বিষয়ক সম্প্ৰদায়সমূহ
১.৫ সাৰাংশ (Summing Up)
১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Reading)

## ১.১ ভূমিকা (Introduction)

ভাৰতীয় কাব্যতত্ত্বক অলংকাৰ শাস্ত্ৰ আৰু কাব্য সমালোচকসকলক আলংকাৰিক বোলা হয়। প্ৰকৃতাৰ্থত সাহিত্যৰ এটা বিশেষ অঙ্গক বুজাবলৈহে 'কাব্য' অভিধাটি প্ৰয়োগ কৰা হয়। কিন্তু প্ৰাচীন কালত 'কাব্য' শব্দটোক বহল অৰ্থত ব্যৱহাৰ কৰি 'সাহিত্য' শব্দটোক এটা সীমিত অৰ্থত ব্যৱহাৰ কৰিছিল। 'সাহিত্য' শব্দটি মাঘ, ভামহ প্ৰভৃতি আলংকাৰিকসকলে শব্দাৰ্থৰ সহিতত্ব অৰ্থতহে প্ৰয়োগ কৰিছিল।

ভাৰতীয় কাব্য সমালোচনাৰ পৰম্পৰা অতি প্ৰাচীন। ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ'তে এই দিশটোৰ উন্মেষ ঘটে। সংস্কৃত 'কাব্য' শব্দটিয়ে সাধাৰণতে সকলো বিষয়ৰ ৰচনাক সামৰি লৈছিল। পৰৱৰ্তী সময়ত কাব্যৰ সমাৰ্থকৰূপে ব্যৱহাৰ হোৱা সাহিত্য শব্দটিৰ প্ৰচলন হয়। এই কাব্য বা সাহিত্যৰ প্ৰাণ সম্পৰ্কে বিভিন্নজনে মত আগবঢ়োৱাৰ লগতে কাব্যৰ প্ৰয়োজনীয়তা, হেতু, কাব্যৰ গুণ-দোষ সম্পৰ্কেও নিজৰ নিজৰ মনোভাৱ ব্যক্ত কৰিছে। এই মতবাবোৰৰ ওপৰৰ ভিত্তি কৰিয়ে ভাৰতীয় কাব্যতত্ত্বৰ মূল ভেটি গঢ় লৈ উঠিছে।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস বিচাৰ কৰিব পাৰিব,
- ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ সম্প্ৰদায়সমূহৰ বিষয়ে জানিব পাৰিব,
- বিভিন্ন সম্প্ৰদায়সমূহৰ মূল বক্তা সকলৰ নাম আৰু কৰ্মৰ লগত পৰিচিত হ'ব পাৰিব।

## ১.৩ প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস

বস্তুবাদী ভাব প্ৰৱণতাৰ উৰ্দ্ধত মানৱ জাতিৰ নান্দনিক উপলব্ধিৰ আবেদনতাতেই সাহিত্যৰ প্ৰয়োজনীয়তা। এই প্ৰয়োজনীয়তাৰ কাৰণেই সৃষ্টি হৈছিল মানৱ জাতিৰ অন্যতম সুপ্ৰাচীন শৈল্পিক সৃষ্টি-কাব্যৰ। কাব্য বা কবিতা বুলিলে আদিম সমাজত সমগ্ৰ সাহিত্য কৰ্মকেই বুজোৱা হৈছিল আৰু ইয়াকেই জ্ঞান প্ৰকাশৰ একমাত্ৰ বাহক বুলি গণ্য কৰা হৈছিল। কিন্তু সকলো প্ৰকাৰৰ স্বতঃস্ফূৰ্ত কৃতিকেই সাহিত্যৰ সংজ্ঞাৰ ভিতৰত পেলাব নোৱাৰি। ছন্দ, ৰস, অলংকাৰ আদিৰ সমন্বয়ে সাহিত্যৰ বাক্যসমূহক এক অভিনৱত্ব প্ৰদান কৰি সেই বাক্যসমূহক এক নন্দনতাত্ত্বিক পৰ্যায়লৈ উন্নীত কৰে। যি সৃষ্টিয়ে পাঠকক আনন্দ প্ৰদান কৰে, হৃদয়ৰ গোপন কক্ষত আশা বিয়পায় তোলে তথা মানুহৰ অন্তৰাত্মাৰ সৈতে জগতাত্মাৰ মিলন ঘটায়, তেনেকুৱা সৃষ্টিৰাশিকহে সাহিত্যৰ গণ্ডীৰ ভিতৰত আনিব পৰা যায়। সংস্কৃত সমালোচনা শাস্ত্ৰ মতেও কাব্য হৈছে কবিৰ নান্দনিক সৃষ্টি, আৰু যিবোৰ সৃষ্টিয়েই পাঠকক ৰসাস্বাদনৰ মাজেৰে লৌকিক তথা পাৰমাৰ্থিক আনন্দ প্ৰদান কৰে; সেইবোৰেই সাহিত্য।

ভাৰতীয় কাব্য পৰম্পৰাৰ বৈচিত্ৰ্যময় ইতিহাস ঋগ্‌বেদৰ পৰাই আৰম্ভ হৈছে। *বেদ*, বৈদিক ঋষিসকলৰ হৃদয়ৰ আকুল আহ্বানৰ স্বতস্ফূৰ্ত বহিঃপ্ৰকাশ হ'লেও, ঋষিসকলৰ অজ্ঞাতসাৰেই ই এক নৈসৰ্গিক কাব্যিক গুণেৰে মহিমামণ্ডিত। *ঋগ্‌বেদৰ* 'উষা-সুক্ত'ই (ঋ, বে. ৩.৬১) এক সুন্দৰ দৃষ্টান্ত। *ৰামায়ণ* আৰু *মহাভাৰত* এই দুখন যুগান্তকাৰী মহাকাব্যইও ভাৰতীয় কাব্য সাহিত্যৰ সূত্ৰপাত ঘটাইছিল। বাল্মীকি ভাৰতৰ আদি কবি, তেৱেঁই অন্তৰাত্মাত ধ্বনিত হোৱা কৰুণ শোকক শ্লোকত পৰিণত কৰি ভাৰতীয় কাব্যৰ মূল আদৰ্শটো অৱতাৰণা কৰিছিল। পতঞ্জলিৰ *'মহাভাষ্য'*, ভৰতৰ *'নাট্যশাস্ত্ৰ'* আদি শাস্ত্ৰতো কাব্যৰ জিলিঙণি দেখিবলৈ পোৱা যায়। ৰাজসভাৰ ৰাজকবিসকলেও কৃত্ৰিম কাব্যশৈলীৰ আধাৰত সাহিত্য ৰচনা কৰিবলৈ প্ৰয়াস কৰিছিল।

পৰ্যায়ক্ৰমে ধৰ্মনিৰপেক্ষ লৌকিক কাব্যৰ ৰচনাই লোকসমাজত মনোৰঞ্জনৰ সাধন হিচাপে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। এই ৰচনাৰাশিৰ গঠন তথা প্ৰকৃতি সম্পৰ্কে সচেতন পণ্ডিতসকলে নীতি নিৰ্দ্ধাৰণ কৰিবলৈ বাধ্য হোৱাৰ লগতে পণ্ডিতসকলে কাব্যসমূহৰ বিচাৰ অথবা সমালোচনা দাঙি ধৰি সমালোচনা শাস্ত্ৰৰ গতিধাৰাৰ উদ্‌গম ঘটাইছিল। খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা সংস্কৃত সাহিত্যৰ সমালোচনাৰ ধাৰা প্ৰৱাহিত হৈছে বুলি বিভিন্ন পণ্ডিতে মত পোষণ কৰিছে। সাহিত্যিক ৰচনাক ভাল-বেয়া নিৰূপণ কৰিবলৈ যি বিচাৰ পদ্ধতি প্ৰয়োগ কৰা হয় সিয়েই সাহিত্যিক সমালোচনা; সংস্কৃত সাহিত্যৰ ইতিহাসত ইয়াক অলংকাৰ শাস্ত্ৰ বোলা হয়।

সংস্কৃত সাহিত্যত কাব্য সমালোচনা শাস্ত্ৰৰ এক সুদীৰ্ঘ ইতিহাস দেখিবলৈ পোৱা যায়। ভৰত মুনিৰ *'নাট্যশাস্ত্ৰ'*কেই এই প্ৰকাৰৰ সাহিত্য কৰ্মৰ প্ৰথম নিদৰ্শন বুলি কোৱা

হৈছে। ভাৰতীয় নন্দনতত্ত্বৰ এই প্ৰবাহৰ উৎস *ঋগ্বেদ*তেই প্ৰথমে পোৱা হৈছিল। মন্ত্ৰদ্ৰষ্টা ঋষিসকল অকল কবিয়েই নাছিল, তেওঁলোক একো একো গৰাকী সমালোচকো আছিল। নিম্নোক্ত মন্ত্ৰটিতে ইয়াৰ আভাস পৰিস্ফুত হৈছে—

*উত ত্বং পশ্যন্ন দদৰ্শ বাচমুত ত্বহ শৃণ্বন্ন শৃণোতেনম্।*
*উত ত্বস্মৈ তন্বং বিসস্ৰে জায়েৱ পত্য উশতি সুবাসাঃ।।*

—(ঋ. বে. ৮.২৩.৪)

ইয়াৰ অৰ্থ হৈছে কাব্যৱাণীয়ে তেওঁৰ ওচৰতহে আত্মপ্ৰকাশ কৰে, যিজনে তেওঁৰ স্বৰূপ উপলব্ধি কৰে। ইয়াত কবি মন্ত্ৰদ্ৰষ্টা ঋষিয়ে সহৃদয় সমালোচকসকলক প্ৰশংসা কৰিছে।

*ৰামায়ণ* আৰু *মহাভাৰত*ৰ পৃষ্ঠাতো কাব্য আলোচনাৰ প্ৰতিচ্ছবি পৰিস্ফুট হৈ আছে। আদিকবি বাল্মীকি এগৰাকী কবিয়েই নাছিল, তেওঁ এগৰাকী সুনিপুণ সমালোচকো। এইগৰাকী মুনিৰ মানসপটতেই সমন্বয় ঘটিছিল কবিৰ কাব্যয়িত্ৰী প্ৰতিভা আৰু সমালোচনাৰ ভাবয়িত্ৰী প্ৰতিভাৰ। কবিয়ে *ৰামায়ণ* সৃষ্টিৰ সূচনা এনেদৰে বৰ্ণনা কৰিছে—

*পাদবদ্ধোক্ষৰসমং তন্ত্ৰীলয় সমন্বিতং।*
*শোকাৰ্তস্য প্ৰবৃত্তো মে শোকে ভৱতু নান্যথা।।*

—(*ৰামায়ণ*, ১, ২, ১৮)

কোনো এক ক্ৰুৰ ব্যাধৰ হাতত মৃত্যু হোৱা ক্ৰৌঞ্চ পক্ষীটোৰ মৃত্যুত ক্ৰন্দৰতা ক্ৰৌঞ্চীৰ আকুল আবেগত কাৰুণিক কবিৰ অন্তঃকৰণ দ্ৰবীভূত হৈ পৰিছিল। সহৃদয় কবিৰ দুঃখাৰ্ত্ত অনুভূতিৰ স্বতঃস্ফূৰ্ত বহিঃপ্ৰকাশ হিচাপে নিগৰিত হোৱা 'মা নিষাদ প্ৰতিষ্ঠাম্...' এই শ্লোকটোৰ অৰ্থৰ বিষয়ে চিন্তা কৰি কবিয়ে নিজেই সিদ্ধান্তত উপনীত হ'ল যে, তেওঁৰ সহৃদয় আন্দোলিত শোকেই শ্লোকত পৰিণত হ'ল। এই নৈসৰ্গিক শোক-শ্লোকৰ পৰিবৰ্তনেই পৰৱৰ্তী সংস্কৃত সমালোচনা শাস্ত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। 'ধ্বনিবাদ'ৰ প্ৰৱৰ্তক প্ৰখ্যাত আলংকাৰিক আনন্দবৰ্ধনে এই শোক-শ্লোক সমীকৰণৰ দ্বাৰাই অনুপ্ৰাণিত হৈ 'ধ্বনি'কেই কাব্যৰ আত্মাৰূপে স্বীকাৰ কৰি ধ্বনিবাদৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ মতে—

*কাব্যস্যাত্মা স এৱাৰ্থস্তথা চাদিকৱেঃ পুৰা।*
*ক্ৰৌঞ্চদ্বন্দ্ববিয়োগত্থঃ শোকঃ শ্লোকত্বমাগতঃ।।*

(*ধ্বন্যালোক*, ১, ৫)

বৈদিক ঋষিসকলৰ অথবা ক্ৰোঞ্চমিথুনৰ কৰুণ দৃশ্যৰ প্ৰভাৱত আদিকবি বাল্মীকিৰ মানসপটত অজ্ঞাতসাৰেই নন্দনতাত্ত্বিক বিশ্লেষণৰ ভাৱধাৰা ফুটি উঠিলেও

ভাৰতীয় সমালোচনা শাস্ত্ৰৰ শৃঙ্খলাবদ্ধ ৰূপ পোনপ্ৰথমে উদ্ভাসিত হয় ভৰতমুনিৰ *নাট্যশাস্ত্ৰ*ৰ যোগেদি। এই প্ৰাচীন গ্ৰন্থখনত 'নাট্য'কেই প্ৰধান বিষয়বস্তু হিচাপে আলোচনা কৰা হৈছে যদিও ইয়াত আনুষঙ্গিকভাৱে হ'লেও সাহিত্য বিদ্যাকো সামৰি লোৱা হৈছে। *নাট্যশাস্ত্ৰ*ত অলংকাৰ শাস্ত্ৰীয় বিষয়ৰো আলোচনা হোৱা হেতুকে বহুতো পণ্ডিতে মত পোষণ কৰিছে যে, নাট্য সাহিত্যতেই অলংকাৰ শাস্ত্ৰৰ জন্মলগ্ন সোমাই আছে। প্ৰখ্যাত সাহিত্য সমালোচক ড° ভি. ৰাঘৱনৰ ভাষাত— "সমালোচকসকলে নাটককে শ্ৰেষ্ঠ সাহিত্যিক ৰূপ বুলি গ্ৰহণ কৰাত সম্পূৰ্ণ এক মত। এই সন্দৰ্ভত এইটো এটি অতি গুৰুত্বপূৰ্ণ দিশ যে নাট্য সাহিত্যৰ পৰাই অলংকাৰ শাস্ত্ৰৰ উৎপত্তি হৈছে। ভৰতমুনিৰ *নাট্যশাস্ত্ৰই* অলংকাৰ বিষয়ক আদিম গ্ৰন্থ। এৰিষ্টটলৰ '*পয়েটিকস্*'ৰ মতে '*ট্ৰেজেদি*'য়েই হৈছে শ্ৰেষ্ঠ কাব্য সংস্কৃত আলংকাৰিকসকলৰ ভিতৰত বামণেই প্ৰথমে কৈছে যে সকলো কবিসকলৰ ভিতৰত নাটকেই হৈছে শ্ৰেষ্ঠ ৰচনা, কিয়নো ই হৈছে নানাবিধ সাহিত্য কলাৰে মণ্ডিত আৰু সেয়ে ই হৈছে স্বয়ংসম্পূৰ্ণ আৰু চিত্ৰৰ দৰে বৈচিত্ৰময়ী।"

সংস্কৃত অলংকাৰ শাস্ত্ৰৰ বীজ ৰোপণ কৰা *নাট্যশাস্ত্ৰ*ৰ আটাইতকৈ উল্লেখযোগ্য অৱদান হৈছে—নন্দনতাত্ত্বিক অনুভূতিকে কাব্যৰ প্ৰাণ বুলি স্বীকৃতি প্ৰদান কৰা। এইখিনিতেই এইটো প্ৰণিধানযোগ্য যে অলংকাৰ শাস্ত্ৰৰ লগতে ব্যাকৰণ শাস্ত্ৰৰো এটি যোগসূত্ৰ আছে। অঙ্গাঙ্গী সম্বন্ধ হিচাপে অলংকাৰ শাস্ত্ৰই কাব্যিক প্ৰকাশভঙ্গীৰ বিষয়ে আলোচনা কৰে আৰু ব্যাকৰণ শাস্ত্ৰই সাহিত্যৰ ভাষাগত বিশুদ্ধতাৰ ওপৰত নিয়ন্ত্ৰণ আৰোপ কৰে। দুয়োটা শাস্ত্ৰ পৰম্পৰাৰ বিষয়বস্তু হৈছে মূলতঃ শব্দতত্ত্ব; আৰু সেইকাৰণেই বহুতো পণ্ডিতে অভিব্যক্ত কৰিছে যে ব্যাকৰণ শাস্ত্ৰৰ পৰাই অলংকাৰবাদৰ উৎপত্তি হৈছে। প্ৰাচীনকালৰ পৰাই সকলোৱে ব্যাকৰণ শাস্ত্ৰৰ আধিপত্য স্বীকাৰ কৰি অহাৰ লগতে বহুকেইগৰাকী আলংকাৰিকে ব্যাকৰণ শাস্ত্ৰৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছে। বিখ্যাত ধ্বনিবাদী আলংকাৰিক আনন্দবৰ্দ্ধনে বৈয়াকৰণসকলক 'প্ৰথম বিদ্বান' বুলি অভিহিত কৰিছে। ভামহৰ '*কাব্যালংকাৰ*' আৰু বামণৰ '*কাব্যালংকাৰ সূত্ৰ*' আদি গ্ৰন্থত ব্যাকৰণ তত্ত্বগত শাব্দিক বিচাৰ সম্বন্ধে বিভিন্ন ব্যাখ্যা আগবঢ়োৱা হৈছে। এনেদৰে অলংকাৰ শাস্ত্ৰ আৰু ব্যাকৰণ শাস্ত্ৰই জন্মলগ্নৰে পৰা পৰস্পৰে জড়িত হৈ দুয়োবিধ শাস্ত্ৰই প্ৰতিষ্ঠা লাভ কৰাৰ লগতে শব্দতাত্ত্বিক বিশ্লেষণৰ ধাৰাও প্ৰবাহিত কৰি আহিছে।

আলংকাৰিক ভৰতমুনিৰ পৰা পণ্ডিতৰাজ জগন্নাথলৈ প্ৰায় দুহেজাৰ বছৰ ব্যাপি সংস্কৃত সমালোচনা শাস্ত্ৰই এক সুদীৰ্ঘ ইতিহাস পাৰ কৰি আহিছে। এই সুদীৰ্ঘ কালছোৱাত কাব্যৰ সংজ্ঞা, কাব্যৰ স্বৰূপ, কাব্যৰ প্ৰয়োজন, কাব্যৰ হেতু ইত্যাদি কাব্যৰ বিভিন্ন বিষয়তত্ত্বক লৈ সমালোচকসকলৰ মাজতো বাদানুবাদৰ সৃষ্টি হৈছে। এই বাদানুবাদৰ প্ৰভাৱতে সংস্কৃত সমালোচনা সাহিত্যত গঢ় লৈ উঠিছে বিভিন্ন মতবাদ তথা সম্প্ৰদায়। সংস্কৃত সমালোচনা শাস্ত্ৰৰ ইতিহাসত বহুকেইটা মতবাদৰ উদ্ৰেক ঘটিলেও বিষয়বস্তুৰ সামঞ্জস্যৰ ওপৰত লক্ষ্য কৰি ড° পি. ভি. কাণে প্ৰভৃতি

পণ্ডিতসকলে এনেকুৱা পাঁচটা মতবাদৰ পোষকতা কৰিছে। আধুনিক সমালোচকসকলে আৰু দুটা মতবাদ সংলগ্ন কৰি ইয়াৰ পৰিধি সাতোটালৈ বৃদ্ধি কৰা দেখিবলৈ পোৱা যায়। তথাপিও চাৰিটা অথবা পাঁচটা মতবাদকে প্ৰায় সকলোৱে নির্বিবাদে গ্রহণ কৰি আহিছে।

১.৪ সংস্কৃত অলংকাৰ শাস্ত্ৰ বিষয়ক সম্প্ৰদায়সমূহ

(১) আচাৰ্য্য ভামহৰ দ্বাৰা পোষিত 'অলংকাৰবাদ'। এই সম্প্ৰদায়ৰ মতে দোষহীন আৰু অলংকৃত শব্দাৰ্থই কাব্য। ভামহে তেওঁৰ গ্ৰন্থ '*কাব্যালংকাৰ*'ত তেওঁ 'শব্দাৰ্থৌ সাহিতৌ কাব্যম্'—এই সূত্ৰেৰে শব্দ আৰু অৰ্থ উভয়কে কাব্যৰ মূল উপাদান বুলি স্বীকৃতি দিছে। দণ্ডী, ৰুদ্ৰট, প্ৰতিহাৰেন্দুৰাজ আদি সমালোচকে এই মতৰ সমৰ্থক।

(২) আলংকাৰিক বামণৰ দ্বাৰা প্ৰৱৰ্তিত 'ৰীতিবাদ'। এই মতবাদ মতে কেৱল শব্দ আৰু অৰ্থই কাব্য নহয়; ই গুণ আৰু অলংকাৰ যুক্ত হ'ব লাগিব আৰু সেয়েহে তেওঁৰ মতে ৰীতিয়েই কাব্যৰ আত্মা। বামণ বিৰচিত গ্ৰন্থ '*কাব্যলংকাৰ সূত্ৰবৃত্তি*' ৰীতিৰ সংজ্ঞা এনেদৰে দিছে যে—'বিশিষ্ট পদ ৰচনা ৰীতি'। সংস্কৃত আলংকাৰিকসকলৰ ভিতৰত বামণেই প্ৰথমে কাব্যদেহৰ অন্তৰালত যে কাব্যপ্ৰাণ আছে তাক উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল।

(৩) নাট্যশাস্ত্ৰকাৰ ভৰতমুনিৰ দ্বাৰা প্ৰৱৰ্তিত 'ৰসবাদ'। কাব্যসমালোচনাৰ ক্ষেত্ৰত ৰসবাদৰ এটি তাৎপৰ্যপূৰ্ণ ভূমিকা আছে এই কাৰণেই যে ইয়ে সাহিত্যৰ স্বৰূপ নিৰ্ণয়ত অগ্ৰগণ্য ভূমিকা গ্ৰহণ কৰিছিল। ৰসতত্ত্ব বিষয়ক ভৰত মুনিৰ মূল ৰসসূত্ৰটো হৈছে—'বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱৰ সংযোগত ৰস নিষ্পত্তি হয়।' এই মতবাদ মতে অলংকাৰ, শব্দ আদি কাব্যৰ বাহ্যিক আভৰণ, কিন্তু ৰস হৈছে কাব্যৰ অন্তৰাভৰণ অৰ্থাৎ আত্মা। ভট্টলোল্লট, শ্ৰীশঙ্কুক, ভট্টনায়ক, অভিনৱগুপ্ত, বিশ্বনাথ কবিৰাজ, জগন্নাথ আদি আলংকাৰিকসকল এই মতবাদৰ সমৰ্থক।

(৪) আলংকাৰিক আনন্দবৰ্দ্ধনে প্ৰতিষ্ঠা কৰা 'ধ্বনিবাদ'। আনন্দবৰ্দ্ধনে তেওঁৰ বিখ্যাত গ্ৰন্থ '*ধ্বন্যালোক*'ত 'ধ্বনি'কেই কাব্যৰ আত্মা বুলি প্ৰতিপাদন কৰি সাহিত্য সমালোচনাৰ বুৰঞ্জীত এটি নতুন তথ্যৰ উদ্‌ঘাটন কৰিছিল। আনন্দবৰ্দ্ধনে ধ্বনিকাব্যৰ লক্ষণ দাঙি ধৰি কৈছে—'য'ত অৰ্থ বা শব্দই নিজক অপ্ৰধান কৰি ব্যঙ্গ্য অৰ্থক প্ৰকাশ কৰে, সেই কাব্য বিশেষকে পণ্ডিতসকলৰ দ্বাৰা ধ্বনিকাব্য বুলি কোৱা হয়।'

(৫) আনন্দবৰ্দ্ধনৰ পাছত আলংকাৰিক কুন্তকে '*বক্ৰোক্তিজীৱিতম্*' নামৰ গ্ৰন্থ ৰচনা কৰি সংস্কৃত অলংকাৰ শাস্ত্ৰত এক নতুন যুগান্তৰ সূচনা আনিছিল। তেওঁৰ এই মতবাদক 'বক্ৰোক্তিবাদ' নামে জনা যায়। কুন্তকৰ মতে বক্ৰোক্তিয়েই কাব্যৰ প্ৰাণ। তেওঁ বক্ৰোক্তিক এইদৰে বৰ্ণনা কৰিছে—'বক্ৰোক্তিৰেৱ বৈদগ্ধভঙ্গি ভনিতিৰুচ্যতে' অৰ্থাৎ বক্ৰোক্তি হৈছে ভাব প্ৰকাশৰ এক প্ৰকাৰ ভঙ্গীবিশেষ আৰু ই কবি প্ৰতিভা সম্ভূত।

(৬) ধ্বনিবিৰোধী আলংকাৰিক মহিম ভট্টই তেওঁৰ '*ব্যক্তিবিবেক*' নামৰ গ্ৰন্থৰ জৰিয়তে 'অনুমিতিবাদ' প্ৰতিষ্ঠা কৰে। তেওঁৰ মতে ধ্বনি অনুমানৰ অন্তৰ্গত। এইজনা আলংকাৰিকে শব্দৰ একাধিক শক্তিক স্বীকাৰ নকৰি কেৱল অভিধা শক্তিকহে স্বীকাৰ কৰিছিল।

(৭) প্ৰখ্যাত কাশ্মীৰি আলংকাৰিক ক্ষেমেন্দ্ৰক 'ঔচিত্যবাদ'ৰ প্ৰৱৰ্তক হিচাপে জনা যায়। তেওঁ '*ঔচিত্যবিচাৰচৰ্চা*' নামৰ গ্ৰন্থ ৰচনা কৰি এই মতবাদ প্ৰতিষ্ঠা কৰিছিল। ঔচিত্যৰ সংজ্ঞা দি ক্ষেমেন্দ্ৰই কৈছে যে—'যাৰ লগত যিটোৰ মিল, আচাৰ্য্য সকলে তাকেই উচিত বুলি কয়। উচিতৰ যি ভাব, তাকেই ঔচিত্য বুলি কোৱা হয়।

এনেদৰে ভাৰতীয় নন্দনতত্ত্বৰ অবাধ গতিধাৰাই বিভিন্ন সময়ত বিভিন্ন স্তৰ অতিক্ৰম কৰি সংস্কৃত সমালোচনা শাস্ত্ৰৰ বুনিয়াদ গঢ়ি তুলিছিল। ওপৰত উল্লেখ নকৰা বহু কেইগৰাকী আলংকাৰিকেও তেওঁলোকৰ সাহিত্য কৃতিৰে এই গতিধাৰাক পোষিত কৰিছিল। তেওঁলোকৰ ভিতৰত মম্মট, অপ্পয়দীক্ষিত তথা 'অগ্নিপুৰাণ' এই ক্ষেত্ৰত প্ৰণিধানযোগ্য।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

১। কি কাৰণে 'নাট্যশাস্ত্ৰ'ত কাব্য সমালোচনাৰ বীজ অংকুৰিত হোৱা বুলি কোৱা হৈছে? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

....................................................................................................
....................................................................................................
....................................................................................................
....................................................................................................
....................................................................................................
....................................................................................................
....................................................................................................

২। কাব্যৰ কি কি দিশৰ ওপৰত ভিত্তি কৰি কাব্য সমালোচনাৰ বিভিন্ন ধাৰাসমূহ গঢ়ি উঠিছিল? (৩৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

....................................................................................................
....................................................................................................
....................................................................................................
....................................................................................................
....................................................................................................
....................................................................................................
....................................................................................................

## ১.৫ সাৰাংশ

সাহিত্যৰ চিন্তা-চৰ্চাৰ লগতে সাহিত্য সমালোচনাৰ ইতিহাসো ভাৰতবৰ্ষত অতি প্ৰাচীন। ভৰত মুনিৰ নাট্য শাস্ত্ৰতে সমালোচনাৰ বীজ অংকুৰিত হয়। ভাৰতীয় কাব্যতত্ত্ব বা সাহিত্য শব্দৰ প্ৰয়োগ অৰ্বাচীন। সাহিত্য শব্দৰ ঠাইত দৰাচলতে কাব্য অভিধাটিহে বহুল প্ৰয়োগ হৈছিল। পৰৱৰ্তী সময়তহে সাহিত্য শব্দৰ প্ৰয়োগ হ'বলৈ আৰম্ভ কৰে। এই কাব্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিক সকলে বিভিন্ন ধাৰণে মতবাদ আগবঢ়াই গৈছে। ধ্বনি, ৰীতি, বক্ৰোক্তি, ৰস আদি বিভিন্ন দিশ সমূহে বিভিন্ন আলংকাৰিক সকলৰ বাবে কাব্যৰ সাৰবস্তু হিচাপে সময়ে সময়ে গুৰুত্ব লাভ কৰিছে।

## ১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস দাঙি ধৰিবলৈ যত্ন কৰক।

২। সাহিত্য মানে কি? ভাৰতীয় কাব্যতত্ত্ব অনুসৰি সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰক।

৩। কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি, ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰক।

৪। কাব্যৰ হেতু মানে কি? বহলাই আলোচনা কৰক।

৫। কাব্যৰ গুণ আৰু দোষ মানে কি? ব্যাখ্যা কৰক।

৬। সাহিত্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলে আগবঢ়োৱা মতবাদসমূহ উল্লেখ কৰক।

## ১.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


তীৰ্থনাথ শৰ্মা : *সাহিত্য-বিদ্যা পৰিক্ৰমা*

ড° নৱেন্দ্ৰ নাথ শৰ্মা : *সংস্কৃত সমালোচনা শাস্ত্ৰৰ বিৱৰ্তন আৰু ধাৰা*

: *পণ্ডিতৰাজ জগন্নাথ আৰু ভাৰতীয় নন্দনতত্ত্ব*

ত্ৰৈলোক্যনাথ গোস্বামী : *নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য*

মনোৰঞ্জন শাস্ত্ৰী : *সাহিত্য দৰ্পণ*

বিশ্বনাৰায়ণ শাস্ত্ৰী (অনুদিত) : *বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পণ*

ড° মুকুন্দ মাধৱ শৰ্মা : *সাহিত্য তত্ত্ব আৰু সমালোচনা*

P.V. Kane : *History of India Poetics.*


●●●

## দ্বিতীয় বিভাগ
## সাহিত্যৰ স্বৰূপ

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ সাহিত্যৰ সংজ্ঞা
২.৪ কাব্যৰ প্ৰয়োজনীয়তা
২.৫ কাব্যৰ হেতু
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Reading)

### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত প্ৰাচ্য সাহিত্য সমালোচনাৰ ধাৰা সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত সাহিত্যৰ স্বৰূপ সম্পৰ্কে আলোকপাত কৰা হ'ব। এই প্ৰসংগতে কাব্যৰ প্ৰয়োজনীয়তা আৰু কাব্যৰ হেতু সম্পৰ্কেও পৰ্যালোচনা কৰা হ'ব।

আগৰ বিভাগটিত কৈ অহা হৈছে যে প্ৰাচীন কালত 'কাব্য' শব্দটোক বহল অৰ্থত ব্যৱহাৰ কৰি 'সাহিত্য' শব্দটোক সীমিত অৰ্থত ব্যৱহাৰ কৰিছিল। সাহিত্য শব্দটি মাঘ, ভামহ, প্ৰভৃতি আলংকাৰিকসকলে শব্দাৰ্থৰ সহিতত্ব অৰ্থতহে প্ৰয়োগ কৰিছিল। 'সাহিত্য' অথবা 'কাব্য'ৰ স্বৰূপ সম্পৰ্কত বিভিন্ন আলংকাৰিকসকলে বিভিন্ন ধৰণে মতবাদ আগবঢ়াই গৈছে। 'সাহিত্য' সৃষ্টিৰ হেতু সম্পৰ্কেও নানা মতবাদৰ সৃষ্টি হৈছিল। এই বিভাগটিত এই দিশবোৰৰ বিষয়ে আলোকপাত কৰা হ'ব।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- সাহিত্যৰ সংজ্ঞা সম্পৰ্কে জানিব পাৰিব,
- কাব্যৰ প্ৰয়োজনীয়তাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব আৰু
- কাব্যৰ হেতু সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

## ২.৩ সাহিত্যৰ সংজ্ঞা

সাহিত্য শব্দটো অৰ্বাচীন। ইংৰাজীত 'Litterature' বুলিলে যি বুজা যায়, সাধাৰণতে 'সাহিত্য' শব্দটোৱে সেই একেই অৰ্থৰেই বোধ জন্মায়। ভাষা এটাৰ মাধ্যমত ৰস আৰু ৰূপ সৃষ্টি কৰিবলৈ কবিৰ অন্তৰত স্বতঃস্ফূৰ্তভাৱে যি বাঙ্ময় প্ৰকাশ ঘটে, 'সাহিত্য' শব্দই তাকেই বুজায়। সংস্কৃত সাহিত্যৰ আলংকাৰিক সমালোচকসকলেও এনেধৰণৰ সৃষ্টিশীল ৰচনাৰাজিকে 'কাব্য' শব্দেৰে অভিহিত কৰিছিল আৰু বিস্তৃত অৰ্থত গদ্য আৰু পদ্য এই দুয়ো শ্ৰেণীৰ ৰচনাই সাহিত্যৰ অন্তৰ্ভুক্ত আছিল। আধুনিক সকলোবোৰ ভাৰতীয় ভাষাতেই সাহিত্য শব্দটোৱে এনেধৰণৰ ৰসৰূপী সৃষ্টিশীল কৰ্মকেই অৰ্থাৎ সাহিত্য কৰ্মকেই অভিহিত কৰে। সংস্কৃত সাহিত্যত ৰসময়ী সৃষ্টিশীল সাহিত্যৰাজিৰ ক্ষেত্ৰত 'কাব্য' অথবা 'সাহিত্য' এই দুয়োটা শব্দৰে প্ৰয়োগ আলংকাৰিকসকলে কৰিছে। কাব্য শব্দৰ পৰিবৰ্তে সাহিত্য শব্দৰ প্ৰয়োগ আপেক্ষিকভাৱেই আধুনিক। সংস্কৃত আলংকাৰিকসকলেই প্ৰথমে 'কাব্য' শব্দৰ ঠাইত 'সাহিত্য' শব্দৰ প্ৰয়োগ কৰিছিল। সংস্কৃত আলংকাৰিক আচাৰ্য্য কুন্তকে তেওঁৰ '*বক্ৰোক্তিজীৱিত*' নামৰ গ্ৰন্থত আৰম্ভণিতেই সাহিত্য শব্দটোৰ কাব্যৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰিছে—'সাহিত্যাৰ্থসুধাসিন্ধোঃ সাৰসুসুন্মীলয়াম্যহম্'। কাব্য অথবা সাহিত্যৰ অন্তৰালত মূলাধাৰৰূপে এক মিলন অথবা সংস্পৰ্শৰ ভাৱ যে নিহীত হৈ আছে, কুন্তকৰ এই উক্তিয়েই ইয়াৰ ইংগিত বহন কৰিছে। এই মিলন অথবা সংগম হৈছে শব্দ আৰু অৰ্থৰ। এই শব্দাৰ্থৰ সংগতি নিত্য আৰু অভিন্ন। এই শব্দ আৰু অৰ্থৰ নিত্য সম্বন্ধৰ কথা মহাকবি কালিদাসেও তেওঁৰ '*কুমাৰসম্ভৱ*' মহাকাব্যত পাৰ্বতী-মহাদেৱৰ নিত্য সম্বন্ধৰ শব্দাৰ্থৰ অন্বয় তথা নিত্য সম্বন্ধৰ লগত তুলনা দাঙি ধৰিছে—

"ৱাগৰ্থাৱিব সংপৃক্তৌ বাগাৰ্থৌ প্ৰতিপত্তয়ে।
জগতঃ পিতৰৌ ৱন্দে পাৰ্বতীপৰমেশ্বৰৌ।।"

ব্যাকৰণৰ দৃষ্টিত 'সহিত' শব্দৰ পিছত 'ষ্ণ্য' প্ৰত্যয়টো যোগ হৈ 'সাহিত্য' পদটো নিষ্পন্ন হৈছে—'সহিতস্য ভাৱঃ সাহিত্যম্'। ৰাজশেখৰ নামৰ সংস্কৃত আলংকাৰিকজনে (দশম শতিকাৰ) তেওঁৰ অলংকাৰ গ্ৰন্থ '*কাব্যমীমাংসা*'ত 'সাহিত্য' শব্দটো পোনপ্ৰথমে ব্যৱহাৰ কৰা দেখা যায়। তেওঁৰ মতে সাহিত্য বিদ্যা হৈছে পঞ্চমবিধ বিদ্যা—'সাহিত্যে পঞ্চমী বিদ্যা।' আলংকাৰিক ৰাজশেখৰেও 'কাব্য-পুৰুষ' আৰু 'সাহিত্য বিদ্যাবধু'ৰ কল্পনাৰ মাজেৰে এক অভিনৱ ধাৰণাৰ জন্ম দিছে। ৰাজশেখৰৰ পাছত আলংকাৰিক ভোজে তেওঁৰ '*শৃঙ্গাৰ প্ৰকাশ*' নামৰ গ্ৰন্থত সাহিত্য শব্দটোক বিস্তৃতভাৱে ব্যৱহাৰ কৰিছে। পৰৱৰ্তী কালৰ বিশ্বনাথ কবিৰাজেও তেওঁৰ আলংকাৰিক গ্ৰন্থখনৰ নাম '*সাহিত্যদৰ্পণ*' নামেৰে নামকৰণ কৰি সাহিত্যৰ ধাৰণাটোক স্পষ্ট ৰূপত প্ৰতিভাস কৰিবলৈ চেষ্টা কৰিছিল।

শব্দ আৰু অৰ্থৰ নিত্য মিলনতেই সাহিত্যৰ জন্ম। সাহিত্য অথবা কাব্যৰ সংজ্ঞা নিৰূপণ কৰাৰ প্ৰসঙ্গত আচাৰ্য্য ভামহে তেওঁৰ গ্ৰন্থ 'কাব্যালংকাৰ'ত শব্দ আৰু অৰ্থৰ মিলনৰ আভাস দাঙি ধৰিছে— 'শব্দাৰ্থৌ সহিতৌ কাব্যং গদ্যং পদ্যঞ্চ তদ্‌বিধা।' সাধাৰণ দৃষ্টিত এই সংজ্ঞাটোৱে কাব্যতত্বৰ ধাৰণা দিবলৈ সমৰ্থ নহয় বুলি ধাৰণা হ'লেও, এই সংজ্ঞাটোতেই কাব্যতত্বৰ বীজ নিহীত হৈ আছে। ভামহৰ কাব্য সংজ্ঞাকে আওপকীয়াভাৱে গ্ৰহণ কৰি আচাৰ্য্য দণ্ডীয়ে সাহিত্য বা কাব্যৰ স্বৰূপ সম্পৰ্কে কৈছে যে, কাব্য হৈছে কিছুমান পদৰ সমষ্টি, এই পদসমূহৰ মাজেৰে কবিয়ে স্বকীয় ইষ্টাৰ্থ প্ৰকাশ কৰে— "শৰীৰং তাংদিষ্টৌৰ্থব্যবচ্ছিন্না পদাবলী"। এই ইষ্টাৰ্থ হৈছে কবিৰ অভিপ্ৰেত অৰ্থ। প্ৰত্যেকজন কবিয়ে তেওঁৰ কাব্যৰ মাজেদি হৃদয়ৰ ঐকান্তিক বাণীৰ প্ৰস্ফূৰণ ঘটাব খোজে।

কাব্যৰ সংজ্ঞাত আচাৰ্য্য দণ্ডীয়ে প্ৰথমতে কাব্য-শৰীৰৰ কথা উল্লেখ কৰিছে, কিন্তু কাব্যৰ প্ৰাণ সম্বন্ধে তেওঁ বিশেষ একো মতবাদ আগবঢ়োৱা নাই। কিন্তু বাস্তৱ ক্ষেত্ৰত প্ৰাণহীন কাব্য-শৰীৰৰ কথা চিন্তা কৰিব নোৱাৰি। কাব্য প্ৰাণৰ ধাৰণাটো পোনতে উল্লেখ কৰিছে আলংকাৰিক বামণে তেওঁৰ '*কাব্যালংকাৰ সূত্ৰবৃত্তি*' নামৰ গ্ৰন্থত। তেওঁ ইয়াত 'ৰীতি'কেই কাব্যৰ প্ৰাণ বুলি উল্লেখ কৰিছে। কাব্য দেহৰ ভিতৰত যে প্ৰাণ বিৰাজমান, সেই ধাৰণাটো আলংকাৰিকসকলৰ ভিতৰত প্ৰথমতে বামণেই উপলব্ধি কৰিছিল আৰু সেই মৌলিক ধাৰণাৰ কাৰণে তেওঁ 'ৰীতি'কেই কাব্যৰ আত্মা বুলি ঘোষণা কৰিছিল। এইটো সঁচা যে, কাব্যপ্ৰাণৰ অনুসন্ধানত 'ৰীতি'ৰ ধাৰণা অলংকাৰ ধাৰণাতকৈ কিছু আগবাঢ়ি গৈছিল। এচাম সমালোচকৰ মতে বামনেই প্ৰথমে ধ্বনিবাদৰ এটা অস্পষ্ট ধাৰণা প্ৰদান কৰিছিল আৰু আনন্দবৰ্দ্ধনে তাকেই বিশ্লেষণ কৰিছিল।

সাহিত্য সৃষ্টিত বিভিন্ন উপাদানৰ উপযোগিতা থাকিলেও ৰস সৃষ্টিয়ে লেখকৰ মূল উদ্দেশ্য। কবিয়ে বিভিন্ন কল্পনাৰ জৰিয়তে পাঠকৰ চিত্তৰ বিস্তৃতি ঘটাই এই চিত্তক এক অনিৰ্বচনীয় আনন্দৰ জোৱাৰত ডুবাই ৰাখিবলৈ চেষ্টা কৰে। এই ৰস আস্বাদনেই হৈছে সাহিত্যৰ মূল উদ্দেশ্য। ভৰতমুনিয়ে তেওঁৰ *নাট্যশাস্ত্ৰত* এই ৰসনিষ্পত্তিৰ ধাৰণাটো সূত্ৰ ৰূপত উপস্থাপন কৰিছে। পৰৱৰ্তী কালত বিভিন্ন টীকাকাৰসকলে ইয়াৰ বিশদ ব্যাখ্যা দাঙি ধৰিছে। এই ব্যাখ্যাসমূহৰ ভিতৰত অভিনৱগুপ্তৰ ব্যাখ্যাই ৰসস্বোপলব্ধিত অধিক সহায়ক বুলি বিবেচিত হৈছে। আনন্দবৰ্দ্ধনে ধ্বনিকেই কাব্যৰ প্ৰাণ বুলি স্বীকৃতি দিয়াৰ উপৰিও তেওঁ ইয়াক এটা 'মহাবিষয়' বুলি অভিহিত কৰিছে। আনন্দবৰ্দ্ধনে ধ্বনিবাদ প্ৰৱৰ্তন কৰিছিল আৰু অভিনৱগুপ্তই 'ধ্বন্যালোক'ৰ ওপৰত 'লোচন' নামেৰে টীকা লিখিছিল। আনন্দবৰ্দ্ধনৰ মতে 'যি ৰচনাত শব্দ বা অৰ্থই নিজৰে অৰ্থ গৌণ কৰি কোনো বিশেষ অৰ্থৰ বোধ জন্মায়, তাকেই ধ্বনিকাব্য বোলা হয়। ধ্বনিকাব্যত ব্যঙ্গাৰ্থই প্ৰাধান্য লাভ কৰে; ইয়ে হৈছে কাব্যৰ প্ৰাণ। বাচ্যাৰ্থ অথবা লক্ষ্যাৰ্থতকৈ ই এক ভিন্ন অৰ্থ প্ৰকাশ কৰে। দৰাচলতে সকলো কবিৰে কবি কৃতিত্বৰ যশস্যা নিৰ্ভৰ কৰে ৰস উদ্ৰেকৰ ওপৰত। কাব্যিক প্ৰচেষ্টাত ৰসৰ উদ্ৰেকেই হৈছে

কবিৰ মূল লক্ষ্য। শব্দ আৰু অৰ্থৰ সামঞ্জস্যত ৰস সৃষ্টি কৰাই হৈছে কবিৰ মুখ্য উদ্দেশ্য। সংস্কৃত অলংকাৰ শাস্ত্ৰৰ পৰম্পৰ বিৰোধী মতবাদসমূহৰ ধ্বনিবাদে এক সমন্বয় সাধন কৰা বুলি আখ্যা দিয়া হয়। কিয়নো, কাব্যৰ সকলো উপাদানকে স্বীকৃতি দিয়ো সাহিত্যৰ মুখ্য উদ্দেশ্য মানৱৰ অন্তৰত চমৎকৃতি প্ৰদান কৰা, তাকেই সুন্দৰভাৱে চোৱা হৈছে।

আলংকাৰিক কুন্তকে ধ্বনিবাদ স্বীকাৰ কৰা নাছিল। তেওঁ ভামহক অনুসৰণ কৰিছিল আৰু শব্দাৰ্থৰ মিলনৰ মাজেদি যে সাহিত্যৰ সৃষ্টি হয়, তাকেই প্ৰতিপাদন কৰিবলৈ বিচাৰিছিল। তেওঁৰ মতে শব্দ আৰু অৰ্থৰ মিলনৰ মাজেদি ৰচনাই যেতিয়া এক অপূৰ্ব বৈচিত্ৰ্য প্ৰকাশৰ মাধ্যমত ৰসিকজনক আহ্লাদিত কৰিব পাৰে, তেতিয়াই সেই ৰচনাই কাব্যত্ব লাভ কৰে। কুন্তকৰ মতে কেৱল মাত্ৰ সুন্দৰ শব্দ অথবা অৰ্থই কাব্য সৃষ্টি কৰিব নোৱাৰে, শব্দ আৰু অৰ্থৰ মিলন অপৰিহাৰ্য। কেৱল শব্দাৰ্থৰ মিলনেই যথেষ্ট নহয়। এক অপৰিহাৰ্য আভৰণৰূপে বক্ৰোক্তি থাকিব লাগিব। বক্ৰোক্তি হৈছে কাব্য ৰচনাৰ এক বিশেষ প্ৰকাশভঙ্গী। এই ভঙ্গীমাই কবিকৃতিৰ এক বিশেষ স্তৰলৈ উন্নীত কৰি কাব্যক এক বিশেষ মৰ্যাদা প্ৰদান কৰে। অলংকাৰ সহিত কবিকৃতিহে শব্দ আৰু অৰ্থৰ মিলনৰ মাজেদি সহৃদয় ব্যক্তিক আনন্দ দান কৰিবলৈ সক্ষম হয়। কুন্তকৰ এই তত্ত্বৰ মাজেদি এইটো স্পষ্ট হয় যে, সকলো অলংকাৰেই বক্ৰোক্তিৰ এটি ৰূপ মাত্ৰ, সেইকাৰণে অলংকাৰ মাত্ৰেই বক্ৰোক্তিৰ অন্তৰ্গত হৈ পৰে।

কুন্তকৰ পূৰ্ববৰ্তী আলংকাৰিক ভামহ, দণ্ডী আৰু আনন্দবৰ্দ্ধনে ৰসবৎ অলংকাৰৰ স্বীকৃতি দিয়াৰ কাৰণে কুন্তকৰ সমালোচনাৰ পাত্ৰ হৈছিল। কুন্তকৰ মতে ৰসবৎ অলংকাৰত বক্ৰোক্তিৰ সৃষ্টি হ'লেও ই সুন্দৰ ধাৰণা দিব লাগিব, আৰু তেতিয়াহে ই কাব্যৰ মৰ্যাদা লাভ কৰিব। কবি হৃদয়ৰ বিশেষ বাণীয়ে যেতিয়া শব্দৰ মাধ্যমত ৰসানুভূতিৰ উদ্ৰেক কৰি বহিঃপ্ৰকাশ লাভ কৰে, তেতিয়াই সি কাব্য বা সাহিত্যৰ পৰ্যায়লৈ উঠিব পাৰে। কবি হৃদয়ৰ ৰসময়ী বিশেষ বাণীয়ে যেতিয়া সুকুমাৰ ৰূপত শব্দৰ মাধ্যমত প্ৰকাশ হয়, তেতিয়া প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়, ইয়েই অলৌকিক চিত্তচমৎকাৰিত্বৰ সৃষ্টিৰ কাৰণ হয়। সেই সময়ত ভাব, শব্দ, ছন্দ, অলংকাৰ— এইবোৰে এক অসাধাৰণ সংমিশ্ৰণৰ ফলত নিজৰ নিজৰ স্বাতন্ত্ৰ বিসৰ্জন দি এক নতুন আস্বাদ প্ৰদান কৰে। কুন্তকৰ বক্ৰোক্তি আৰু আনন্দবৰ্দ্ধনৰ ধ্বনিবাদে কবি প্ৰতিভাৰ লগত ওতঃপ্ৰোতভাৱেই জড়িত। দুয়োটা মতবাদেই শ্ৰেষ্ঠ কাব্যৰ মূলতে কবি প্ৰতিভাৰ অৱদানৰ মুখ্য অৱদানৰূপে স্বীকৃতি দিছে।

উত্তৰ ধ্বনিবাদ যুগৰ প্ৰায় সকলো সমালোচকেই পৰোক্ষভাৱে ধ্বনিবাদৰ স্বীকাৰ কৰিও, তেওঁলোকৰ স্বকীয় বৈশিষ্ট্য দেখুৱাবলৈ তৎপৰ হৈ এনে কিছুমান কাব্যসংজ্ঞা দাঙি ধৰিছিল, যিবোৰ সাধাৰণতে প্ৰাচীন আলংকাৰিকসকলৰ কাব্যসংজ্ঞাৰেই নামান্তৰ আছিল। আলংকাৰিক মম্মটচাৰ্য্যই তেওঁৰ অলংকাৰ শাস্ত্ৰ '*কাব্য প্ৰকাশ*'ত প্ৰাচীন আলংকাৰিকসকলৰ মতবাদসমূহ হৃদয়গ্ৰাহীৰূপেই উপস্থাপন কৰি অলংকাৰ শাস্ত্ৰৰ এজন বিদগ্ধ পণ্ডিত ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁৰ মতে

দোষহীন অথচ গুণযুক্ত শব্দার্থই কাব্য। কেতিয়াবা কেতিয়াবা ই অলংকাৰবিহীন হ'লেও কাব্যত্ব হানি নহয়। মম্মটে ধ্বনিবাদক এটি সুনির্দিষ্ট গতিপথ নির্দ্ধাৰিত কৰি দিয়াৰ উপৰি সাহিত্যৰ সকলো উপাদানকেই চিৰকালৰ কাৰণে নিজৰ নিজৰ মৰ্যাদা অনুসৰি স্বকীয় স্থানত উপস্থাপিত কৰিলে।

উত্তৰ ধ্বনিবাদ যুগৰ আন এজন প্ৰখ্যাত সাহিত্য সমালোচক হৈছে আচাৰ্য বিশ্বনাথ কবিৰাজ। সাহিত্যৰ সংজ্ঞা দিবলৈ গৈ তেওঁ কৈছে যে—'বাক্যং ৰসাত্মকং কাব্যম্' অৰ্থাৎ ৰসযুক্ত বাক্যই হৈছে কাব্য। এওঁৰ আগতে আনন্দবৰ্দ্ধন বা মম্মট ভট্টই কাব্যত ৰসৰ অৱদান স্বীকাৰ কৰিও ৰসকেই কাব্যত্মা বুলি ঘোষণা কৰিবলৈ সাহস কৰা নাছিল। বিশ্বনাথ কবিৰাজে ৰসক কাব্যৰ প্ৰাণ বুলি গ্ৰহণ কৰাৰ উপৰি, তেওঁ ৰস বুলিলে ৰসাভাসকো অন্তৰ্ভুক্ত কৰিব লাগিব বুলি কৈছে। এওঁৰ মতে ৰস অথবা ৰসাভাস যিকোনো এটা থাকিলেই ৰচনাই সাহিত্যৰ স্থান দাবী কৰিব পাৰে। ভৰত মুনি আদি পূৰ্ববৰ্তী আলংকাৰিকসকলে অস্পষ্টভাৱে হ'লেও ৰসক যি ৰূপত কল্পনা কৰিছিল, বিশ্বনাথে ৰসক তেনে এক উৎকৃষ্ট স্থানত বহুৱাই ইয়াৰ সাৰ্থকতা অব্যাহত ৰাখিবলৈ চেষ্টা কৰিছিল।

ৰসক উৎকৃষ্ট স্থান দিলেও বিশ্বনাথৰ এই সাহিত্যৰ সংজ্ঞা সম্পূৰ্ণৰূপে দোষমুক্ত বুলি ক'ব নোৱাৰি। কাৰণ এনে কিছুমান সাহিত্য আছে, য'ত ৰস নাই, কেৱল শব্দৰ অবিচ্ছিন্ন ঝংকাৰ আৰু অৰ্থৰ অনিৰ্বচনীয় মাধুৰ্য মাত্ৰ প্ৰকাশ হৈছে। উদাহৰণস্বৰূপে জয়দেৱৰ '*গীতগোবিন্দ*'ৰ এটা পংক্তিলৈ আঙুলিয়াব পাৰি—

> "নামসমেতং কৃতসঙ্কেতং বাদয়তে মৃদু বেণুম্।
> বহুমনুতে তনুতে তনুসঙ্গত-পৱনচলিতমপি ৰেণুম্।।"

এই পংক্তিটোত শব্দৰ ৰমনীয় ঝংকাৰ আৰু ছন্দৰ মাধুৰ্যই এক বিশেষ স্থান অধিকাৰ কৰিছে। ইয়ে মানুহৰ চিত্তত এক আনন্দৰ লহৰ প্ৰতিধ্বনিত কৰিছে। সেই কাৰণেই ৰসহীন হ'লেও এই শ্ৰেণীৰ কবি-কৃতিয়ে পাঠকক চমৎকাৰিত্ব প্ৰদান কৰা কাৰণে সাহিত্যৰ মৰ্যাদা লাভ কৰিছে।

এইবোৰক ভিত্তি কৰিয়েই পণ্ডিতৰাজ জগন্নাথে কাব্যৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে—"ৰমনীয়াৰ্থ প্ৰতিপাদকঃ শব্দঃ কাব্যম্।" অৰ্থাৎ যি শব্দই ৰমণীয় অৰ্থ প্ৰতিবাদন কৰে সিয়েই কাব্য। এই সংজ্ঞাটিত "ৰমণীয় অৰ্থ" বুলি কোৱা কথাটোৱেই আটাইতকৈ লক্ষণীয় বস্তু। ইয়াত ৰস বুলি অথবা কোনো আনন্দৰ অনুভূতি বুলি কথা কোৱা হোৱা নাই। পণ্ডিতৰাজৰ এই 'ৰমণীয়তা'ত কেইটামান বিশেষ উপাদান সোমাই আছে। এইবোৰৰ ধাৰণা জন্মিলেহে 'ৰমণীয়তা'ৰ অৰ্থবোধ সম্ভৱ হয়। প্ৰত্যেক মানুহৰে অন্তৰত সুখ-দুঃখ, হৰ্ষ-বিষাদ আদি উপাদানসমূহ নৈৰ্বক্তিকভাৱে ওলাই আছে। এইবোৰ ব্যক্তি বিশেষৰ স্বকীয় অনুভূতি। কিন্তু সাহিত্যৰ আস্বাদনত যি অনুভূতি জন্মে, যি নান্দনিক অনুভূতি, ই অতীন্দ্ৰিয় তথা নৈৰ্ব্যক্তিক। সহৃদয় মানুহেই এই সৰ্বাত্মক ৰসানুভূতি আস্বাদন কৰিব পাৰে। সহৃদয় পাঠকে কাব্যত বৰ্ণিত

চৰিত্ৰসমূহৰ একাত্মবোধেৰে বশীভূত হৈ তেনেকুৱা অনুভূতিকেই আস্বাদন কৰে। সাধাৰণতে এই প্ৰক্ৰিয়াত এই উপাদানসমূহ লক্ষ্য কৰিব পাৰি—নৈৰ্ব্যক্তিকতা, সাৰ্বজনীনতা, ব্যক্তিসত্বা আৰু বহিৰ্জাগতিক বস্তুৰ স্বৰূপোলব্ধি, ব্যক্তিসত্বাৰ পাৰ্শ্বভূমিত লীনাৱস্থা, নন্দনতাত্বিক অনুভূতিৰ প্ৰাধান্য, জ্ঞান আৰু আনন্দৰ ঐক্যতা, সেই অনুভূতিৰ পোনপটীয়া আৰু স্পষ্ট অৱস্থা, ইয়াৰ সৰ্বগ্ৰাসী বৈশিষ্ট্য আদি।

সংস্কৃত সাহিত্যৰ সমালোচনাত্মক মতবাদবোৰ বিশ্লেষণ কৰিলে বুজা যায় যে, কবিৰ কেৱল মুখনিসৃত শব্দসমূহেই কাব্যৰ মৰ্যাদা লাভ কৰিব নোৱাৰে। নতুবা কোনো বিশেষ প্ৰকাশভঙ্গীৰ উক্তি বিশেষকো কাব্যৰ অধিকাৰী হিচাপে স্বীকৃতি দিব নোৱাৰি। দোষহীন শব্দ আৰু অৰ্থৰ মিলনাত্মক ৰচনাকহে কাব্যত্ব সংজ্ঞা প্ৰদান কৰা হৈছে। শব্দাৰ্থৰ এই মিলন ঐকান্তিক আৰু সুকুমাৰ। কাব্যৰ সকলো উপাদানেই যেতিয়া শব্দাৰ্থৰ মিলনত এটি নতুন ৰসাস্বাদনৰ সৃষ্টি কৰে, তেতিয়াই সাহিত্যৰ সৃষ্টি হয়।

**আত্মমূল্যায়ন প্ৰশ্ন :**

১। কাব্য আৰু সাহিত্য অভিধা দুটা কি অৰ্থত আলংকাৰিকসকলে প্ৰয়োগ কৰিছিল? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

২। কাব্যৰ প্ৰাণ বুলিলে কি বুজা যায়? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

## ২.৪ কাব্যৰ প্ৰয়োজনীয়তা

কাব্য অথবা সাহিত্য হৈছে এবিধ কলা আৰু কলা হিচাপে ইয়াৰ উদ্দেশ্য হৈছে ঘাত-প্ৰতিঘাতত নিমজ্জিত হৈ থকা মানুহক নন্দনতাত্বিক আনন্দ প্ৰদান কৰা। সংস্কৃত আলংকাৰিকসকলে কাব্যৰ আনন্দৰ বৈশিষ্ট্যৰ কথা বিভিন্ন গ্ৰন্থত উল্লেখ কৰিছে।

আচাৰ্য্য ভৰতে তেওঁৰ '*নাট্যশাস্ত্ৰ*'ত নাটকৰ উপযোগিতা সম্বন্ধে কৈছে যে, বেদবিদ্যা, ইতিহাস, আখ্যান, স্মৃতি, সদাচাৰ আৰু অৱশিষ্ট বিষয়ৰ সহায়ত পৰিকল্পিত এই নাটকে জগতক আনন্দ প্ৰদান কৰিব— "বেদবিদ্যেতিহাসানামাখ্যানস্পৰিকল্পনম্। শ্ৰুতিস্মৃতি সদাচাৰ পৰিশেষাৰ্থ কল্পনম্। বিনোদজননং লোকে নাট্যমেতদ্ ভৱিষ্যতি"। কেৱল নাটকেই নহয় সকলো সৃষ্টিশীল সাহিত্যই আনন্দ প্ৰদান কৰে। আনন্দবৰ্দ্ধনে স্পষ্টভাৱেই উল্লেখ কৰিছে যে অন্য প্ৰয়োজন থাকিলেও আনন্দদানেই হৈছে কাব্যৰ মুখ্য উদ্দেশ্য। ৰসেই হৈছে কাব্যৰ সুখানুভূতিৰ মৌলিক ৰূপ। মম্মট ভট্টৰ মতে, কাব্যৰ সকলো প্ৰয়োজনৰ মূল উদ্দেশ্যই হৈছে ৰসস্বাদনৰ পৰা উদ্ভৱ হোৱা এক প্ৰকাৰৰ আনন্দ। পৃথিৱীৰ সকলো দেশৰ সকলো কাব্য সমালোচকৰ মতে আনন্দ দানেই হৈছে কাব্যৰ ধৰ্ম বা প্ৰয়োজন। সংস্কৃত আলংকাৰিকসকলেও কাব্যৰ প্ৰয়োজন বা উদ্দেশ্য যে আনন্দানুভূতি জগাই তোলা—সেইটো স্বীকাৰ কৰিছে তথা কিছুমান উদ্দেশ্যৰো উল্লেখ কৰিছে।

আলংকাৰিক ভামহে কৈছে যে, কাব্যানুশীলন বা উৎকৃষ্ট কাব্য অধ্যয়নে ধৰ্ম, অৰ্থ, কাম অথবা মোক্ষ লাভত সহায় কৰে। সংস্কৃত আলংকাৰিকসকলে তেওঁলোকৰ গ্ৰন্থসমূহত সাহিত্যৰ উদ্দেশ্য সম্বন্ধে ক'বলৈ গৈ চতুৰ্বৰ্গ লাভৰ কথা উল্লেখ কৰাৰ লগতে প্ৰসঙ্গক্ৰমে বেদাদিশাস্ত্ৰ থাকোতে কাব্যৰ অনুশীলনৰ পৰা কেনেকৈ এই চতুৰ্বৰ্গ সম্ভৱ হয় তাৰো আলোচনা দাঙি ধৰিছে। সাধাৰণতে বেদাদি শাস্ত্ৰ নীৰস তথা ইয়াৰ অধ্যয়নো কষ্টসাধ্য। আনপক্ষে কাব্যশাস্ত্ৰ সৰস আৰু ৰস-বুদ্ধি সম্পন্ন ব্যক্তিসকলেও ইয়াক সহজতে আয়ত্ব কৰিব পাৰে।

সংস্কৃত আলংকাৰিকসকলে সাহিত্যক কেতিয়াও জীৱনৰ পৰা বিচ্ছিন্ন হিচাপে গ্ৰহণ কৰিব বিচৰা নাছিল। জীৱনেই হৈছে সাহিত্যৰ বিষয়বস্তু। জীৱনক বাদ দি সাহিত্য সৃষ্টি হ'ব নোৱাৰে। কাব্যিক জগতৰ ঘটনা প্ৰবাহক চলাই নিবলৈ যিবোৰ চৰিত্ৰৰ কল্পনা কৰা হয়, সেইবোৰৰ প্ৰতি কেতিয়াবা দৰ্শকৰ সহানুভূতি জাগে আৰু কেতিয়াবা বিৰাগো জন্মে। দৰ্শকে আদৰ্শ চৰিত্ৰটোকে গ্ৰহণ কৰে। সেইকাৰণে '*সাহিত্য দৰ্পন*'ৰ কৰ্তা বিশ্বনাথ কবিৰাজে কৈছে যে, বেদাদিবিমুখ সুকুমাৰমতি ৰাজপুত্ৰসকলে যদি কাব্যৰ পৰা শিক্ষা গ্ৰহণ কৰে, তেন্তে ৰামৰ চৰিত্ৰই অনুকৰণ কৰিব ৰাৱণৰ নহয়।

ভাৰতীয় আদৰ্শত জীৱনবোধ সম্পৰ্কে যি ধাৰণা পোষণ কৰা হয়, তাত এক গভীৰ সমন্বয়বোধ দেখা যায়। পুৰুষাৰ্থ চতুষ্টয় অৰ্থাৎ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ সমভাৱে চৰ্চা কৰিবলৈ শাস্ত্ৰই উপদেশ দিছে। এই চতুৰ্বৰ্গৰ যেতিয়া কোনোবা এটিক প্ৰাধান্য দি আন কেইটিক উপেক্ষা কৰা হয়, তেতিয়াই বিসঙ্গতিৰ সৃষ্টি হয় আৰু এই বিসঙ্গতিয়ে জীৱনত দ্বন্দ্বৰ উৎপত্তি ঘটায়। ভাৰতীয় ঋষিসকলে যি সুন্দৰৰ ধাৰণা কৰিছিল, তাতো মঙ্গলময় ৰূপৰ আৰাধনা দেখিবলৈ পাইছিল।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

১। কাব্যৰ প্ৰয়োজনীয়তাৰ মূল দিশ কি? (৩৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

২.৫ কাব্যৰ হেতু

আলংকাৰিক ভামহে '*কাব্যলংকাৰ*'ৰ আদিতে এটি প্ৰশ্ন উত্থাপন কৰিছিল— 'কবিত্ববিহীন কোন লোকে বাক্‌পটুতাৰ দাবী কৰিব পাৰে?' এই প্ৰশ্নটোৰ এয়ে অভিপ্ৰায় যে যি সকল লোকে কবি প্ৰতিভাৰ অধিকাৰী, তেওঁলোকেহে বাক্‌বৈচিত্ৰ্যৰে পাঠকৰ মন জয় কৰিব পাৰে। এওঁৰ মতে গুৰুৰ উপদেশ অনুসৰি এজন মূৰ্খই শাস্ত্ৰ অধ্যয়ন কৰিলেও, কাব্য ৰচনা এজন প্ৰতিভাবান লোকৰ দ্বাৰাহে সম্ভৱ হ'ব পাৰে। ইয়াৰ পৰা বুজা যায় যে, ভামহে কেৱল 'প্ৰতিভা'কেই কাব্যৰ হেতু বুলি গ্ৰহণ কৰিছিল। তথাপিও তেওঁ কৈছে যে, যিসকলে কাব্য ৰচনাত মনোনিৱেশ কৰিব খোজে, তেওঁলোকে ব্যাকৰণ, ছন্দ, আভিধানিক অৰ্থ, ঐতিহাসিক গল্প, লোক ব্যৱহাৰ, তৰ্কশাস্ত্ৰ আৰু কলা অধ্যয়ন কৰা উচিত।

আলংকাৰিক দণ্ডীয়ে 'সহজাত প্ৰতিভাক' কাব্যৰ হেতু বুলি স্বীকাৰ কৰিও গভীৰ অধ্যয়ন আৰু ঐকান্তিক কাব্যিক প্ৰচেষ্টাৰে কবিত্বৰ অধিকাৰী হ'ব পৰাটো সম্ভৱ বুলি বিশ্বাস কৰিছিল। তেওঁৰ মতে— "যদিও পূৰ্বজন্মৰ বাসনাজাত প্ৰতিভাৰ অভাৱ হয়, তথাপিও বাগ্‌দেৱীক জ্ঞান আৰু যত্নেৰে উপাসনা কৰিলে নিশ্চয় তেওঁ কাৰোবাক অনুগ্ৰহ কৰিব পাৰে।" কবিত্ব গুণত কিছু হীন হ'লেও পৰিশ্ৰমী লোকেহে বিদগ্ধ গোষ্ঠীত বিচৰণ কৰিবলৈ সমৰ্থ হয়। অন্যতম আলংকাৰিক বামণে কাব্য হেতুক কাব্যাঙ্গৰূপে অভিহিত কৰি ইয়াক তিনিটা ভাগত বিভক্ত কৰিছে। এই তিনিটা ভাগ হৈছে ক্ৰমে—লোক, বিদ্যা আৰু প্ৰকীৰ্ণ। লোক মানে হৈছে লোক ব্যৱহাৰ; বিদ্যা বুলিলে শব্দ-শাস্ত্ৰ, কোশশাস্ত্ৰ, ছন্দশাস্ত্ৰ, কলা, দণ্ডনীতি আদিকেই সামৰা হৈছে। প্ৰকীৰ্ণ হৈছে লক্ষ্যজ্ঞান আৰু অভিযোগ। কবি হ'বলৈ হ'লে কাব্য ৰচনাৰ উদ্যম থাকিব লাগিব। তদুপৰি বৃদ্ধসেৱা, সূক্ষ্ম বিচাৰ, প্ৰতিভা অৱধাৰন বা একাগ্ৰতা আদিৰো যথেষ্ট অৱদান আছে। বামণৰ মতে প্ৰতিভাই কবিত্বৰ বীজ (কবিত্ব বীজং প্ৰতিভানম্)। ই এক প্ৰকাৰ জন্মজন্মান্তৰগত সংস্কাৰ বিশেষ। ইয়াৰ অবিহনে কাব্য সৃষ্টি সম্ভৱ নহয়।

আন এজন আলংকাৰিক ৰুদ্রটৰ মতে, শক্তি, ব্যুৎপত্তি আৰু অভ্যাস—এই তিনিওটাই কাব্যৰ কাৰণ। ইয়াত শক্তি হৈছে প্ৰতিভা, যাৰ ফলত শব্দ আৰু অৰ্থই কবিৰ মনত আপোনা আপুনি ভুমুকি মাৰেহি। বুৎপত্তি হৈছে শিক্ষা আৰু এই শিক্ষাই শব্দাৰ্থৰ সাৰ আৰু অসাৰ বিবেচনা কৰিবলৈ কবিক সমৰ্থ দান কৰে। আনহাতে অভ্যাসে শক্তি বা প্ৰতিভাৰ উৎকৰ্ষ সাধন কৰে। ৰুদ্রটে প্ৰতিভাক সাহস আৰু বুৎপাদ্য এই দুই ভাগত বিভক্ত কৰিছে।

আলংকাৰিক ভট্টললৌত্তৰ মতে, প্ৰতিভা হৈছে এক মানসিক শক্তি, যাৰ সহায়ত কবিয়ে সকলো বস্তুকেই এক অভিনৱ ৰূপত দেখিবলৈ পায়। এই শক্তিৰ যিসকল অধিকাৰী, তেওঁলোকেহে কবিত্বৰ অধিকাৰী হ'ব পাৰে। লৌকিক জীৱনত যাৰ অন্তৰ্দৃষ্টি আৰু কাল্পনিক বৰ্ণনা সামৰ্থ্য আছে তেওঁকেই কবি হিচাপে আখ্যা দিয়া হয়। সেইকাৰণে যদিও আদিকবি বাল্মীকি অন্তৰ্দৃষ্টিসম্পন্ন ঋষি আছিল, যেতিয়ালৈকে তেওঁ বৰ্ণনাত্মক ৰচনা সৃষ্টি কৰা নাছিল, তেতিয়ালৈকে তেওঁক কবি আখ্যা দিয়া হোৱা নাছিল। অভিনৱগুপ্তয়ো 'প্ৰতিভাই' এক অসাধাৰণ কাব্যিক সৃষ্টিধৰ্মিতা ৰূপে গ্ৰহণ কৰিছিল, যাৰ দ্বাৰা অপৰূপ সৌন্দৰ্য সম্ভূত কাব্যৰাজিৰ ৰচনা সম্ভৱ হয়। ধ্বনিকাৰ আনন্দবৰ্দ্ধনেও কাব্য সৃষ্টিৰ কাৰণ হিচাপে 'প্ৰতিভা'কেই সমৰ্থন কৰিছিল। তেওঁৰ মতে কবিয়েই হ'ল সাহিত্যৰ জগতখনৰ স্ৰষ্টা (অপাৰ কাব্য সংসাৰে কবিৰেক প্ৰজাপতিঃ)। কবিৰ দৃষ্টিত যাক যেনেকৈ লাগে, তেনেভাৱেই বিশ্বই পৰিবৰ্তন লাভ কৰে। যদি কবি শৃঙ্গাৰী হয়, তেন্তে গোটেই জগত ৰসময় হৈ পৰে। আনহাতে যদি তেওঁ বেৰসিক হয়, তেনেহ'লে সকলোবোৰ নীৰস হৈ পৰে। কবিয়ে কল্পনা শক্তিৰ বলত কাব্য-জগতত এক স্বতন্ত্রতা আনে। তেওঁ অচেতন বস্তুকো চৈতন্যশীল হিচাপে আৰু চৈতন্যশীল বস্তুকো অচেতন হিচাপে অংকিত কৰিব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন :**

**কাব্য আৰু ৰচনাৰ হেতু বুলিলে কোনটো গুৰুত্বপূৰ্ণ দিশক বুজোৱা হয়? (৩৫টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)**

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

## ২.৭ সাৰাংশ (Summing Up)

সাহিত্যৰ চিন্তা-চৰ্চাৰ লগতে সাহিত্য সমালোচনাৰ ইতিহাসো ভাৰতবৰ্ষত অতি প্ৰাচীন। ভৰতমুনিৰ নাট্যশাস্ত্ৰতে সমালোচনাৰ বীজ অংকুৰিত হয়। ভাৰতীয় কাব্যতত্ত্ব বা সাহিত্য শব্দৰ প্ৰয়োগ অৱশ্যে অৰ্বাচীন। সাহিত্য শব্দৰ ঠাইত দৰাচলতে কাব্য অভিধাটিৰহে বহুল প্ৰয়োগ হৈছিল। পৰৱৰ্তী সময়তহে সাহিত্য শব্দৰ প্ৰয়োগ হ'বলৈ আৰম্ভ কৰে। এই কাব্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলে বিভিন্ন ধৰণে মতামত আগবঢ়াই গৈছে। ধ্বনি, ৰীতি, বক্ৰোক্তি, ৰস আদি বিভিন্ন দিশসমূহে বিভিন্ন আলংকাৰিকসকলৰ বাবে কাব্যৰ সাৰবস্তু হিচাপে সময়ে সময়ে গুৰুত্ব লাভ কৰিছিল। কাব্যৰ সাৰবস্তু সম্পৰ্কে মতাদৰ্শ থাকিলেও কাব্যৰ উদ্দেশ্য আনন্দ প্ৰদান বুলি সকলোৱে মানি লৈছিল। কাব্যকাৰৰ প্ৰতিভাক কাব্য ৰচনাৰ হেতু বুলি ভামহ আদি আলংকাৰিকে মতপোষণ কৰিছিল। কাব্যৰ স্বৰূপ প্ৰকাশক হ'ল কাব্যৰ গুণ। গুণ কাব্যৰ নিত্য ধৰ্ম। ভৰত, দণ্ডী, বামন আদি আলংকাৰিকসকলে গুণৰ শব্দাৰ্থৰ সমাপ্তি বুলি স্বীকাৰ কৰিছিল।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Question)

১। প্ৰাচ্য সাহিত্য সমালোচনাৰ ইতিহাস দাঙি ধৰিবলৈ যত্ন কৰক।

২। সাহিত্য মানে কি? ভাৰতীয় কাব্যতত্ত্ব অনুসৰি সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰক।

৩। কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি, ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰক।

৪। কাব্যৰ হেতু মানে কি? বহলাই আলোচনা কৰক।

৫। কাব্যৰ গুণ আৰু দোষ মানে কি? ব্যাখ্যা কৰক।

৬। সাহিত্যৰ স্বৰূপ সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলে আগবঢ়োৱা মতবাদসমূহ উল্লেখ কৰক।

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| তীৰ্থনাথ শৰ্মা | : | *সাহিত্য-বিদ্যা পৰিক্ৰমা* |
| ড° নবেন্দ্ৰ নাথ শৰ্মা | : | *সংস্কৃত সমালোচনা শাস্ত্ৰৰ বিৱৰ্তন আৰু ধাৰা* |
| | : | *পণ্ডিতৰাজ জগন্নাথ আৰু ভাৰতীয় নন্দনতত্ত্ব* |
| ত্ৰৈলোক্যনাথ গোস্বামী | : | *নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য* |
| মনোৰঞ্জন শাস্ত্ৰী | : | *সাহিত্য দৰ্পণ* |
| বিশ্বনাৰায়ণ শাস্ত্ৰী (অনুদিত) | : | *বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পণ* |
| ড° মুকুন্দ মাধৱ শৰ্মা | : | *সাহিত্য তত্ত্ব আৰু সমালোচনা* |
| P.V. Kane | : | *History of India Poetics.* |

তৃতীয় বিভাগ

## শব্দ-শক্তি

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ শব্দৰ সংজ্ঞা
৩.৪ শব্দৰ স্বৰূপ
৩.৫ শব্দৰ বিভাজন
৩.৬ সাৰাংশ (Summing up)
৩.৭ আৰ্হি প্ৰশ্ন (Sample questions)
৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

শব্দই নিজৰ ঘাই অৰ্থ বুজোৱাৰ উপৰি বেলেগ অৰ্থ দিব পৰা শক্তি আছে। শব্দৰ মূল হৈছে অৰ্থবহত্ব। অৰ্থবন্ত ধ্বনি সমষ্টিয়েই শব্দ। এটা শব্দৰ সৈতে অৰ্থৰ অবিচ্ছেদ্য সম্বন্ধ থাকিবই। অৰ্থশূন্যভাৱে উচ্চাৰণ কৰা ধ্বনি সমষ্টি এটাক শব্দ বুলিব নোৱাৰি। গতিকে শব্দ আৰু অৰ্থই হ'ল ভাষাৰ মূল। শব্দাৰ্থক বাদ দিলে ভাষা হ'ব নোৱাৰে।

শব্দ আৰু অৰ্থই যে কাব্যৰ শৰীৰ, শব্দাৰ্থক বাদ দিলে যে কাব্য হ'ব নোৱাৰে, এই কথা সহজবোধ্য আৰু সৰ্বজন বিদিত। প্ৰত্যেক শব্দৰ পৰা মুখ্য অৰ্থক লৈ আন অৰ্থ ওলায় তাক বোধ কৰোৱা শক্তিক শব্দশক্তি বোলে। যিদৰে "জুই ছাই দাম" বুলি কওঁতে নিজৰ মুখ্য অৰ্থ প্ৰকাশ কৰাৰ উপৰি আন অৰ্থ দিব পৰা শক্তি আছে। যিদৰে কুঁহিয়াৰৰ ৰসৰ পৰা গুড়, চেনি তৈয়াৰ হয়। গতিকে শব্দও তেনে ধৰণৰ। শব্দই তাৰ মুখ্য অৰ্থ দিয়াৰ উপৰি আন অৰ্থ দিয়ে।

এই বিভাগটোত শব্দত নিহীত হৈ থকা শক্তিৰ বিষয়ে আলোকপাত কৰা হৈছে। অভিধা, লক্ষণা তথা ব্যঞ্জনা শক্তি সমূহৰ বিষয়ে আভাস দিবলৈ এই অধ্যায়টোত চেষ্টা কৰা হৈছে ।

### ৩.২ উদ্দেশ্য (Objectives)

শব্দ আৰু অৰ্থই যে কাব্যৰ শৰীৰ, শব্দাৰ্থক বাদ দিলে যে কাব্য হ'ব নোৱাৰে এই কথা সহজবোধ্য আৰু সৰ্বসম্মত। এই বিভাগটো পঢ়ি আপোনালোকে—

- শব্দৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব,
- শব্দৰ স্বৰূপ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব,
- শব্দৰ বিভাজনসমূহ বিশ্লেষণ কৰিব পাৰিব।

### ৩.৩ শব্দৰ সংজ্ঞা

শব্দ কি বস্তু? তাৰ স্বৰূপ কি? সি নিত্য নে অনিত্য? প্ৰত্যক্ষ নে অপ্ৰত্যক্ষ, ব্যাপক নে অব্যাপক ইত্যাদি বিষয়ে নানা মত-মতান্তৰ আছে আৰু বিভিন্ন দাৰ্শনিক গ্ৰন্থত তাৰ গম্ভীৰ আলোচনাও পোৱা যায়। শব্দ দুবিধ ঃ **বৰ্ণাত্মক** আৰু **ধ্বন্যাত্মক**। জিভা, তালু আদি বাগেন্দ্ৰিয়ৰ সহায়ত উচ্চাৰিত শব্দই হ'ল বৰ্ণাত্মক শব্দ। যেনে— গৰু, মানুহ, গছ, বন ইত্যাদি। ঢোল, ডবা আদিৰ প্ৰতিঘাতৰ পৰা হোৱা শব্দক ধ্বন্যাত্মক শব্দ বোলে।

যদি বৰ্ণাত্মক শব্দবিলাক কোনো বিভক্তিৰ যোগত বাক্যত প্ৰয়োগৰ উপযোগী হয়, পৰস্পৰে অন্বিত বা সম্বন্ধ নোহোৱা অবস্থাত 'পদ' নামৰ বাচ্য হয়। যেনে ঃ ফুল ফুলিছে, ইত্যাদি। শব্দক পদ ৰূপ দিয়াই বাক্যত প্ৰয়োগ হোৱাৰ উপযুক্ত কৰি গঢ়ি তোলাই হ'ল শব্দৰ অন্বয়।

শব্দক পদ ৰূপ দি দুটা বা তিনিটা বা ততোধিক পদৰ অন্বয় বা সমাবেশত যেতিয়া এটা সম্পূৰ্ণ অৰ্থ প্ৰকাশ হয়, তেতিয়া তাক বাক্য বোলে। "ৰামে খাই স্কুললৈ ভাত গ'ল", এইদৰে ক'লে ইয়াৰ আটাইবোৰেই পদ হ'লেও অন্বয় সাধন হোৱা নাই বাবে ইহঁতে এটা সম্পূৰ্ণ অৰ্থ দিব পৰা নাই। গতিকে বাক্য হোৱা নাই। "ৰামে ভাত খাই স্কুললৈ গ'ল।" এইদৰে ক'লেহে তাৰ অৰ্থ পৰিষ্কাৰ হৈ ওলাই পৰে। গতিকে বাক্য হ'বলৈ পদবোৰৰ মাজত থকা সম্বন্ধবোৰ ওলাই পৰাকৈ তাক সজাব লাগিব। বাক্যত পদসমূহক সিহঁতৰ কাৰ্য সাধন কৰিব পৰাকৈ নিৰ্দিষ্ট স্থানত যথাযথভাৱে সংস্থাপিত কৰাই হ'ল পদান্বয়। বাক্য এটা হ'বলৈ হ'লে পদবোৰৰ মিলনৰ আৱশ্যক। এই মিলন সম্ভৱ হয় যেতিয়া প্ৰত্যেক শব্দৰ পৰা মুখ্য অৰ্থক লৈ আন অৰ্থ ওলায়। তেতিয়াই তাক শব্দ-শক্তি বোলা হয়। এই শব্দ-শক্তিকে শব্দৰ বৃত্তিও বোলে। পদবোৰৰ অন্বয় হ'বলৈ সি তিনিটা কাৰ্য সাধন কৰিব লাগিব। সেইকেইটা হ'ল— **আকাংক্ষা**, **যোগ্যতা** আৰু **আসক্তি**।

**আকাংক্ষা ঃ** কোনো পদ শুনাৰ পাছত সম্পূৰ্ণ অৰ্থ বোধ নোহোৱাৰ কাৰণে অতিৰিক্ত পদ শুনিবৰ কাৰণে যি ইচ্ছা হয় তাকে আকাংক্ষা বোলে। 'সি' বুলি ক'লে সি কি কৰিলে সেইটো শুনিবলৈ শ্ৰোতাই অপেক্ষা কৰি ৰ'ব। 'যাব' এই পদটো যেতিয়ালৈকে উচ্চাৰণ নহয় তেতিয়ালৈকে সেই অধীৰতাৰ অন্ত নপৰে। গতিকে 'সি' আৰু 'যাব' দুয়োটাৰে কোনোটোৱেই স্বতন্ত্ৰভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। এই আকাংক্ষা সম্পূৰ্ণ হ'লে অধিক পদ শুনিবলৈ আকাংক্ষা বা ব্যগ্ৰতা নোহোৱা হয় আৰু বাক্যটো সম্পূৰ্ণ হৈ উঠে। যদি আকাংক্ষা সম্পূৰ্ণ নহয় আৰু ক'লৈ যাব তাক জানিবলৈ আগ্ৰহ থাকি যায় তেতিয়াহ'লে 'সি' আৰু 'যাব'ৰ মাজত 'ফুৰিবলৈ' পদটো আহি পৰিব। এইদৰে বাক্যৰ যিবোৰ পদে পৰস্পৰক অপেক্ষা কৰে তেনে পদবোৰ এটা বাক্যৰ ঘটক হয়। আকাংক্ষা মানে উৎসুকতা বা আগ্ৰহ বা যোগ্য পদৰ অন্বয় হৈ থাকিব। অন্বয়ৰ গুণ হিচাবে অৰ্থবোধ সমাপ্তিৰ অভাৱকেই আকাংক্ষা বোলা হয়।

**যোগ্যতা :** বাক্যৰ ঘটক পদবোৰৰ এটাই আনটোৰ অৰ্থক যথাৰ্থভাৱে প্ৰকাশ কৰিব পৰা সামৰ্থ্যক যোগ্যতা বোলে। উদাহৰণস্বৰূপে 'ফুল ফুলিছে।' ইয়াত 'ফুল' আৰু 'ফুলিছে' ইটোৰ আকাংক্ষা আনটোৱে পূৰণ কৰিব পাৰে অৰ্থাৎ 'ফুলৰ' লগত 'ফুলা' ক্ৰিয়াৰ যোগত কোনো বাধা নাই। গতিকে এই পদদ্বয় পৰস্পৰে যোগ্য।

কিন্তু 'জুইৰে গা ধুলোঁ' বুলি ক'লে এই পদকেইটাত জুইৰ লগত 'গা ধোৱা' ক্ৰিয়াৰ যোগ (অন্বয়) হোৱাত মানুহৰ মনত 'জুইৰে গা ধোৱা' অসম্ভৱ এই বাধা জ্ঞানৰ উদয় হয়। গতিকে ইয়াত আকাংক্ষা পূৰণৰ ক্ষমতা নাই। সেইকাৰণে বাক্য হ'বলৈ হ'লে তাৰ যোগ্যতা থাকিব লাগিব।

**আসক্তি :** বাক্যৰ পদবোৰে সিহঁতৰ আকাংক্ষা আৰু যোগ্যতা পূৰণ কৰিলেও সিহঁত পৰস্পৰে আসক্ত হ'ব লাগিব। কোনো এটা বিশেষ অৰ্থ বুজাবৰ কাৰণে পদবোৰ বাক্যৰূপে উচ্চাৰণ কৰা হয়। যেতিয়ালৈকে সেই পদবোৰে বিৱক্ষিত অৰ্থ বুজাই দিব নোৱাৰে তেতিয়ালৈকে সিহঁতৰ প্ৰয়োজন শেষ নহয়। সেয়ে বাক্যৰ প্ৰত্যেকটো পদেই অভিপ্ৰেত অৰ্থ প্ৰকাশ কৰিবৰ কাৰণে প্ৰস্তুত। যেনে : এতিয়া 'ফুল' বুলি কৈ এঘণ্টা, আধা ঘণ্টাৰ পাছত যদি ফুলিছে এই পদটো কোৱা হয়, তেতিয়া সিহঁতৰ আসক্তি বা সন্নিধান অৰ্থাৎ ওচৰা-ওচৰি ভাব নোহোৱাৰ কাৰণে ইয়াৰ পৰা শ্ৰোতাৰ বাক্যাৰ্থবোধ সম্পূৰ্ণভাৱে হ'ব নোৱাৰে। এই কাৰণে বাক্যস্থ পদবিলাক পৰস্পৰে আসন্ন অৰ্থাৎ ওচৰীয়া হ'ব লাগে। এই পদবোৰৰ ওচৰা-ওচৰি ভাৱক আসক্তি বোলা হয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন :**

শব্দ মানে কি? (৩০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ৩.৪ শব্দৰ স্বৰূপ : শব্দ-শক্তি বা শব্দ-বৃত্তি :

শব্দ একোটাৰ বিভিন্ন অৰ্থ দিব পৰা সামৰ্থ্য বা ক্ষমতাটোকে তাৰ শক্তি বোলা হয়। আন কথাত মুখ্য অৰ্থকে ধৰি আন আন অৰ্থবোধ কৰোৱা শব্দৰ শক্তিটোকেই শব্দ-শক্তি বোলে। শব্দৰ এই শক্তি সি দিব পৰা যথাসম্ভৱ অৰ্থৰ ওপৰত নিৰ্ভৰশীল। এটা শব্দই তাৰ শক্তিৰে তিনি প্ৰকাৰৰ অৰ্থ দিব পাৰে। সেয়ে শব্দ শক্তিও তিনি প্ৰকাৰৰ— যেনে : **অভিধা শক্তি, লক্ষণা শক্তি আৰু ব্যঞ্জনা শক্তি।**

**অভিধা শক্তি :**

শব্দৰ যি শক্তিৰ বলত তাৰ মুখ্য অৰ্থটোৰ বোধ জন্মে তাক অভিধা শক্তি বোলে। সি শব্দটোৰ অৰ্থৰ অভিধান বোধন কৰে। সেয়ে তাক **অভিধা** (Primary) শক্তি বোলা হয়। অভিধান = 'অভি' উপসৰ্গ, 'ধা' ধাতু = অভিধা + অন্ অৰ্থাৎ মূল অৰ্থ ধাৰণ বা মূলৰ সৈতে সংযোগ স্থাপক। যেনে—'হাতী' শব্দটো বাচক বা অভিধায় শব্দ, কাৰণ, অভিধাৰ এটা বিশেষ অৰ্থই বুজাই দিয়ে যে শুঁৰ, দীঘল দাঁত আৰু বৃহদাকাৰ থকা বিশিষ্ট ধৰণৰ এটা চাৰিঠেঙীয়া জন্তু। এইটোৱেই তাৰ বিশেষ অৰ্থ, যিটো উচ্চাৰণ কৰাৰ লগে লগে পোনেই মনলৈ আহি যায়। এই বিশেষ অৰ্থটোৱেই হ'ল মুখ্যাৰ্থ। ইয়াক অভিধেয় বা বাচ্যাৰ্থ বুলিও কোৱা হয়। এতিয়া 'হাতী' শব্দ আৰু 'হাতী' অৰ্থৰ মাজত সঙ্কেতৰ দ্বাৰা সম্বন্ধ আনি দিয়া শক্তিটোৱেই হ'ল **অভিধা শক্তি**।

**লক্ষণা শক্তি :**

বাক্যত প্ৰয়োগ হোৱা কোনো পদৰ পৰা যদি মুখ্যাৰ্থৰ বোধ হোৱাত বাধা জন্মে, তেন্তে মুখ্যাৰ্থক এৰি সি দিব পৰা আন অৰ্থক লক্ষ্য কৰি ল'লেই বাক্যাৰ্থবোধ সম্পূৰ্ণ হৈ উঠে। যিদৰে কোনো এটা বস্তুক 'এইটো', 'সেইটো' বুলি লক্ষ্য কৰি দেখুওৱা হয়, সেইদৰে শব্দই মুখ্যাৰ্থক এৰি তাৰ লগত সম্বন্ধ থকা আন অৰ্থক লক্ষ্য কৰি দেখুৱাই হ'ল লক্ষণা। আন কথাত যেতিয়া মুখ্যাৰ্থবোধত বাধা জন্মে তেতিয়া বক্তাৰ অভিপ্ৰায় বুজিবৰ কাৰণে শব্দৰ যিটো শক্তিয়ে মুখ্যাৰ্থৰ লগত খাপখোৱা আন এটা অৰ্থ মনলৈ আনি দিয়ে তাকে **লক্ষণা** (Secondary) শক্তি বোলে। যেনে : "সি এটা গৰু" এই কথাষাৰ কওঁতে "সি" মানুহজনৰ সম্পৰ্কত গৰু পদৰ মুখ্যাৰ্থত বাধা জন্মে। কাৰণ 'সি' বোলা জন "গৰু"ৰ অভিধেয়াৰ্থ চাৰিঠেঙীয়া জন্তুবিশেষ নহয়। 'সি' শব্দই 'মানুহ' বুজাইছে। 'গৰু' মুখ্যাৰ্থৰ লগত সম্বন্ধ থকা এটা অৰ্থ হ'ল 'মূৰ্খ'। গতিকে 'সি এটা গৰু' বুলি কওঁতে বুজি ল'ব লাগিব যে "সি এটা মূৰ্খ।" ইয়াত মুখ্যাৰ্থটোক বাদ দি মুখ্যাৰ্থৰ গুণ মূৰ্খতাৰ লগত সম্বন্ধ থকা অৰ্থক লক্ষ্য কৰিছে। এইদৰে য'তেই বাচ্যাৰ্থ উপস্থাপিত কৰাত বাধা থাকে তাতেই শব্দই লক্ষণাৰ দ্বাৰা লক্ষ্যাৰ্থ উপস্থাপিত কৰে। ইয়াত অৰ্থটোক লক্ষ্যাৰ্থ আৰু শব্দটোক লক্ষ্যক বা লাক্ষণিক বোলা হয়।

লক্ষণাৰ প্ৰধানকৈ দুটা ভাগ—

১) প্ৰয়োজনমূলা লক্ষণা

২) ৰূঢ়িমূলা লক্ষণা

'ৰূঢ়ি' শব্দৰ অৰ্থ হৈছে পূৰ্বাপৰ বা আগৰে পৰা চলি অহা প্ৰয়োগ।

১) প্ৰয়োজনামূলা লক্ষণা :

লক্ষণাৰ প্ৰয়োগত যদি বক্তাৰ এটা বিশেষ উদ্দেশ্য বা প্ৰয়োজন থাকে তাকে প্ৰয়োজনমূলা লক্ষণা বুলি কোৱা হয়। লক্ষণা একপ্ৰকাৰ আওপকীয়া অৰ্থ বুজোৱা কৌশল। পোন কথাৰে মনৰ অভীষ্ট ভাব সম্পূৰ্ণভাৱে প্ৰকাশ কৰিব নোৱাৰাৰ

কাৰণেই এই কৌশল ল'বলগীয়া হয়। মনৰ অভীষ্ট ভাবটোৱেই হ'ল লক্ষণাৰ প্ৰয়োজন। "সি এটা গৰু' বুলি কওঁতে সি যে অতিপাত মূৰ্খ এই অতিশয়তা বুজোৱাৰ এটা অভিপ্ৰায় নিহিত হৈ আছে আৰু সেয়ে লক্ষণা শক্তিৰ আশ্ৰয় লোৱা হৈছে। প্ৰয়োজন নথকা হ'লে কেৱল মূৰ্খ বুলি কোৱা হ'লেই কাম সমাধা হ'লহেঁতেন। প্ৰয়োজনমূলা লক্ষণাকে সপ্ৰয়োজনা লক্ষণাও বোলা হয়। ইয়াৰ দুটা উপভাগ আছে---

(ক) সাৰোপা প্ৰয়োজনমূলা লক্ষণা

(খ) সাধ্যৱসানা প্ৰয়োজনমূলা লক্ষণা

ক) লক্ষ্যাৰ্থবাচক শব্দটোক যেতিয়া আন এটা মুখ্যাৰ্থবাচক শব্দত আৰোপ কৰা হয় আৰু মুখ্যাৰ্থৰ লগত লক্ষ্যাৰ্থৰ অভেদ প্ৰতীত হয় তেতিয়া তাক সাৰোপা প্ৰয়োজনমূলা লক্ষণা বোলা হয়। ইয়াত এটাৰ ওপৰত আনটোক আৰোপ কৰিলেও দুয়োটাৰে সুকীয়া স্বৰূপ বিলুপ্ত হৈ নাযায়। যেনে : 'ই এটা গাধ ল'ৰা' এই কথাষাৰত গাধ জন্তুটো 'ল'ৰা' অৰ্থাৎ মানুহ হ'ব নোৱাৰে। কিন্তু গাধৰ মূৰ্খত্ব ল'ৰাটোত আছে। সেয়ে ল'ৰাটোত গাধত্ব আৰোপ কৰা হৈছে অথচ আৰোপ্যমান বিষয়ী গাধৰ দ্বাৰা বিষয় ল'ৰাৰ স্বৰূপ লুপ্ত হোৱাও নাই। গতিকে 'ই এটা গাধ ল'ৰা' কথাষাৰত সাৰোপ্য লক্ষণা হৈছে। এইবিধ লক্ষণাই ৰূপক অলঙ্কাৰৰ মূল।

(খ) লক্ষণাত যদি বিষয়ীয়ে বিষয়ক লুপ্ত কৰি কেৱল নিজৰ স্বৰূপ প্ৰকাশ কৰে তেতিয়া তাক সাধ্যৱসানা প্ৰয়োজনমূলা লক্ষণা বোলে। অৰ্থাৎ লক্ষ্যাৰ্থটো যদি মুখ্যভাৱে উপস্থাপিত আন অৰ্থত আৰোপিত নহয়, বৰং মুখ্যাৰ্থভাৱে অনুপস্থিত অৰ্থৰ লগত লক্ষ্যাৰ্থৰ অভেদ প্ৰতীত হ'লে তাক কোৱা হয় সাধ্যৱসানা লক্ষণা। যেনে : 'ই এটা গাধ'। যি জন ব্যক্তিৰ ওপৰত গাধত্ব আৰোপ কৰা হৈছে সেইজন ব্যক্তি বা মুখ্যাৰ্থ ইয়াত অনুপস্থিত। গতিকে বিষয়ী গাধতেই আৰোপ বিষয় ব্যক্তিজনে অন্তৰ্লীন হৈছে বা লক্ষ্যাৰ্থটো আন শব্দৰ দ্বাৰা ইয়াত মুখ্যভাৱে উপস্থাপিত হোৱা নাই। সেয়ে ই সাধ্যৱসানা। কাব্য ৰচনাত সাধ্যৱসানা লক্ষণাৰ স্থান অতি গুৰুত্বপূৰ্ণ। ইয়েই অতিশয়োক্তি অলঙ্কাৰৰ মূলবীজ।

২) ৰূঢ়িমূলা লক্ষণা :

শব্দই যদি মুখ্যাৰ্থবোধ কৰাব নোৱাৰে আৰু তাৰ ঠাইত লোকপ্ৰসিদ্ধি অনুসাৰে অন্য অৰ্থবোধ কৰায় তেতিয়া তাক ৰূঢ়ি লক্ষণা বোলে। পৰম্পৰাক্ৰমে একোটা অৰ্থ দি অহা শব্দবোৰক ৰূঢ় শব্দ বোলা হয়। এইবোৰ শব্দৰ প্ৰকৃতি, প্ৰত্যয় আদি বিভিন্ন অৱয়ব ভাঙি দেখুৱাব পৰা নাযায়। গোটেই শব্দটো এটা অবিভাজ্য গোট। 'গৰু' এই বাচক শব্দই 'গৰু' নামৰ জন্তু বিশেষক বুজায় আৰু এইটো অৰ্থ পূৰ্বাপৰ চলি আহিছে। সেয়ে ই ৰূঢ় শব্দ। এনেধৰণৰ ৰূঢ় শব্দৰ প্ৰয়োগত লক্ষণাৰ সৃষ্টি হ'লেই ৰূঢ়িমূলা লক্ষণা হয়। উদাহৰণস্বৰূপে— "ঘৰে তাক বাধা দিছে।" ইয়াত 'ঘৰ' এটা ৰূঢ় শব্দ, পূৰ্বাপৰ ই আৱাসিক স্থান বুজাই আহিছে। আনহাতে ঘৰত থকা লোকসকলৰ অৰ্থতো এই 'ঘৰ' শব্দটো পূৰ্বাপৰ চলি আহিছে। ঘৰ এটাই কাকো বাধা দিব নোৱাৰে।

গতিকে, ঘৰত থকা মানুহবোৰে বাধা দিছে। এই লক্ষ্যাৰ্থটো ইয়াত প্ৰতিপন্ন হৈছে। এইটোৱেই ৰূঢ়িমূলা লক্ষণা। ফকৰা যোজনা, পটন্তৰ আদিত ৰূঢ়িমূলা লক্ষণাৰ প্ৰয়োগ বেছিকৈ হোৱা দেখা যায়।

ৰূঢ়িমূলা লক্ষণাক আকৌ দুটা ভাগত ভাগ কৰা হৈছে—ক) উপাদান লক্ষণা, খ) লক্ষণ লক্ষণা।

ক) লক্ষণাৰ প্ৰয়োগত শব্দই এটা অৰ্থ উপস্থাপন কৰাৰ লগে লগে নিজৰ অৰ্থটোকো (মুখ্যাৰ্থ) আংশিকভাৱে ৰক্ষা কৰিলে তাক উপাদান লক্ষণা বোলে। নিজৰ অৰ্থ সম্পূৰ্ণকৈ এৰি নিদিয়ে (অজহৎ) কাৰণে ইয়াক অজহৎ স্বাৰ্থা লক্ষণাও বোলে। যেনে ঃ গুৱাহাটীয়ে তেজপুৰক তিনি গলত হৰুৱালে।" ইয়াত 'গুৱাহাটী' নামৰ ঠাইখনে আন এখন ঠাইত গৈ বল খেলিব আৰু তিনি গল দিব নোৱাৰে। গতিকে গুৱাহাটীৰ খেলুৱৈ আৰু তেজপুৰৰ খেলুৱৈ এই লক্ষ্যাৰ্থ উপস্থাপিত হৈছে। আনহাতে গুৱাহাটী ঠাই আৰু তেজপুৰ ঠাই এই অৰ্থও আছে আৰু সিয়ে খেলুৱৈ অৰ্থটোক টানি আনি নিজক সাৰ্থক কৰিছে। এইদৰে নিজৰ মুখ্যাৰ্থক লৈ উপাদান লক্ষ্যাৰ্থ সাধিত হৈছে কাৰণে ইয়াত উপাদান লক্ষণা হৈছে।

খ) লক্ষ্যাৰ্থটোক উপস্থাপিত কৰোঁতে যদি মুখ্যাৰ্থটো সম্পূৰ্ণভাৱে পৰিত্যক্ত হয় তেতিয়া তাক লক্ষণ লক্ষণা বোলে। নিজৰ অৰ্থ অৰ্থাৎ স্বাৰ্থ বিসৰ্জন দিছে (জহৎ) কাৰণে ইয়াক জহৎস্বাৰ্থা লক্ষণা বোলা হয়। যেনে ঃ "দীঘলহতীয়াৰ অভাৱ কিহৰ?" ইয়াত দীঘলহতীয়া শব্দই লোকপ্ৰসিদ্ধি অনুসাৰে প্ৰভাৱশালী ব্যক্তিক বুজাইছে। দীঘলহতীয়া শব্দৰ লক্ষ্যাৰ্থটো আন কোনো শব্দৰ দ্বাৰা উপস্থাপিত হোৱা নাই, গতিকে ইয়াত মুখ্যাৰ্থ সম্পূৰ্ণভাৱে পৰিত্যক্ত হৈছে ইয়াৰ বিপৰীতে 'প্ৰভাৱশালী' অৰ্থ লক্ষিত হৈছে। সেই কাৰণে ইয়াক লক্ষণ লক্ষণা বোলা হয়।

লক্ষণ-লক্ষণাৰ আন এটা উদাহৰণ হ'ল "কুন্তাঃ প্ৰবিশন্তি (যাঠিবোৰ সোমাই আহিছে)। ইয়াত লক্ষণাৰ বলত আমি যাঠিৰ সলনি যাঠি লোৱা সৈন্যবোৰ সোমাই অহাৰ অৰ্থ পাওঁ। কিয়নো আমি জানো যে যাঠিবোৰে নিজেই সোমাই আহিব নোৱাৰে। ইয়াত "যাঠিবোৰ" তল পৰি 'সৈন্যবোৰ' সোমাই অহাৰ অৰ্থ গ্ৰহণ হৈছে। সেই কাৰণে ই লক্ষণ লক্ষণা।

**ব্যঞ্জনা শক্তি ঃ**

তৃতীয় আৰু শ্ৰেষ্ঠ শব্দ-শক্তি হ'ল ব্যঞ্জনা। ই শব্দ বা অৰ্থৰ এনে এটা শক্তি যি শক্তিয়ে অভিধা আৰু লক্ষণা শক্তিৰ সহায়ত অৰ্থবোধ জন্মোৱাৰ পিছতো আন অৰ্থ প্ৰকাশ কৰিব পাৰে। আন কথাত ক'বলৈ গ'লে অভিধা, লক্ষণাই অৰ্থ প্ৰকাশ কৰি বিৰত হোৱাৰ পাছত যি শক্তিয়ে শব্দ আৰু অৰ্থৰ আনবোধ জন্মায় সেই শক্তিকে ব্যঞ্জনা শক্তি বুলি কোৱা হয়। অভিধা আৰু লক্ষণা বৃত্তিৰ সহায়ত শব্দাৰ্থৰ বোধ জন্মে। কিন্তু কাব্যিক অৰ্থ অনেক সময়ত সাধাৰণতে গ্ৰহণ কৰা অৰ্থৰ লগত একে নহয়। কাব্যৰ গভীৰ অৰ্থ থাকে আৰু এনে অৰ্থ শব্দৰ মুখ্যাৰ্থ নাইবা গৌণাৰ্থতকৈয়ো

বেলেগ। অভিধা শক্তিৰ প্ৰয়োগ হয় অকল শব্দৰ ক্ষেত্ৰতহে। লক্ষণাই বস্তুৰ অৰ্থ বহন কৰে, কিন্তু ব্যঞ্জনা বৃত্তিয়ে বস্তু, অলঙ্কাৰ আৰু ৰসৰো অৰ্থ বহন কৰে। ব্যঞ্জনাৰ সহায়ত আন অতিৰিক্ত অৰ্থ পাব পাৰি আৰু নতুন অৰ্থৰ প্ৰকাশ হ'লেও মুখ্যাৰ্থ অনাৱশ্যক হৈ নপৰে। বিশ্বনাথ কবিৰাজে সেইটো শক্তিকে ব্যঞ্জনা-শক্তি বুলিছে, যিটোৱে অভিধা আৰু লক্ষণা শক্তিয়ে অৰ্থ প্ৰকাশ কৰি বিৰত হোৱাৰ পিছত বচনাৰ অন্তৰ্নিহিত অৰ্থ প্ৰকাশ কৰে।

'তিস্ৰ শব্দস্য শক্তয়ঃ' (*সাহিত্য দৰ্পণ* ২য় পৰিচ্ছেদ)। অভিধা নামৰ শক্তিৰ দ্বাৰা শব্দ এটাই যি অৰ্থ প্ৰকাশ কৰে তাকেই অভিধেয়াৰ্থ বা বাচ্যাৰ্থ বা শব্দাৰ্থ বুলি কোৱা হয়। আনহাতে, লক্ষণা শক্তিৰ সহায়ত শব্দ এটাই যি অৰ্থ প্ৰকাশ কৰে সেইটোৱেই লক্ষ্যাৰ্থ। বাক্যত যেতিয়া প্ৰাথমিক অৰ্থ এটাই বা বাচ্যাৰ্থত বাধা প্ৰাপ্ত হয় তেতিয়া ব্যৱহাৰ বা প্ৰয়োজন অনুসৰি বাচ্যাৰ্থৰ লগত সঙ্গতি ৰাখি যি আৰোপিত শক্তিৰ সহায়ত আন এটা অৰ্থ গ্ৰহণ কৰা হয় সেই শক্তিকেই লক্ষণা বুলি কোৱা হয় আৰু লক্ষণাৰ সহায়ত পোৱা অৰ্থকেই লক্ষ্যাৰ্থ বুলি কোৱা হয়।

অভিধা আৰু লক্ষণা শক্তিয়ে নিজৰ নিজৰ সামৰ্থ্য অনুসৰি অৰ্থ প্ৰকাশ কৰি বিৰত হোৱাৰ পাছত যি শক্তিৰ সহায়ত বেলেগ এটা অৰ্থ বোধিত হয় আৰু শব্দৰ এই তৃতীয় শক্তিয়েই হৈছে ব্যঞ্জনা শক্তি। ব্যঞ্জনাৰ দ্বাৰা প্ৰাপ্ত অৰ্থয়েই হ'ল ব্যঙ্গাৰ্থ বা প্ৰতীয়মান অৰ্থ। অভিধা আৰু লক্ষণা শক্তিয়ে অৰ্থ প্ৰকাশ কৰি বিৰত হোৱাৰ পাছতহে ব্যঞ্জনাই অৰ্থ প্ৰকাশ কৰে।

বিৰতাস্বভিধানাসু যথাৰ্থো বোধ্যতে পৰঃ।
সা বৃত্তিঃ ব্যঞ্জনা নাম শব্দস্যাৰ্থাদিকস্য চ।।

আলঙ্কাৰিকসকলে ব্যঞ্জনাক এটা স্বতন্ত্ৰ শক্তি বুলি সিদ্ধান্তত উপনীত হৈছে। এই ব্যঞ্জনা শক্তিয়ে অভিধা আৰু লক্ষণা শক্তিয়ে প্ৰকাশ নকৰা অন্তৰ্নিহিত অৰ্থ প্ৰকাশ কৰে আৰু এনেকৈ প্ৰকাশিত অৰ্থ অভিধা নাইবা লক্ষণা শক্তিয়ে প্ৰকাশ কৰা অৰ্থৰ লগত সম্বন্ধযুক্ত হ'বও পাৰে, নহ'বও পাৰে।

ব্যঞ্জনাৰ দুটা ভাগ আছে— ক) অভিধামূলা ব্যঞ্জনা খ) লক্ষণামূলা ব্যঞ্জনা।

ক) শব্দই প্ৰথমে অভিধাৰ দ্বাৰা অৰ্থ উপস্থাপিত কৰি পাছত ব্যঞ্জনাৰ দ্বাৰা আন অৰ্থ উপস্থাপিত কৰিলে অৰ্থাৎ শব্দটোৱে মুখ্যাৰ্থ দিয়াৰ উপৰি আন এটা অৰ্থবোধ জন্মালে তাক অভিধামূলা ব্যঞ্জনা বোলা হয়। ইয়াত অভিধেয় অৰ্থটোও সাৰ্থক হয় আৰু ব্যঙ্গ অৰ্থটোও নিহিত থাকে। ইয়াৰো দুটা প্ৰকাৰ আছে, যেনে : শাব্দী আৰু আৰ্থী। ব্যঙ্গাৰ্থটো শব্দৰ ওপৰত নিৰ্ভৰশীল হ'লে তাক শাব্দী আৰু অৰ্থৰ ওপৰত নিৰ্ভৰশীল হ'লে তাক আৰ্থী বোলা হয়।

খ) লক্ষণাৰ সহায়ত যি ব্যঞ্জনাৰ দ্বাৰা অন্য অৰ্থ প্ৰতীতি হয় তাক লক্ষণামূলা ব্যঞ্জনা বোলে। যেনে : "গঙ্গাত গুৱালৰ গাওঁ আছে।" এই বাক্যটোত গঙ্গাৰ পাৰত অৱস্থিত গাঁৱৰ ধাৰণাই শীতলতা আৰু পবিত্ৰতাৰ ধাৰণা ব্যঞ্জিত কৰিছে। এই ধাৰণা আমি অভিধামূলা ব্যঞ্জনাৰ দ্বাৰা নাপাওঁ, গতিকে এই দুটা ভাব অৰ্থাৎ শীতলতা আৰু পবিত্ৰতা লক্ষণামূলা ব্যঞ্জনা বৃত্তিৰ পৰা পোৱা গৈছে। লক্ষণামূলা ব্যঞ্জনা শাব্দী অথবা


আৰ্থীও হ'ব পাৰে। অৰ্থ প্ৰকাশত শব্দই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, তেতিয়া তাকেই শাব্দী ব্যঞ্জনা আৰু যেতিয়া অৰ্থৰ ভেটিত অন্তৰ্নিহিত ভাব প্ৰকাশিত হয় তেতিয়া তাক আৰ্থী ব্যঞ্জনা আখ্যা দিয়া হয়।


শব্দৰ আভিধা শক্তিৰ দ্বাৰা বাচ্যাৰ্থবোধ, লক্ষণাশক্তিৰ দ্বাৰা লক্ষ্যাৰ্থবোধ আৰু ব্যঞ্জনা শক্তিৰ দ্বাৰা ব্যঙ্গাৰ্থবোধ হয়। এই তিনিটাৰ ভিতৰত ধ্বনিবাদীসকলে ব্যঞ্জনাৰ ওপৰতে অধিক গুৰুত্ব দিছে। ব্যঞ্জনাৰ দ্বাৰা ব্যঞ্জিত অৰ্থই ব্যঙ্গাৰ্থ। শব্দৰ বাচ্যাৰ্থ বা লক্ষ্যাৰ্থ লগ লাগি অনুভৱ হোৱা ব্যঞ্জৰ্থটোকেই ধ্বনি বোলে। গতিকে ব্যঙ্গাৰ্থই হ'ল দ্যোতিত অৰ্থ বা ধ্বনি।

ইয়াৰ পাছতেই আলঙ্কাৰিকসকলে ধ্বনিবাদৰ প্ৰতিষ্ঠা কৰিছে। কাব্যত বাচ্যাৰ্থতকৈ ব্যঙ্গাৰ্থ অধিক চমৎকাৰজনকভাৱে ধ্বনিত হ'লে তাকে কাব্যৰ ধ্বনি বোলে।

### ৩.৫ শব্দৰ বিভাজন

শব্দ আৰু শব্দ শক্তিৰ বিভাগসমূহ ৰেখা চিত্ৰৰ সহায়ত তলত দিয়া ধৰণে দেখুৱাব পাৰি



আত্ম মূল্যায়ন প্ৰশ্ন ঃ

শব্দশক্তি বুলিলে কি বুজায়? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৩.৬ সাৰাংশ (Summing up)

শব্দৰ নিজ অৰ্থ বুজোৱাৰ উপৰি বেলেগ অৰ্থ দিব পৰা শক্তি আছে। প্ৰত্যেক শব্দৰ পৰা মুখ্য অৰ্থক লৈ আন যি অৰ্থ ওলায় তাক বোধ কৰোৱা শক্তিক শব্দ-শক্তি বোলে। শব্দ-শক্তি তিনি প্ৰকাৰৰ আৰু সেইদৰে অৰ্থও তিনি প্ৰকাৰৰ।

অভিধা, লক্ষণা আৰু ব্যঞ্জনা। এটা শব্দ উচ্চাৰণ কৰাৰ লগে লগে প্ৰথমতে ব্যক্তি, গুণ, ক্ৰিয়া বা জাতিৰ বোধ এটা মনত উদয় হয়। এটা শব্দ উচ্চাৰণ কৰাৰ লগে লগে পোনতে যি অৰ্থৰ উদয় হয় তাক অভিধেয় অৰ্থ বা মুখ্যাৰ্থ (Primary meaning) বোলা হয়।

আনহাতে মুখ্যাৰ্থক এৰি তাৰ লগত সম্বন্ধ থকা আন অৰ্থক লক্ষ্য কৰি দেখুৱাই হ'ল লক্ষণা (Secondary meaning) । শব্দৰ অভিধা আৰু লক্ষণা বৃত্তিয়ে অভিপ্ৰায় পূৰণ কৰিব নোৱাৰিলে সেই অভিধা আৰু লক্ষণাক আশ্ৰয় কৰি এটা অতিৰিক্ত অৰ্থ বিচাৰি ল'বলগীয়া হয়। এইদৰে শব্দৰ যি শক্তিয়ে বাচ্যাৰ্থ আৰু লক্ষ্যাৰ্থৰ বাহিৰেও অতিৰিক্ত এটা বুৎপন্ন অৰ্থ অভিব্যক্ত কৰি তোলে তাকে ব্যঞ্জনা (Suggested meaning) শক্তি বোলে।

এই বিভাগটিত শব্দ-শক্তিৰ ভাগসমূহ আলঙ্কাৰিকসকলৰ মত অনুসৰি বহলাই ব্যাখ্যা কৰা হৈছে। শব্দৰ বিভাজনসমূহো দেখুৱা হৈছে।

## ৩.৭ আৰ্হি প্ৰশ্ন (Sample questions)

১। শব্দ-শক্তি বুলিলে কি বুজায়? আলোচনা কৰক।

২। শব্দ-শক্তিৰ প্ৰকাৰবোৰ কি কি? আলোচনা কৰক।

৩। শব্দ-শক্তিৰ ভাগসমূহ উদাহৰণৰ সৈতে আলোচনা কৰক।

৪। শব্দ, শব্দৰ অন্বয়, পদান্বয়, আকাংক্ষা, যোগ্যতা আৰু আসক্তি বুলিলে কি বুজায় চমুকৈ আলোচনা কৰক।

৫। ব্যঞ্জনা শক্তি কি? বহলাই বাখ্যা কৰা।

### ৩.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| ড° মুকুন্দ মাধৱ শৰ্মা | : | *ধ্বনি আৰু ৰসতত্ত্ব* |
| তীৰ্থনাথ শৰ্মা | : | *সাহিত্য বিদ্যা পৰিক্ৰমা* |
| মনোৰঞ্জন শাস্ত্ৰী | : | *সাহিত্য দৰ্শন* |
| যতীন বৰা | : | *ছন্দ, ধ্বনি আৰু অলঙ্কাৰ* |
| ত্ৰৈলোক্য নাথ গোস্বামী | : | *নন্দনতত্ত্ব প্ৰাচ্য আৰু পাশ্চাত্য* |
| S.K. Dey. | : | *Sanskrit Poetics* |


•••

# চতুৰ্থ বিভাগ
## ধ্বনি ঃ ধাৰণা, বিৱৰ্তন আৰু প্ৰয়োগ

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ ধ্বনিৰ সংজ্ঞা
৪.৪ ধ্বনিৰ স্বৰূপ
৪.৫ ধ্বনিকাব্যৰ বিভাজন
৪.৬ সাৰাংশ (Summing Up)
৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Reading)

### ৪.১ ভূমিকা (Introduction)

ভাৰতীয় সাহিত্যৰ ক্ৰমবিকাশৰ ধাৰা আলোচনা কৰিলে দেখিবলৈ পোৱা যায় যে সাহিত্যশাস্ত্ৰৰ পটভূমিকাত 'ধ্বনি'য়ে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। 'ধ্বনি' শব্দটোৰ সাধাৰণ অৰ্থ 'শব্দ' হ'লেও সাহিত্যশাস্ত্ৰত ব্যঞ্জণাৰ অৰ্থতহে ধ্বনিশব্দৰ ব্যৱহাৰ কৰা হয়। ভাৰতবৰ্ষত প্ৰচলিত হৈ থকা সাহিত্যশাস্ত্ৰৰ পৰম্পৰাই এই কথা স্পষ্টকৈ ব্যক্ত কৰে যে সভ্যতাৰ আদিযুগত এই ভাৰতবৰ্ষৰ বুকুত আদিকবি বাল্মীকিৰ লেখনীৰ পৰা যি ৰামায়ণকাব্যৰ সৃষ্টি হৈছিল সেই কাব্যতেই নিহিত হৈ আছিল ধ্বনিৰ স্ফুৰণ। গতিকে ধ্বনিৰ অস্তিত্ব আদিকাব্যৰ দৰেই অতি প্ৰাচীন। কিন্তু ধ্বনিৰ সৃষ্টি কাব্যোন্মেষৰ সমসাময়িক হ'লেও ইয়াৰ স্বীকৃতি ঘটিছে পৰৱৰ্তী যুগত। বহুতো ঘাত-প্ৰতিঘাতৰ পথ অতিক্ৰম কৰাৰ পাছতহে 'ধ্বনি'ৰ ঐতিহ্য স্বীকাৰ কৰি লোৱা হৈছে ভাৰতীয় সাহিত্যজগতত। 'ধ্বনি' বিষয়ক আলোচনাৰ ক্ষেত্ৰত বিখ্যাত আলঙ্কাৰিক আনন্দৱৰ্ধনাচাৰ্য্যৰ নাম চিৰস্মৰণীয়। কাৰণ ধ্বনিৰ উপস্থিতি বিভিন্ন উপায়েৰে বহুতো পণ্ডিতৰ লেখনীত প্ৰকাশ পালেও 'ধ্বনি'ৰ বিষয়ে বিশদ আৰু জ্ঞানগৰ্ভ আলোচনা পোনপ্ৰথম আগবঢ়াইছে আনন্দৱৰ্ধনদেৱে তেওঁৰ কালজয়ী গ্ৰন্থ ধ্বন্যালোকত। তদুপৰি এই তত্ত্বগধূৰ গ্ৰন্থখনৰ উপযুক্ত ব্যাখ্যা 'লোচন'ৰ মাজেদি অভিনৱগুপ্তই 'ধ্বনি'ৰ স্বৰূপাদি বিশ্লেষণ কৰি ধ্বন্যালোকৰ মাহাত্ম্য দ্বিগুণিত কৰিছে। গতিকে 'ধ্বনি'ৰ ইতিহাসত আনন্দৱৰ্ধন আৰু অভিনৱগুপ্তৰ অৱদান চিৰস্বীকাৰ্য্য হৈ আছে। আনন্দৱৰ্ধনদেৱৰ ধ্বন্যালোকত যদিও কোৱা হৈছে যে 'ধ্বনি'ৰ বিষয়ে প্ৰাচীন পণ্ডিতসকলে বিভিন্নধৰণৰ আলোচনা আগবঢ়াইছিল, কিন্তু প্ৰকৃততে ধ্বন্যালোকতহে 'ধ্বনি'ক কাব্যৰ আত্মা বুলি কোৱা হৈছে। ধ্বন্যালোকৰ আৰম্ভনিতেই আনন্দবৰ্ধনে কৈছে 'কাব্যস্যাত্ম ধ্বনিৰীতি বুধৈৰ্যঃ সমাম্নাতপূৰ্বঃ' ইত্যাদি (ধ্বন্যালোক ১ম উদ্যোত, কাৰিকা—১)।

এই অধ্যায়টিত ধ্বনিৰ সংজ্ঞা, ধ্বনি স্বৰূপ আদিৰ বিষয়ে আলোচনা কৰা হৈছে । অধ্যায়টি পঢ়ি আপোনালোকে ধ্বনি কাব্যৰ স্বৰূপ সম্বন্ধে অৱগত হ'ব পাৰিব ।

## ৪.২ উদ্দেশ্য (Objectives)

ভাৰতীয় কাব্যতত্ত্বৰ অন্যতম প্ৰত্যয় ধ্বনিবাদে সাহিত্যৰ এক গুৰুত্বপূৰ্ণ দিশত আলোকপাত কৰিলে। এই বিভাগটো পঢ়ি আপোনালোকে-

- ধ্বনিৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব,
- ধ্বনিৰ স্বৰূপ সম্পৰ্কে জানিব পাৰিব,
- ধ্বনি-বিৰোধী দলসমূহৰ বিভিন্ন বক্তব্য সম্পৰ্কে জ্ঞাত হ'ব পাৰিব,
- বস্তু, অলংকাৰ আৰু ৰসভেদে ধ্বনিৰ সূত্ৰ নিৰ্ণয় কৰিব পাৰিব,
- ধ্বনিকাব্যৰ বিভাজন কৰিব পাৰিব।

## ৪.৩ ধ্বনিৰ সংজ্ঞা

'ধ্বনি' বুলিলে কি বুজায়, ইয়াৰ স্বৰূপ কি, কাব্যত ইয়াৰ গুৰুত্ব কি ইত্যাদি বিষয়ৰ আলোচনা কৰিব যাওঁতে আনন্দবৰ্ধনে 'ধ্বন্যালোক'ৰ প্ৰথম উদ্যোতত 'ধ্বনি'ৰ লক্ষণপ্ৰসঙ্গত কৈছে—

যথাৰ্থঃ শব্দো বা তমৰ্থসুপসৰ্ত্তনীকৃতস্বাৰ্থো।

ব্যঙ্ক্তঃ কাব্যবিশেষঃ স ধ্বনিৰিতি সূৰিভিঃ কথিতঃ।। (কাৰিকা-১৩)।

এই কাৰিকাৰ অৰ্থ হ'ল কাব্যত থকা শব্দ আৰু অৰ্থই যেতিয়া নিজৰ নিজৰ ভূমিকাক গৌণ কৰি প্ৰতীয়মান অৰ্থৰ বাহক হয়, তেতিয়া ব্যঞ্জনাযুক্ত সেই কাব্যকেই 'ধ্বনি' বুলি কোৱা হয়। কাব্যসৃষ্টিত শব্দ আৰু অৰ্থই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেই কাৰণে শব্দ আৰু অৰ্থক কাব্যৰ শৰীৰৰূপে কল্পনা কৰা হয়। কোৱাও হৈছে—শব্দাৰ্থশৰীৰং তাবৎ কাব্যম্ (ধ্বন্যালোক-প্ৰ. উদ্দ্যোত)। কাব্যৰ বাহ্যিক আকৃতি সৃষ্টি হয় শব্দ আৰু অৰ্থৰ সহযোগত। কিন্তু এই বাহ্যিক আকৃতিৰ উপৰি কাব্যত থাকে এক অনাবিল সংবেদনশীলতা যাৰ ফলত কাব্যৰ ঝংকাৰ শব্দ আৰু অৰ্থৰ গাঁথনি পাৰ হৈ গৈ সহৃদয় পাঠকৰ হৃদয়ত আনি দিয়ে এক অনিৰ্বচনীয় স্বৰ্গীয় অনুভূতি। মানুহৰ শৰীৰৰ ভিতৰত যেনেকৈ হাত-ভৰি আদি অঙ্গ-প্ৰত্যঙ্গৰ পৰা সম্পূৰ্ণ বেলেগ এক চৈতন্যময় আত্মাৰ অৱস্থান থাকে, সেইদৰে কাব্যতো শব্দ আৰু অৰ্থৰ উৰ্দ্ধত এটা বিশেষ অৰ্থ নিহিত হৈ থাকে যিটোৱে মুহূৰ্ত্তৰ ভিতৰতে ৰসজ্ঞপাঠকৰ হৃদয় অধিকাৰ কৰি পেলাব পাৰে। কাব্যৰ এই বিশেষ অৰ্থ যিটো শব্দ আৰু অৰ্থৰ সহায়ত বাচ্য নহয় কিন্তু বোধগম্যহে সেই প্ৰতীয়মান অৰ্থই কাব্যৰ প্ৰাণস্বৰূপ। এই অৰ্থৰ মূৰ্চ্ছনাই কাব্যক অভূতপূৰ্ব আনন্দৰ কাৰণ হিচাপে দাঙি ধৰে। বাচ্যাৰ্থৰ পৰা সম্পূৰ্ণ বেলেগ প্ৰতীয়মান অৰ্থই মহাকবিসকলৰ ৰচনাত প্ৰকাশ পায় আৰু ইয়াৰ মাধুৰ্যক আলঙ্কাৰিকসকলে নাৰীদেহত থকা লাৱণ্যৰ লগত তুলনা কৰে। অঙ্গপ্ৰত্যঙ্গৰ সুস্থগঠনৰ উৰ্দ্ধত

যেনেকৈ নাৰী দেহত এক অনিৰ্বচনীয় লাৱণ্য বিৰাজ কৰে সেইদৰে কাব্যতো শব্দ, অৰ্থ আদিৰ উপযুক্ত প্ৰয়োগৰ উপৰি নিহিত হৈ থাকে প্ৰতীয়মান অৰ্থৰ বিলাস। কাব্যত ব্যৱহাৰ হোৱা শব্দ আৰু অৰ্থই যেতিয়া নিজৰ নিজৰ বাচ্যাৰ্থক অপ্ৰধান কৰি প্ৰতীয়মান অৰ্থক বিশেষভাৱে ব্যক্ত কৰে তেতিয়াই ধ্বনিৰ সৃষ্টি হয় আৰু এই ধ্বনিয়েই হ'ল কাব্যৰ আত্মা বা প্ৰাণভূতা শক্তি। এই শক্তি অবিহনে কাব্যৰ কোনো আকৰ্ষণ নাথাকে—এয়াই হ'ল ধ্বনিবাদী আলঙ্কাৰিসকলৰ অভিমত। কিন্তু প্ৰতীয়মান অৰ্থ যিহেতুকে বাচ্য নহয়, বুদ্ধি গম্য, সেইকাৰণে সকলোৱে এই অৰ্থৰ মাধুৰ্য গ্ৰহণ কৰিব নোৱাৰে। পৰমব্ৰহ্মাক পোৱাৰ সমতুল্য আনন্দৰ কাৰণ যি প্ৰতীয়মান অৰ্থ সেইটোক বুজিবৰ বাবে হৃদয়ত এটা বিশেষ শক্তি বা সামৰ্থ্য থকাটো প্ৰয়োজন। কেৱলমাত্ৰ শব্দ আৰু অৰ্থৰ জ্ঞানেই এই অৰ্থক বুজাৰ কাৰণে যথেষ্ট নহয়। কাব্যতৰ বিষয়ে জ্ঞান থকা সহৃদয় পাঠকজনেহে এই অৰ্থৰ আস্বাদ গ্ৰহণ কৰি তৃপ্ত হ'ব পাৰে। সেই কাৰণে আনন্দৱৰ্ধনে 'ধ্বন্যালোক'ত কৈছে -

*শব্দাৰ্থশাসনজ্ঞানমাত্ৰেণৈৱ ন ৱেদ্যতে।*

*ৱেদ্যতে স তু কাব্যাৰ্থতত্ত্বজ্ঞৈৰেব কেৱলম্।।* (কাৰিকা-৭)

প্ৰতীয়মান অৰ্থ কি? প্ৰতীয়মান অৰ্থৰ আন নাম হ'ল ব্যঙ্গাৰ্থ। শব্দৰ ভিতৰত যি শক্তি নিহিত হৈ থাকে তাৰে সহায়ত শব্দই অৰ্থ প্ৰকাশ কৰিবলৈ সমৰ্থ হয়। অৰ্থাৎ অৰ্থপ্ৰকাশ কৰিব পৰা ক্ষমতাকেই শব্দৰ শক্তি বোলে। এই শক্তি তিনিবিধ— অভিধা, লক্ষণা আৰু ব্যঞ্জনা। সাহিত্যদৰ্পণত বিশ্বনাথ কবিৰাজে এই বিষয়ত নিজৰ অভিমত দাঙি ধৰি কৈছে 'তিস্ৰ শব্দস্য শক্তয়ঃ' (সা.দ. ২য় প). অভিধা নামৰ শক্তিৰ দ্বাৰা শব্দ এটাই যি অৰ্থ প্ৰকাশ কৰে তাকেই অভিধেয়াৰ্থ, বাচ্যাৰ্থ বা শব্দাৰ্থ বুলি কোৱা হয়। এয়াই শব্দ এটাৰ মুখ্যাৰ্থ বা প্ৰাথমিক অৰ্থ। যেনে সূৰ্য্যই আমাক তাপ দিয়ে—এই বাক্যত সূৰ্য্যপদটোৱে অভিধাশক্তিৰ মাধ্যমত 'অগ্নিবৰ্ণগোলাকাৰ পিণ্ড' এই অৰ্থ ব্যক্ত কৰিছে। এইটোৱে সূৰ্য্যপদটোৰ অভিধেয়াৰ্থ বা বাচ্যাৰ্থ। দ্বিতীয়তে, লক্ষণাশক্তিৰ সহায়ত শব্দ এটাই যি অৰ্থ প্ৰকাশ কৰে সেইটোৱে লক্ষ্যাৰ্থ। বাক্যত যেতিয়া প্ৰাথমিক অৰ্থ বা বাচ্যাৰ্থই বাধাপ্ৰাপ্ত হয় তেতিয়া ব্যৱহাৰ বা প্ৰয়োজন অনুসৰি বাচ্যাৰ্থৰ লগত সঙ্গতি ৰাখি যি আৰোপিত শক্তিৰ সহায়ত আন এটা অৰ্থ গ্ৰহণ কৰা হয় সেই শক্তিকেই লক্ষণা বুলি কোৱা হয় আৰু লক্ষণাৰ সহায়ত পোৱা অৰ্থকেই লক্ষ্যাৰ্থ বুলি কোৱা হয়। যেনে ব্ৰহ্মাপুত্ৰত মন্দিৰ আছে—এই বাক্যত 'ব্ৰহ্মাপুত্ৰ পদটোৱে' বিশাল জলৰাশিৰূপী পদক বুজোৱা নাই কাৰণ পানীৰ ভিতৰত মন্দিৰ থাকিব নোৱাৰে। গতিকে ব্ৰহ্মাপুত্ৰ শব্দৰ নদৰূপী মুখ্যাৰ্থ ইয়াত গৃহীত নহয়। কিন্তু ব্ৰহ্মাপুত্ৰ পদটোৰ লগত সম্বন্ধযুক্ত 'তীৰভূমি' বা চৰৰূপী অৰ্থটোৱে ইয়াত গ্ৰহণ কৰি ব্ৰহ্মাপুত্ৰৰ পাৰত

মন্দিৰ আছে বা ব্ৰহ্মপুত্ৰৰ চৰভূমিৰ মন্দিৰ আছে এনেকুৱা সম্পূৰ্ণ অৰ্থ লক্ষণাৰ সহায়ত গ্ৰহণ কৰা হয়। তৃতীয়তে অভিধা আৰু লক্ষণাশক্তিয়ে নিজৰ নিজৰ সামৰ্থ্য অনুসৰি অৰ্থপ্ৰকাশ কৰি বিৰত হোৱাৰ পিছত যি শক্তিৰ সহায়ত বেলেগ এটা অৰ্থ বোধিত হয় শব্দৰ সেই তৃতীয় শক্তিকেই ব্যঞ্জনা বোলে। ব্যঞ্জনাৰ দ্বাৰা প্ৰাপ্ত অৰ্থই হ'ল ব্যঙ্গাৰ্থ বা প্ৰতীয়মান অৰ্থ। যিহেতু ব্যঙ্গাৰ্থৰ কাৰণে বুদ্ধিৰ প্ৰয়োজন হয় সেই কাৰণে এই অৰ্থ 'গম্য' অৰ্থাৎ বুদ্ধিগ্ৰাহ্য, কেৱল শব্দৰ দ্বাৰা অপ্ৰকাশিত। এই প্ৰতীয়মান অৰ্থ বাচ্যাৰ্থক অবলম্বন কৰি বোধগম্য হ'লেও ইয়াক বুজাৰ কাৰণে কাব্যতত্ত্বৰ জ্ঞান অতি আৱশ্যক। যি কাব্যত এই প্ৰতীয়মান অৰ্থই মনোগ্ৰাহী হৈ প্ৰকাশ পায় তাকেই ধ্বনি বুলি আখ্যা দিয়া হয়। গতিকে কাব্যতত্ত্বৰ জ্ঞান অবিহনে ধ্বনিৰ অৰ্থ হৃদয়ঙ্গম কৰাটো সম্ভৱপৰ নহয়। এটা কবিতাৰ অংশেৰে আমি এই কথাটো বুজাব পাৰো-

*আছোঁ মই সুখে দুখে নিজা বেহা লই*
*হ'ল জানো আচম্বিতে যাবৰ সময়?*
*টোকোৰা পঁজাত থাকি লাগিছিল ভাল।*
*ভাগি গ'ল আজি মোৰ টোপনিৰ জাল।*

(নবদিগন্তঃ অতুলচন্দ্ৰ হাজৰিকা)

উক্ত কবিতাফাঁকিত বাচ্যাৰ্থ হিচাপে- পৰিচিত এটা ঠাইৰ পৰা অপৰিচিত আন এটা ঠাইলৈ যোৱাৰ সময় হোৱাৰ কথা ব্যক্ত হৈছে। কিন্তু এই বাচ্যাৰ্থটো এই কবিতাটোৰ মূল অৰ্থ নহয়। ইয়াত আন এটা মধুৰ অৰ্থ ব্যঞ্জিত হৈছে যিটোৱে হ'ল কবিতাটোৰ মূল আকৰ্ষণ। ইয়াত কবিয়ে ক'ব বিচাৰিছে যে এতিয়ালৈকে কবিয়ে মায়া-মোহৰ যি জীৱন কটালে আজি সেই জীৱনৰ বিষয়ে মোহভঙ্গ হৈছে কাৰণ কবিৰ মানসপটত সাংসাৰিক জীৱনৰ অসত্যতা ধৰা পৰি তেওঁৰ মনোমুকুৰত সত্য জ্ঞানৰ উন্মেষ ঘটিছে। উক্ত কবিতাফাঁকিত থকা বুদ্ধিগম্য এই অনিন্দ্য অৰ্থমূৰ্চ্ছনাই হ'ল ধ্বনি, যিটোৰ অস্তিত্বই কাব্যটোক উত্তমকাব্যৰ শাৰীত লৈ যাব পাৰিছে। মনত ৰাখিবলগীয়া কথা হ'ল কাব্যিক আকৰ্ষণ সৃষ্টি কৰাৰ ক্ষেত্ৰত ধ্বনিৰ সমতুল্য একোৱে নাই। কাৰণ হৃদয়ত থকা অনিৰ্বচনীয়ভাৱটোৱে ব্যঞ্জনাৰ মাজেদি কবিৰ লেখনীত প্ৰকাশ পায়। আনন্দবৰ্ধনে ধ্বন্যালোকত কৈছে যে প্ৰকৃততে ক্ৰৌঞ্চচৰাইযুগলৰ এটাৰ মৃত্যুত আনটোৰ হিয়াভঙ্গা আৰ্তনাদে বাল্মীকিৰ হৃদয়ত যি অকল্পনীয় শোকৰ সৃষ্টি কৰিছিল সেই শোকেই পুঞ্জীভূত হৈ শ্লোকৰ আকৃতিত আদিকবিৰ মুখৰ পৰা নিঃসৃত হৈ কাব্যৰ ৰূপ গ্ৰহণ কৰিছে। গতিকে সম্পূৰ্ণ ৰামায়ণখনেই হ'ল বাল্মীকিৰ হৃদয়ত অনুভব কৰা মুখৰে প্ৰতিধ্বনি। তুলনীয়-

*কাব্যস্যাত্মা স এবাৰ্থস্তথা চাদিকবেঃ পুৰা।*

*ক্ৰৌঞ্চদ্বন্দ্ববিয়োগোত্থঃ শোকঃ শ্লোকত্বমাগতঃ।।* (ধ্বন্যালোক, উঃ-১ কাৰিকা-৫)

হৃদয়ৰ একান্ত অনুভূতিৰ শব্দময় সৃষ্টিধৰ্মী ৰূপেই হ'ল ধ্বনি। এই ধ্বনিক বুজিবৰ বাবে সহৃদয় পাঠকৰ প্ৰয়োজন। যিসকল পাঠকৰ কাব্যতত্ত্বজ্ঞানৰ পোহৰত উদ্ভাসিত হোৱা হৃদয়ত বৰ্ণনীয়ভাব গ্ৰহণৰ সম্পূৰ্ণ যোগ্যতা থাকে কাব্যমাধুৰী গ্ৰহণক্ষম সেইজনেই হ'ল সহৃদয় বা ৰসজ্ঞ পাঠক। অভিনৱগুপ্তই কৈছে-

"য়েষাং কাব্যানুশীল নাভ্যাসবশাদ্ বিশদীভূতে মনোমুকুৰে বৰ্ণনীয় তন্ময়ীভৱনযোগ্যতা তে স্ব-হৃদয়-সংবাদভাজঃ সহৃদয়াঃ।"

এনেকুৱা সহৃদয়েই কাব্যৰ ৰস তথা ধ্বনিৰ আস্বাদন লাভ কৰি পৰমানন্দ পাবলৈ সক্ষম হয়।

আগতেই কোৱা হৈছে যে ধ্বনিৰ স্বীকৃতিৰ পথ সম্পূৰ্ণ নাছিল। কাব্যত ৰীতি-গুণ-অলংকাৰ-ৰস আদিৰ উপৰি 'ধ্বনি'ৰ অৱস্থিতি এই কথাটো বহুতো আলঙ্কাৰিকেই মানি লোৱা নাছিল। তদুপৰি কিছুমান আলঙ্কাৰিকে ধ্বনিৰ অস্তিত্ব স্বীকাৰ কৰিলেও এই বিষয়ে কোনো ধাৰণা দিব পৰা নাছিল। বহু পণ্ডিতে আকৌ ধ্বনিক লক্ষণাশক্তিৰ অন্তৰ্ভুক্ত কৰিছিল। এই সকলোকে ধ্বনিবিৰোধী দল হিচাবে গ্ৰহণ কৰা হৈছিল। আলঙ্কাৰিক আনন্দবৰ্ধনাচাৰ্য্যই তেওঁ 'ধ্বন্যালোক'ৰ প্ৰথম কাৰিকাতেই ধ্বনিবিৰোধী সকলক তিনিটা ভাগত বিভক্ত কৰি দেখুৱাইছে। তেওঁৰ মতে যিসকল পণ্ডিতে ধ্বনিৰ অস্তিত্ব নাই বুলি মত প্ৰকাশ কৰে তেওঁলোক হ'ল অভাববাদী'। যিসকলপণ্ডিতে ধ্বনিক লক্ষণাৰ অন্তৰ্ভুক্ত বুলি অভিমত প্ৰকাশ কৰিছে তেওঁলোকক 'ভাক্তবাদী' বুলি কোৱা হৈছে। 'ভক্তি' শব্দৰ অৰ্থ সাহিত্যশাস্ত্ৰত 'লক্ষণা'। তৃতীয়তে যিসকল পণ্ডিতে ধ্বনিৰ অস্তিত্ব মানি ল'লেও ধ্বনিক অপ্ৰকাশ্য বুলি কৈছে তেওঁলোকক 'অনিৰ্বচনীয়বাদী' বুলি কোৱা হৈছে। তুলনীয়-

*কাব্যস্যাত্মা ধ্বনিৰিতি বুধৈৰ্যঃ সমাম্নাতপূৰ্ব*

*স্তস্যাভাৱং জগদুৰপৰে ভাক্তমাহুসুমন্যে।*

*কেচিদ্ বাচাং স্থিতমবিষয়ে তত্ত্বমূচস্তদীয়ং*

*তেন ব্ৰূমঃ সহৃদয়মনঃপ্ৰীতয়ে তৎস্বৰূপম্।।* (ধ্বন্যালোক প্ৰ.উ. (কাৰিকা-১)

আনন্দবৰ্ধনাচাৰ্য্যই ধ্বনিবিৰোধীসকলৰ অভিমত খণ্ডণ কৰি ধ্বনিৰ বিষয়ে বিশদ আলোচনা আগবঢ়াই সাহিত্যশাস্ত্ৰৰ আকাশত এক উজ্জ্বল নক্ষত্ৰৰূপে বিৰাজ কৰিছে।

### ৪.৪ ধ্বনিৰ স্বৰূপ

'ধ্বনি'ৰ স্বৰূপ বিচাৰ কৰিব গ'লে প্ৰথমতেই ধ্বনিৰ বিষয়ে থকা ব্যঙ্গাৰ্থৰ গুৰুত্ব জানিব লাগিব। কাব্যত ব্যঙ্গাৰ্থ বা প্ৰতীয়মান অৰ্থৰ গুৰুত্ব উপলব্ধি কৰি ধ্বনিক তিনিটা ভাগত ভগোৱা হৈছে। সেইবোৰ হ'ল—বস্তুধ্বনি, অলঙ্কাৰধ্বনি

আৰু ৰসধ্বনি। যেতিয়া কোনো এটা কাব্যত থকা শব্দ আৰু অৰ্থৰ মাজেদি বাচ্যাৰ্থই বৰ্ণনীয় বস্তুৰ ব্যঞ্জনা দিয়ে আৰু সেই ব্যঙ্গাৰ্থ পাঠকৰ ওচৰত বেচি আকৰ্ষণীয় হৈ উঠে তেতিয়া তাকেই বস্তুধ্বনি বোলা হয়। এনেকুৱা ধ্বনিৰ ক্ষেত্ৰত কাব্যবিষয়টোৱে অধিক ৰমণীয়তাৰ সৈতে ব্যঞ্জিত হয়। যেনে-

*"হাতে হাতে ধৰি বোলে বিভীষণে*
*আছিয়ো পাত্ৰ সমাজ।*
*বিভীষণ বৈৰী লঙ্কাৰ খেদিয়া*
*সুখে ভুঞ্জা সবে ৰাজ।।"* (ৰামায়ণ)

এই কবিতাটোৰ মাজেদি লঙ্কাৰ পৰা ৰাৱণৰ দ্বাৰা বিভীষণ বিসৰ্জনৰ কথা প্ৰকাশ কৰি এই কাৰ্য্যৰ দ্বাৰা যে কোনোমতেই লঙ্কাপুৰীৰ ভাল নহয় সেই কথাৰেই ব্যঞ্জনা দিয়া হৈছে। বিসৰ্জনৰ ফলত বিভীষণৰ মনত যি অপমান বা বেদনাৰ সৃষ্টি হ'ল সেৱা কেতিয়াও লঙ্কাৰ বাবে মঙ্গলজনক নহ'ব এই ব্যঙ্গাৰ্থৰূপী কাব্যবস্তু বাচ্যাৰ্থতকৈ বেছি মনোগ্ৰাহী হোৱা বাবে এইটো বস্তুধ্বনিৰ উদাহৰণ। অলঙ্কাৰ ধ্বনিত বাচ্যাৰ্থৰ মাজেদি অলংকাৰৰ ব্যঞ্জনা হয় আৰু সেই ব্যঙ্গাৰ্থ বাচ্যাৰ্থতকৈ বেছি আকৰ্ষক হৈ উঠে। অৰ্থাৎ যি কাব্যত বাচ্যাৰ্থৰ যোগেদি অলংকাৰৰ ব্যঞ্জনা ঘটে আৰু সেই ব্যঙ্গাৰ্থই পাঠকক বেছি আকৰ্ষণ কৰে সেই কাব্যকেই অলংকাৰধ্বনি বোলা হয়। যেনে-

*"নৱ পল্লবিত মোৰ মানস কুঞ্জৰ*
*সেউজীয়া পাতৰ তলত*
*শুনিছোঁ তোমাৰ যেন অমিয়া কণ্ঠৰ*
*সুধা সুৰ মৃদু পঞ্চমত।"* (আনন্দচন্দ্ৰ বৰুৱা)

উক্ত কবিতাফাঁকিত মনক পল্লবিত বৃক্ষশাখাৰূপে আৰু মধুৰ কণ্ঠত থকা সুৰক অমৃতৰূপে কল্পনা কৰি কবিয়ে উপমা অলংকাৰৰ ব্যঞ্জনা সৃষ্টি কৰিছে। এজনৰ মিঠা মাত শুনি আনজনে আনন্দ লাভ কৰিছে এই বাচ্যাৰ্থৰ তুলনাত উপমা অলংকাৰৰ ব্যঞ্জনাই ইয়াত বহুত বেছি আনন্দ দান কৰিবলৈ সক্ষম হৈছে। সেই কাৰণে ইয়াত অলংকাৰধ্বনিৰ সৃষ্টি হৈছে। যি কাব্যত বাচ্যাৰ্থৰ মাজেদি বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱৰ সহায়ত ৰসৰ ব্যঞ্জনা ঘটে তাকেই ৰসধ্বনি বোলে। ইয়াতেও বাচ্যাৰ্থতকৈ অলৌকিক পৰমানন্দসম সন্তুষ্টিয়ে পাঠকৰ ওচৰত বহুপৰিমাণে বেছি চিত্তাকৰ্ষক হয়। ধ্বনিবাদীসকলে এই ধ্বনিকেই শ্ৰেষ্ঠ ধ্বনি বুলি স্বীকাৰ কৰিছে আৰু তেওঁলোকৰ মতে বস্তুধ্বনি আৰু অলঙ্কাৰ ধ্বনি ৰসতেই সমাপ্তি লাভ কৰে। ৰসধ্বনিৰ উদাহৰণ-

*"ঘন ঘন মুৰুচি পৰয় বৰনাৰী।*
*ফোকাৰে শ্বাস নয়নে ঝুৰে বাৰি।*
*কৃষ্ণচৰণ চিন্তিয়ে চিত্ত লাই।*
*ঘন যদুনাথ চিন্তয় পুনু মাই।।"* (ৰুক্মিণীহৰণ নাট)

ইয়াত মুৰুচি (মূৰ্চ্ছা), শ্বাস (উশাহ), নয়নে বাৰি (চকুৰ পানী) আদিৰ সহায়ত বাচ্যাৰ্থৰ মাজেদি বিপ্ৰলম্ভশৃঙ্গাৰৰসৰ ব্যঞ্জনা দিয়া হৈছে আৰু এই ব্যঙ্গাৰ্থ বাচ্যাৰ্থতকৈ অধিক মনোগ্ৰাহী হৈ উঠিছে। গতিকে উক্ত কাব্যত ৰসধ্বনিৰ সৃষ্টি হৈছে।

## ৪.৫ ধ্বনিকাব্যৰ বিভাজন

ব্যঙ্গাৰ্থৰ ভিত্তিত ধ্বনি তিনিপ্ৰকাৰৰ হ'লেও প্ৰকৃততে ধ্বনিকাব্য দুবিধ- অভিধামূলক আৰু লক্ষণামূলক। ইয়াৰেই লক্ষণামূলধ্বনি কাব্যত বাচ্যাৰ্থ কবিৰ দ্বাৰা অবিবক্ষিত বা অনভিপ্ৰেত হয় যাৰ বাবে এনেকুৱা ধ্বনিক অবিক্ষিত বাচ্যধ্বনিও বোলে। আনফালে অভিধানমূলক ধ্বনিত বাচ্যাৰ্থটো বক্তাৰ অভিপ্ৰেত হৈও অৰ্থান্তৰৰ অভিব্যঞ্জনা ঘটায়। সেই কাৰণে ইয়াক বিবক্ষিতান্য পৰবাচ্য ধ্বনি বুলিও কোৱা হয়। অবিবক্ষিতবাচ্যধ্বনিক আকৌ দুটা ভাগত ভগোৱা হয়— অৰ্থান্তৰসংক্ৰমিত বাচ্যধ্বনি আৰু অত্যান্ততিৰস্কৃত বাচ্যধ্বনি। যি অবিবক্ষিতবাচ্যধ্বনিত বাচ্যাৰ্থ লক্ষ্যাৰ্থৰ অন্তৰ্ভূক্ত হৈ থাকে তাকেই অৰ্থান্তৰসংক্ৰমিতবাচ্যধ্বনি বোলে। আনফালে যি অবিবক্ষিতবাচ্যধ্বনিত বাচ্যাৰ্থটো সম্পূৰ্ণভাৱে তিৰস্কৃত হৈ থাকে আৰু লক্ষণাৰ সহায়ত বেলেগ এটা অৰ্থৰ উপস্থাপনা কৰা হয় তাকেই অত্যন্ততিৰস্কৃতবাচ্যধ্বনি বোলে। বিবক্ষিতান্যপৰবাচ্যধ্বনিও দুবিধ— অসংলক্ষ্যক্ৰমব্যঙ্গধ্বনি আৰু সংলক্ষ্যক্ৰমব্যঙ্গধ্বনি। যি বিবক্ষিতান্যপৰবাচ্যধ্বনিত বাচ্যাৰ্থ উপলব্ধিৰ ঠিক পিছতে ব্যঙ্গাৰ্থৰ উপলব্ধি হ'লেও দুয়োৰে পূৰ্বাপৰ ক্ৰম পৰিলক্ষিত নহয় তাকেই অসংলক্ষ্য ব্যঙ্গধ্বনি বোলে। আনন্দবৰ্ধনাচাৰ্য্যৰ মতে য'ত শব্দৰ দ্বাৰাই সাক্ষাদ্‌ভাৱে নিবেদিত বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাৱৰ পৰা ৰস আদিৰ জ্ঞান হয় তাকেই অসংলক্ষ্যক্ৰমব্যঙ্গধ্বনি বোলে। আনফালে যি বিবক্ষিতান্যপৰবাচ্য ধ্বনিত বাচ্যাৰ্থৰ পিছত ব্যঙ্গাৰ্থৰ প্ৰতীতি হোৱাৰ ক্ৰমটো বুজা যায় তাকেই সংলক্ষ্যক্ৰমব্যঙ্গধ্বনি বোলে।

লক্ষণামূলক ধ্বনিৰ উদাহৰণ-

*"শুনিয়ো লক্ষ্মণ দশৰথ সুত*
*ৰামৰ কনিষ্ঠ ভাই।*
*অসোধনে কেন স্বামীক নিন্দাহা*
*আমাৰ কৰ্ম্মক পাই।।"* (ৰামায়ণ)

ইয়াত 'দশৰথসুত' পদটোৱে দশৰথৰ আন আন পুত্ৰক নুবুজাই লক্ষ্মণক বুজাইছে। তদুপৰি 'ৰামৰ কনিষ্ঠ ভাই' পদটোৱেও ভৰতাদিক নুবুজাই কেৱল লক্ষ্মণকেই বুজাইছে। এই পদ দুটাৰ মাধ্যমত ব্যঞ্জিত হোৱা অৰ্থ হ'ল যে লক্ষ্মণ দশৰথৰ পুত্ৰ হোৱা বাবে দশৰথত গুণাবলী তেওঁৰ চৰিত্ৰত আছে। আকৌ ৰামৰ কনিষ্ঠ ভাই হোৱা কাৰণে ৰামচন্দ্ৰৰ গুণাবলীও লক্ষ্মণৰ চৰিত্ৰত বিৰাজমান। গতিকে তেনেকুৱা লক্ষ্মণৰ দ্বাৰা এই কামটো (সুগ্ৰীৱক ভৰ্ৎসনা) কৰা যুক্তিযুক্ত হোৱা নাই। ইয়াত 'দশৰথসুত' আৰু 'ৰামৰ কনিষ্ঠ ভাই' এই শব্দ দুটাৰ বাচ্যাৰ্থ বা অভিধেয়াৰ্থ কবিৰ অভিপ্ৰেত নহয়। গতিকে লক্ষণাৰ সহায়ত উক্ত অভিধেয়াৰ্থৰ লগত সঙ্গতি ৰাখি দশৰথৰ গুণাৱলী তথা ৰামচন্দ্ৰৰ গুণাৱলী থকা লক্ষ্মণক বুজোৱা হৈছে। আৰু ইয়াৰ দ্বাৰা ব্যঞ্জিত অৰ্থ মনোৰম হৈ উঠিছে। গতিকে এইটো লক্ষণমূলক ধ্বনি। তদুপৰি উক্ত কাব্যাংশত বাচ্যাৰ্থটো সম্পূৰ্ণভাৱে আঁতৰি নগৈ লক্ষ্যাৰ্থৰ ভিতৰত সোমাই গৈছে। সেই কাৰণে ইয়াত অৰ্থান্তৰসংক্ৰমিত বাচ্যধ্বনি পোৱা গৈছে।

অভিধামূলক ধ্বনিৰ উদাহৰণ-

*"পুবৰে ৰ'দতে চিক্-মিক্ কৰিছে*  
*লুইতৰ পাৰৰে বালি।*  
*আকাশত উঠিছে তেনে চিকেমিকাই*  
*কালি জাকৰে লালি।।"* (মালতীঃ লক্ষ্মীনাথ বেজবৰুৱা)

ইয়াত প্ৰত্যেকটো পদেই নিজৰ নিজৰ অভিধেয়াৰ্থৰ মাজেদি ৰসৰ ব্যঞ্জনা আনিছে। ইয়াত অভিধা শক্তিয়ে বলবৎ হোৱা কাৰণে এইটো অভিধামূলক ধ্বনি। তদুপৰি ইয়াত পদসমূহৰ অভিধেয়াৰ্থ কবিৰ অভিপ্ৰেত বা বিবক্ষিত যাৰ বাবে ইয়াক বিৱক্ষিতান্যপৰবাচ্যধ্বনিও বোলা যায়। এই সকলো ধ্বনিৰেই আকৌ বহুপ্ৰকাৰৰ উপবিভাগ স্বীকাৰ কৰিছে আলঙ্কাৰিকসকলে।

আনন্দৱৰ্ধন, অভিনৱগুপ্তৰ চৰণাঙ্ক অনুসৰণ কৰি পৰৱৰ্তী মম্মটভট্ট আদি আলঙ্কাৰিকেও ধ্বনিৰ মাহাত্ম্য ব্যক্ত কৰি তেওঁলোকৰ কাব্যপ্ৰকাশ আদি অমৰ গ্ৰন্থৰ উপস্থাপনা কৰিছে। কিন্তু অনুমানবাদীসকলে ধ্বনিৰ মাহাত্ম্য স্বীকাৰ কৰা নাই। মম্মভট্ট আদি অনুমানবাদীসকলৰ মতে সকলো ধ্বণৰ ধ্বনিয়েই অনুমানৰ অন্তৰ্গত। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথা হ'ল কাব্যত ব্যঞ্জনাৰ দ্বাৰা পোৱা অৰ্থটো কেতিয়াও অনুমানৰ দ্বাৰা লাভ কৰা অৰ্থ হ'ব নোৱাৰে।

আত্মমূল্যায়ন **প্ৰশ্ন**

ধ্বনিকাব্য বুলিলে কি বুজায় ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

## ৪.৬ সাৰাংশ (Summing Up)

য'ত শব্দ আৰু বাচ্যৰ অৰ্থ গৌণভাৱে থাকি এক প্ৰতীয়মান অৰ্থ বা ব্যঙ্গাৰ্থ অভিব্যক্ত কৰে তাকে ধ্বনি কাব্য বোলা হয়। ধ্বনিৰ দ্বাৰাই সবাতোকৈ সুন্দৰ আৰু হৃদয় গ্ৰাহী অৰ্থ পাব পাৰি বাবে ধ্বনিবাদী আলংকাৰিকসকলে ধ্বনিকে কাব্যৰ আত্মা বুলি কৈছে। ধ্বনিক লৈ আলংকাৰিকসকলৰ মাজত যথেষ্ঠ মতাদৰ্শ আছে। এই বিভাগটিত এই দিশবোৰৰ বিষয়ে আলোকপাত কৰা হৈছে।

## ৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। ধ্বনি বুলিলে কি বুজায়? আলোচনা কৰক।

২। শব্দশক্তি বুলিলে কি বুজায়? ইয়াৰ প্ৰকাৰবোৰ কি কি আলোচনা কৰক।

৩। ধ্বনিবিৰোধী দলবোৰ কি কি?

৪। ব্যঙ্গ্যাৰ্থৰ ভিত্তিত ধ্বনিক কি কি ভাগত ভগোৱা হৈছে উদাহৰণৰ সৈতে আলোচনা কৰক।

৫। ধ্বনিৰ বৈশিষ্ট্য উল্লেখ কৰি ইয়াৰ প্ৰকাৰভেদ আলোচনা কৰক।

৬। আনন্দবৰ্ধনৰ মতে কাব্যৰ সংজ্ঞা কি? আলোচনা কৰক।

## ৪.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Reading)


| | | |
|---|---|---|
| ড° মুকুন্দ মাধৱ শৰ্মা | ঃ | ধ্বনি আৰু ৰসতত্ত্ব |
| যতীন বৰা | ঃ | ছন্দ, ধ্বনি আৰু অলঙ্কাৰজ্ঞ |
| তীৰ্থনাথ শৰ্মা | ঃ | সাহিত্য-বিদ্যা পৰিক্ৰমা |
| ত্ৰৈলোক্যনাথ গোস্বামী | ঃ | নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য |
| মনোৰঞ্জন শাস্ত্ৰী | ঃ | সাহিত্য দৰ্শন |
| S.K. Dey | ঃ | Sanskrit Poetics |


●●●

## পঞ্চম বিভাগ
# ধ্বনিবাদী আচাৰ্য্যসকলৰ কৃতি

**বিভাগৰ গঠন ঃ**


৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ ধ্বনিৰ স্বৰূপ
৫.৪ ধ্বনিবাদৰ প্ৰভাৱ
৫.৫ ধ্বনিবাদী আচাৰ্য্যসকলৰ কৃতি আৰু ধ্বনিবাদৰ প্ৰভাৱ
৫.৬ ধ্বনি বিৰোধীসকল
৫.৭ সাৰাংশ (Summing Up)
৫.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৫.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Reading)


## ৫.১ ভূমিকা (Introduction)

ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰৰ ইতিহাসত ধ্বনিতত্ত্বই বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰত আনন্দবৰ্দ্ধনে পোন প্ৰথমবাৰৰ বাবে ধ্বনিতত্ত্ব প্ৰতিপাদন কৰি সাহিত্য শাস্ত্ৰত এক নৱযুগৰ সূচনা কৰে। প্ৰাচীন সাহিত্যত এই গৰাকী আলঙ্কাৰিকক শ্ৰীৰাজানক আনন্দবৰ্দ্ধণাচাৰ্য্য বুলি অভিহিত কৰা পৰম্পৰা দেখা যায়। আনন্দবৰ্দ্ধন কাশ্মীৰ নৃপতি অৱন্তিবৰ্মাৰ সভাপণ্ডিত আছিল। কলহনৰ 'ৰাজতৰঙ্গিনী' গ্ৰন্থত এই সম্বন্ধে তথ্য উপলব্ধ হয়। অৱন্তীবৰ্মাই ৮৫৫ খৃষ্টাব্দৰ পৰা ৮৮৪ খৃষ্টাব্দলৈ ৰাজত্ব কৰিছিল। সেয়ে আনন্দবৰ্দ্ধনৰ আৰ্বিভাৱ কাল খৃষ্টীয় নৱম শতিকাৰ মাজভাগ বলি ভাবিব পৰা যায়। আনন্দবৰ্দ্ধনে 'ধ্বন্যালোক' নামৰ গ্ৰন্থখনত ধ্বনিতত্ত্ব প্ৰতিষ্ঠা কৰে। 'ধ্বন্যালোক' গ্ৰন্থখনৰ 'কাব্যালোক', 'সহৃদয়ালোক', 'সহৃদয়', 'হৃদয়ালোক', 'সহৃদয়াৰলোক' এই নামান্তৰ সমূহ পৰম্পৰাক্ৰমে উপলব্ধ হয় যদিও বৰ্তমান 'ধ্বন্যালোক' নামটো সৰ্বজন বিদিত তথা স্বীকৃত। ধ্বনি + আলোক = ধ্বন্যালোক এইদৰে 'ধ্বন্যালোক' শব্দ গঠিত হৈছে। আলোকৰ অৰ্থ হৈছে পোহৰ, গতিকে ধ্বনিতত্ত্বৰ ক্ষেত্ৰত পোহৰ বিলোৱা অৰ্থত 'ধ্বন্যালোক' নামটো যথাৰ্থ হৈছে বুলি ক'ব পৰা যায়। সংস্কৃত ভাষাত বিৰচিত 'ধ্বন্যালোক' গ্ৰন্থখন চাৰিটা 'উদ্যোত'ত বিভক্ত। উদ্যোত শব্দই ইয়াত অধ্যায় সূচাইছে। 'ধ্বন্যালোক'ৰ আলোক শব্দৰ সৈতে সঙ্গতি ৰাখি উদ্যোত (যাৰ অৰ্থ জিলিকণি) ৰখা হৈছে। গ্ৰন্থখন কাৰিকা আৰু বৃত্তি এই দুটা ভাগত উপলব্ধ হয়। গ্ৰন্থখন সৰ্বমুঠ ১১৬টা কাৰিকা আছে। প্ৰায় প্ৰত্যেক কাৰিকাৰ লগতে গদ্যত ৰচনা একোটা বৃত্তি উপলব্ধ হয়। একাংশ পণ্ডিতৰ মতে কাৰিকাসমূহৰ ৰচনাকাৰ এজন ব্যক্তি যাৰ নাম (হয়তো) আছিল সহৃদয় আৰু এওঁক ধ্বনিকাৰ বুলি কোৱা হয়। আনহাতে বৃত্তিৰ ৰচনাকাৰ গৰাকী হৈছে আনন্দবৰ্দ্ধন। কিন্তু

অধিকাংশ পণ্ডিতে এই অভিমত খণ্ডন কৰি আনন্দবৰ্দ্ধনকে কাৰিকা আৰু বৃত্তিৰ ৰচনাকাৰ বুলি স্বীকাৰ কৰে। 'ধ্বন্যালোক'ৰ প্ৰাচীন কালৰে পৰা দুখন টীকাৰ নাম উপলব্ধ হয় 'চন্দ্ৰিকা' আৰু 'লোচন' টীকা। 'চন্দ্ৰিকা' টীকা বৰ্তমান বিলুপ্ত। 'লোচন' টীকাৰ ৰচক হৈছে অভিনৱগুপ্ত। কাশ্মীৰীয় পণ্ডিত অভিনৱগুপ্তই ভৰতৰ 'নাট্যশাস্ত্ৰ'ৰ ওপৰত অভিনৱ ভাৰতী নামৰ প্ৰসিদ্ধ টীকা লিখিছিল। অভিনৱগুপ্তৰ আবিৰ্ভাৱ কাল খৃষ্টীয় একাদশ শতিকা।

## ৫.৩ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- ধ্বনিৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব,
- সাহিত্যত ধ্বনিৰ প্ৰভাৱ বুজাব পাৰিব,
- ধ্বনিবাদী আচাৰ্য্যসকলৰ কৃতি সম্পৰ্কে বিচাৰ কৰিব পাৰিব,
- ধ্বনি বিৰোধীসকলৰ বিষয়ে জানিব পাৰিব।

## ৫.৩ ধ্বনিৰ স্বৰূপ

আনন্দবৰ্ধনে 'ধ্বন্যালোক' গ্ৰন্থত ধ্বনিৰ স্বৰূপ প্ৰতিপাদন কৰাৰ মানসেৰে সাহিত্য সমালোচনাৰ ধাৰা এটিও প্ৰৱৰ্তন কৰে। আনন্দবৰ্দ্ধনে গ্ৰন্থখনত কেৱল তাত্ত্বিক আলোচনাতে আৱদ্ধ নাথাকি বিশিষ্ট মহাকবিসকলৰ ৰচনাত সেই সমালোচনাৰ ধাৰাৰ প্ৰয়োগ কৰি দেখুৱাইছে। আনন্দবৰ্দ্ধনে সাহিত্য শাস্ত্ৰত সমালোচনাৰ ধাৰা এটি প্ৰদৰ্শন কৰি গৈছে। সেয়ে পণ্ডিতৰাজ জগন্নাথে 'ৰসগঙ্গাধৰ' গ্ৰন্থত ধ্বনিকাৰে সকলো আলঙ্কাৰিকৰ বাবে সাহিত্য সমালোচনাৰ প্ৰশস্ত ধাৰা প্ৰৱৰ্তন কৰা বুলি উল্লেখ কৰিছে—"ধ্বনিকাৰস্য সকলালঙ্কাৰিকসৰণি ব্যৱস্থাপকত্বাৎ।"

আনন্দবৰ্দ্ধনে ধ্বনিৰ স্বৰূপ বিচাৰ কৰিবলৈ গৈ প্ৰথম উদ্যোতৰ প্ৰথম কাৰিকাতে স্পষ্টভাৱে কৈছে যে, পূৰ্বতে পণ্ডিতসকলে এই তত্ত্ব প্ৰতিপাদন কৰি গৈছিল, মাত্ৰ প্ৰতিপক্ষসকলৰ মত খণ্ডন কৰাৰ উদ্দেশ্যে ধ্বনিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ গৈছে। প্ৰতিপক্ষ সকলক তেওঁ তিনিভাগত ভাগ কৰিছে। এচাম আছে যি সকলে ধ্বনি নাই বুলি ভাৱে; অৰ্থাৎ তেওঁলোক হ'ল অভাৱবাদী, আকৌ যি সকলে ধ্বনিক ভক্তি বা লক্ষণাৰ অন্তৰ্ভুক্ত কৰি দেখুৱাই ধ্বনিৰ অৰ্থক লাক্ষণিক বুলি ক'ব খোজে তেওঁলোক হ'ল ভক্তিবাদী বা ভাক্তবাদী, আকৌ যি সকলে ধ্বনিক অনিৰ্বচনীয় বা বুজাব নোৱাৰা কিবা এটা বুলি ক'ব খোজে তেওঁলোক অনিৰ্বচনীয়তাবাদী—

কাব্যস্যাত্মা ধ্বনিৰীতি বুধৈৰ্য়ঃ সমাম্নাতপূৰ্ব-
স্তস্যাভাৱং জগদুৰপৰে ভাক্তমাহুস্তমন্যে

কেচিদ্ ৰাচাং স্থিতমবিষয়ে তত্ত্বমুচুস্তদীয়ং
তেন ব্রূমঃ সহৃদয়মনঃ প্রীতয়ে তৎস্বৰূপম।।
(ধ্বন্যালোক, ১-১)

আনন্দবৰ্দ্ধনৰ মতে ধ্বনি এবিধ কাব্য। এই কাব্যত এটি ব্যঙ্গ্য অৰ্থ প্ৰধান হৈ থাকে। কাব্যত অৰ্থটোহে প্ৰধান বস্তু। যি অৰ্থ সহৃদয় গৰাকীৰ মনত আনন্দ দিয়ে সিয়ে কাব্যৰ আত্মা। সেই অৰ্থৰ দুটা ভেদ— বাচ্য আৰু প্ৰতীয়মান।

য়োহৰ্থঃ সহৃদয়শ্ৰাঘ্যঃ কাব্যাত্মেতি ব্যৰস্থিতঃ
ৰাচ্যপ্ৰতীয়মানাখ্যৌ তস্য ভেদাবুভৌ স্মৃতৌ।।
(ধ্বন্যালোক, ১-১)

কাব্যত অৰ্থ তিনি প্ৰকাৰৰ বাচ্য, লক্ষ্য আৰু ব্যঙ্গ্য। বাচ্য অৰ্থক মুখ্য অৰ্থ, অভিধেয়াৰ্থ শব্দ্যাৰ্থ অথবা সংকেতিতাৰ্থ বুলিও জনা যায়। বাচক শব্দৰ পৰা বাচ্যাৰ্থ লাভ হয়। মুখ্য অৰ্থটোৱে কেতিয়াবা বাক্যত অৰ্থ দিবলৈ অপাৰগ হয় অৰ্থাৎ বাধিত হ'লে মুখ্যাৰ্থৰ লগত সম্বন্ধ থকা যি অৰ্থ মানি লোৱা হয় তাক লক্ষাৰ্থ বা লাক্ষণিক অৰ্থ বুলি কোৱা হয়। কেতিয়াবা বাক্যত বাচ্যাৰ্থ আৰু লক্ষ্যাৰ্থতকৈ অতিৰিক্ত আৰু এটা অৰ্থ উপলব্ধ হয় তাক ব্যঙ্গাৰ্থ বা প্ৰতীয়মানাৰ্থ বুলি কোৱা হয়। এই ব্যঙ্গাৰ্থ বা প্ৰতীয়মানাৰ্থ যেতিয়া কাব্যত অধিক চমৎকাৰ পূৰ্ণৰূপত অভিব্যঞ্জিত হ'লে তেতিয়া ধ্বনিকাব্য হৈ উঠে। অনন্দবৰ্দ্ধনৰ মতে এই ধ্বনি তিনি প্ৰকাৰৰ— বস্তুধ্বনি, অলঙ্কাৰধ্বনি আৰু ৰসধ্বনি। আনন্দবৰ্দ্ধনৰ পৰৱৰ্তী আলঙ্কাৰিক বিশ্বনাথ কবিৰাজ প্ৰভৃতি আলঙ্কাৰিকসকলে কাব্যৰ আত্মা হিচাবে বস্তুধ্বনি অথবা অলঙ্কাৰ ধ্বনিক স্বীকাৰ কৰি লোৱা নাই। তেওঁলোকে ৰসধ্বনিক কাব্যৰ আত্মা হিচাবে স্বীকাৰ কৰিছে। অৱশ্যে আনন্দবৰ্দ্ধনে এই তিনি প্ৰকাৰ ধ্বনিৰ ওপৰতে গুৰুত্ব আৰোপ কৰিছে। 'ধ্বন্যালোক'ৰ দ্বিতীয় উদ্যোতৰ দ্বিতীয় কাৰিকাত আৰু তাৰ বৃত্তিত আনন্দবৰ্দ্ধনে কৈছে যে প্ৰধানভাৱে প্ৰকাশ পোৱা অৰ্থই কাব্যৰ আত্মা (মুখ্যতয়া প্ৰকাশ মানো ব্যঙ্গাৰ্থো ধ্বনেৰাত্মা)।

'ধ্বন্যালোক'ৰ প্ৰথম উদ্যোতৰ পঞ্চম কাৰিকাত আনন্দবৰ্দ্ধনে তৃতীয়বিধ ব্যঙ্গাৰ্থ অৰ্থাৎ ৰসাদিৰ প্ৰসঙ্গত কৈছে যে সেই অৰ্থই কাব্যৰ আত্মা (কাব্যস্যাত্মা স এবাৰ্থ) এই কাৰিকাৰ বৃত্তিত কৈছে যে ব্যঙ্গ্য অৰ্থৰ আৰু দুটা ভেদ আছে যদিও সকলো প্ৰকাৰৰ ভিতৰত ৰসাদি নামৰ ভেদটো প্ৰধান আৰু উপলক্ষণৰ সহায়ত ৰসাদিৰ উল্লেখেৰে বাকী দুবিধকো বুজোৱা হৈছে (প্ৰতীয়মানস্য চান্যভেদ দৰ্শ্যনহপি ৰসভাৱমুখেনৈৱোপলক্ষণ প্ৰাধান্যাৎ)। গতিকে ক'ব পৰা যায় যে ধ্বনিৰ আত্মা হিচাবে গ্ৰহণ কৰিবলৈ তিনিওবিধ ব্যঙ্গ্য অৰ্থকে একে পৰ্য্যয়তে ধৰিছে যদিও দৰাচলতে ৰসৰেই সৰ্ব প্ৰধান্য স্বীকাৰ কৰা হৈছে।

**জানি থওঁ আহক**

আনন্দবৰ্দ্ধন ধ্বনি সিদ্ধান্তৰ প্ৰতিস্থাপক। শ্ৰীৰাজান বুলিলে আনন্দবৰ্দ্ধনকে বুজা যায়। ধ্বন্যালোক, কাব্যালোক, সহৃদয়ালোক, সহৃদয়াৰলোক 'ধ্বন্যালোক'ৰে নাম। বিভাগসমূহক উদ্যোত বুলি কোৱা হয়। 'ধ্বন্যালোক'ৰ ওপৰত অভিনৱগুপ্তই ৰচনা কৰা টীকাৰ নাম 'লোচন'।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। কাব্যৰ অৰ্থ কেই প্ৰকাৰ আৰু কি কি? (৪০টা মান শব্দৰ ভিতৰত লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

২। ধ্বনিৰ বিৰোধীসকলক কি কি ভাগত ভাগ কৰা হৈছে? (৫০টা মান শব্দৰ ভিতৰত লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

## ৫.৪ ধ্বনিবাদৰ প্ৰভাৱ

ভাৰতীয় কাব্যশাস্ত্ৰৰ সিদ্ধান্তসমূহক কালক্ৰমানুসৰি যদি চাবলৈ যাওঁ তেতিয়াহ'লে সেইসমূহ এইদৰে পাব পৰা যায়—

* ধ্বনিৰ পূৰ্বৱৰ্তী সিদ্ধান্তসমূহ- ৰস, অলঙ্কাৰ আৰু ৰীতি
* ধ্বনি সিদ্ধান্ত
* ধ্বনিৰ পৰৱৰ্তী সিদ্ধান্ত— বক্ৰোক্তি আদি ধ্বনিবিৰোধী সিদ্ধান্ত আৰু ঔচিত্য সিদ্ধান্ত।

আনন্দবৰ্দ্ধনৰ আবিৰ্ভাৱ কাল খৃষ্টীয় নৱম শতিকাৰ মাজ ভাগ বুলি কোৱা হয়। আনন্দবৰ্দ্ধনৰ আবিৰ্ভাৱৰ পূৰ্বত অলঙ্কাৰ শাস্ত্ৰৰ বিশাল ক্ষেত্ৰখনত ৰস সিদ্ধান্ত, অলঙ্কাৰ সিদ্ধান্ত আৰু ৰীতি সিদ্ধান্তই সুকীয়া স্থান লাভ কৰিছিল। আনন্দবৰ্ধনে পূৰ্বৰ ৰসাদি সিদ্ধান্তসমূহক ধ্বনিৰ অন্তৰ্গত কৰিলে। অলঙ্কাৰ, গুণ, ৰীতি আদিয়ে কাব্যৰ বহিৰঙ্গৰ দিশটো সামৰি লৈছিল। শব্দৰ মুখ্যাৰ্থ প্ৰকাশৰ উপৰিও আন অন্তঃৰ্নিহিত শক্তি প্ৰকাশ কৰাৰ শক্তি আছে— এই কথাৰ ওপৰত অলঙ্কাৰবাদী অথবা গুণ-ৰীতিবাদী সকলে গুৰুত্ব প্ৰদান কৰা নাছিল। আনন্দবৰ্দ্ধনে বিশেষভাৱে কাব্যত শব্দৰ আভ্যন্তৰীণ অৰ্থৰ অনুসন্ধান কৰিছিল। ৰসৰ অভিব্যঞ্জনাৰ দৃষ্টিৰে কাব্যৰ ব্যাখ্যা কৰিছিল। অভিব্যঞ্জিত ৰসৰ অধীনত অলঙ্কাৰ, গুণ, ৰীতি আদিক স্থান দিছিল। আনন্দবৰ্দ্ধনে ৰসৰ ধাৰণা মূলতঃ ভৰতৰ পৰা লাভ কৰিছিল যদিও এই প্ৰত্যয়ক নাটকৰ পৰা কাব্যৰ পৰিসৰলৈ সম্প্ৰসাৰিত কৰিছিল।

আনন্দবৰ্দ্ধনৰ আৰ্বিভাৱৰ পাছত ধ্বনিবাদৰ সমৰ্থনত আৰু বিপক্ষত অভিমত আগবঢ়োৱা আলঙ্কাৰিকসকলক দেখা গ'ল। সমৰ্থকসকলৰ ভিতৰত অভিনৱগুপ্ত, ক্ষেমেন্দ্ৰ, মম্মটাচাৰ্য্য, ৰুয্যক, হেমচন্দ্ৰ, বিশ্বনাথ কবিৰাজ, পণ্ডিতৰাজ জগন্নাথ আদি বিশেষভাৱে উল্লেখযোগ্য।

আনহাতে ধ্বনিবিৰোধী আলঙ্কাৰিকসকলে ধ্বনিক অস্বীকাৰ কৰি অভিমত আগবঢ়োৱা দেখা যায়। ধ্বনি-বিৰোধীসকলৰ ভিতৰত প্ৰতিহাৰেন্দুৰাজ, কুন্তক, ভট্টনায়ক, মহিমভট্ট, ধনঞ্জয় প্ৰভৃতি আলঙ্কাৰিক সকলৰ নাম বিশেষভাৱে উল্লেখ কৰিব পৰা যায়।

## ৫.৫ ধ্বনিবাদী আচাৰ্য্যসকলৰ কৃতি আৰু ধ্বনিবাদৰ প্ৰভাৱ

### ৫.৫.১ অভিনৱগুপ্ত

অভিনৱগুপ্ত ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰত বহু প্ৰতিভাসম্পন্ন সুপ্ৰসিদ্ধ আলঙ্কাৰিক। অভিনৱগুপ্তই ভাৰতীয় কাব্যশাস্ত্ৰৰ সমালোচনা ক্ষেত্ৰত এক সুকীয়া মৰ্যাদা লাভ কৰি আহিছে। কাশ্মীৰ প্ৰদেশ নিবাসী মূলতঃ দাৰ্শনিক অভিনৱগুপ্ত কাশ্মীৰৰ শৈৱাচাৰ্য্যসকলৰ অন্যতম এগৰাকী সুখ্যাতিসম্পন্ন আচাৰ্য্য। প্ৰত্যভিজ্ঞা দৰ্শনৰ মৌলিক আচাৰ্য্য হোৱা হেতুকে পৰম-মাহেশ্বৰাচাৰ্য্য উপাধিৰে বিভূষিত হৈছিল। অভিনৱগুপ্তই গ্ৰন্থসমূহত নিজৰ পিতৃ-মাতৃ তথা গুৰুসকলৰ বিষয়ে কিছু তথ্য আগবঢ়াই থৈ গৈছে। অভিনৱগুপ্তৰ পিতৃৰ নাম নৃসিংহগুপ্ত তথা চুখল আৰু মাতৃৰ নাম বিমলা আছিল। অভিনৱগুপ্তৰ আৰ্বিভাৱ কাল আনুমানিক ৯৫০-১১৭০ খৃষ্টাব্দৰ কালছোৱা বুলি ভৰা হয়। অভিনৱগুপ্ত তন্ত্ৰ, স্তোত্ৰ, দৰ্শন তথা অলঙ্কাৰ শাস্ত্ৰত কেইবাখনো প্ৰসিদ্ধ গ্ৰন্থ আগবঢ়াই থৈ যায়। অভিনৱগুপ্তৰ 'তন্ত্ৰলোক' তন্ত্ৰসিদ্ধান্তৰ বিশ্বকোষ তুল্য গ্ৰন্থ। ভৰতৰ 'নাট্যশাস্ত্ৰ'ৰ ওপৰত সুপ্ৰসিদ্ধ 'অভিনৱ ভাৰতী' টীকা ৰচনা কৰে। ভৰতৰ 'নাট্যশাস্ত্ৰ'ত প্ৰতিপাদিত সুপ্ৰসিদ্ধ 'ৰসসূত্ৰ'ৰ ওপৰত অভিনৱ ভাৰতীৰ ব্যাখ্যা 'অভিব্যক্তিবাদ' নামে প্ৰসিদ্ধ আৰু এই অভিমত আধুনিক সমালোচকসকলেও বিজ্ঞানসন্মত বুলি স্বীকৃতি দিয়ে। আনন্দবৰ্দ্ধনৰ 'ধ্বন্যালোক'ৰ ওপৰত অভিনৱগুপ্তই লিখা সুপ্ৰসিদ্ধ টীকা হৈছে 'লোচন' টীকা। আনন্দবৰ্দ্ধনৰ এই গ্ৰন্থখনক উক্ত টীকাই এক উচ্চ মানদণ্ড দান কৰে। 'ধ্বন্যালোক'ৰ অধ্যয়ন তথা সমীক্ষাৰ বাটত এই টীকা প্ৰদীপতুল্য। অভিনৱগুপ্ত কৃত 'লোচন' টীকাৰ কেইবাটাও নাম উপলব্ধ হয়— 'সহৃদয়ালোকলোচন', 'ধ্বন্যালোকলোচন' তথা 'কাব্যলোকলোচন'। টীকাৰ নাম 'লোচন' সন্দৰ্ভত কোনো কোনোৱে 'আলোচন' বুলি কৰা সংশয়ুত টীকাকাৰে ধ্বন্যালোকৰ প্ৰথম উদ্যোতৰ তথা তৃতীয় উদ্যোতৰ অন্তত কৈছে—

কিং লোচনং বিনালোকো ভাতি চন্দ্ৰিকয়াপি হি।
তেনাভিনৱগুপ্তোত্ৰ লোচনোন্মীলনং বধ্যাৎ।।

অভিনৱগুপ্তৰ পৰৱৰ্তী মম্মটাচাৰ্য্য, বিশ্বনাথ কবিৰাজ আদি আলঙ্কাৰিকসকলে 'লোচন' টীকাৰ আধাৰতে আনন্দবৰ্দ্ধনৰ 'ধ্বন্যালোক'ক অনুসৰণ কৰিছিল। দৰাচলতে

ব্যাকৰণ শাস্ত্ৰত পতঞ্জলিৰ 'মহাভাষ্য', বেদান্ত দৰ্শনত শাঙ্কৰভাষ্যৰ যি স্থান অলঙ্কাৰ শাস্ত্ৰত অভিনৱগুপ্তৰ 'লোচন' টীকাৰ সেই স্থান বুলি কব পৰা যায়। 'লোচন'ত অভিনৱগুপ্তই 'ধ্বন্যালোক'ৰ উপৰিও কেইবাগৰাকীও গ্ৰন্থকাৰ তথা গ্ৰন্থৰ নাম উল্লেখ কৰা দেখা যায়। সেইসমূহৰ ভিতৰত 'ইন্দুৰাজ' (বহুলভাৱে উদ্ধৃত), 'উৎপল', 'ভট্টজয়ন্তক তথা কাদম্বৰীকথা সাৰ', 'ভট্টতৌত তথা কাব্যকৌতুক', 'কুমাৰিলভট্ট', 'দণ্ডী', 'ভতৃহৰি', 'ৰৎসৰাজচৰিত', 'বামন', 'স্বপ্নবাসবদত্তা', 'হৃদয়দৰ্পণ' ইত্যাদি। প্ৰসঙ্গক্ৰমে অনেক স্বৰচিত শ্লোকৰ উদ্ধৃতি দিছে। তেনেদৰে অভিনৱগুপ্তৰ গুৰু ভট্টতৌতৰ নাম তথা গুৰুকৃত গ্ৰন্থ কাব্যকৌতুকৰ উল্লেখ কৰিছে। অভিনৱগুপ্তই 'তন্ত্ৰালোক' গ্ৰন্থৰ ৰচনাৰ পাছত 'লোচন'টীকা ৰচনা কৰে। 'লোচন' টীকা ৰচনা কালত 'ধ্বন্যালোক'ৰ ওপৰত 'চন্দ্ৰিকা'টীকা বিদ্যমান আছিল। এই টীকাখনৰ ৰচনাকাৰ অভিনৱগুপ্তৰ কোনো পূৰ্বজ আছিল। 'লোচন' টীকাত অনেক স্থলত 'চন্দ্ৰিকা' টীকাৰ উল্লেখ তথা অভিমতৰ খণ্ডন উপলব্ধ হয়। কিন্তু বৰ্তমান 'চন্দ্ৰিকা' টীকা উপলব্ধ নহয়।

### ৫.৫.২ ক্ষেমেন্দ্ৰ

কাশ্মীৰ নিবাসী ক্ষেমেন্দ্ৰ এগৰাকী খ্যাতনামা আলঙ্কাৰিক হোৱাৰ উপৰিও এগৰাকী সুপ্ৰতিষ্ঠিত মহাকবি। ক্ষেমেন্দ্ৰৰ আৰ্বিভাৱ কাল একাদশ শতিকাৰ মাজভাগ বুলি কোৱা হয়। কিয়নো ক্ষেমেন্দ্ৰই তেওঁৰ ৰচনা 'সময়মাতৃকা'ৰ ৰচনা কাল ১০৫০ খৃষ্টাব্দ বুলি নিজেই উল্লেখ কৰিছে। গতিকে গ্ৰন্থকাৰৰ আৰ্বিভাৱ কাল নিশ্চয় একাদশ শতিকাৰ মধ্যভাগ হ'ব। ক্ষেমেন্দ্ৰৰ 'সুবৃত্ততিলক' ছন্দশাস্ত্ৰৰ ওপৰত ৰচিত এখন প্ৰসিদ্ধ গ্ৰন্থ। ইয়াৰোপৰি 'ৰামায়ণ-মঞ্জৰী' আৰু 'বৃহৎকথা মঞ্জৰী' ক্ষেমেন্দ্ৰৰ উল্লেখনীয় কৃতি। অলঙ্কাৰ শাস্ত্ৰৰ ওপৰত ৰচনা কৰা ক্ষেমেন্দ্ৰৰ প্ৰসিদ্ধ গ্ৰন্থ দুখন হৈছে 'কবিকণ্ঠাভৰণ' আৰু 'ঔচিত্যবিচাৰচৰ্চা'। 'কবিকণ্ঠাভৰণ'ত ৫৫টা কাৰিকাত কবিশিক্ষাৰ ওপৰত আলোকপাত কৰা হৈছে। 'ঔচিত্যবিচাৰচৰ্চা' ক্ষেমেন্দ্ৰৰ মৌলিক তথা অনন্য কৃতি। কাৰিকা আৰু বৃত্তি এই দুয়োটাৰূপত গ্ৰন্থখন উপস্থাপিত কৰা হৈছে। এই গ্ৰন্থখনৰে ক্ষেমেন্দ্ৰই অলঙ্কাৰ শাস্ত্ৰত এটা নতুন সম্প্ৰদায়ৰ সৃষ্টি কৰে যি ঔচিত্য সম্প্ৰদায়, ঔচিত্য সিদ্ধান্ত, ঔচিত্যতত্ত্ব বা ঔচিত্যবাদ ৰূপে প্ৰসিদ্ধি লাভ কৰে।

অলঙ্কাৰশাস্ত্ৰত ঔচিত্যৰ ধাৰণা এক প্ৰাচীন আদৰ্শ। 'নাট্যশাস্ত্ৰ'কাৰ ভৰতেই এই ঔচিত্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। উচিতস্য ভাৱঃ ঔচিত্যম্ অৰ্থাৎ উচিতৰ ভাৱ ঔচিত্য। ভৰতৰ মতে নাটকৰ মুখ্য বস্তু ৰস, সেয়ে গীত, সংলাপ, নৃত্য প্ৰভৃতি সকলো ৰসৰ সমুচিত হ'ব লাগে। যথাস্থানত সেইসমূহৰ প্ৰয়োগ নহ'লে আৰ্নৌচিত্যৰ সৃষ্টি হয়। ভৰতে দেশ আৰু অৱস্থাৰ অনুৰূপ বেশ বিন্যাসৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিছিল—

অদেশজো হি বেষস্তু ন শোভাং জনয়িষ্যতি।
মেখলোৰসি বন্ধে চ হাস্যায়ৈবোপজায়তে।।

(নাট্যশাস্ত্ৰ, ২৩/৬৯)

ভৰতৰ পৰৱৰ্তী আলঙ্কাৰিকসকলে এই তত্ত্ব অনুভৱ কৰিছিল। ক্ষেমেন্দ্ৰই এই ধাৰণাকে সুদৃঢ়তাৰে প্ৰতিষ্ঠিত কৰিছিল। ক্ষেমেন্দ্ৰই ভৰতৰ এই ধাৰণাকেই প্ৰকাশ কৰিছিল—

কণ্ঠে মেখলয়া নিতম্বফলকে তাৰেণ হাৰেণ বা
পাণৌ নুপূৰবন্ধনেন চৰণে কেয়ূৰপাশেন বা।
শৌৰ্যেণ প্ৰণতে বিপৌ কৰুণয়া নায়ান্তি কে হাস্যতাং
ঔচিত্যেন বিনা ৰুচিং প্ৰতণুতে নালস্কৃতিনো গুণঃ।।

অৰ্থাৎ কণ্ঠত মেখলা, নিতম্বত হাৰ, হাতত নুপূৰ, চৰণত কেয়ূৰ পিন্ধিলে, শৌৰ্য্যৰে প্ৰণত হ'ব লগা শত্ৰুক কৰুণা দেখুৱালে কোন ব্যক্তি হাঁহিয়তৰ পাত্ৰ নহ'ব? ঔচিত্য নহ'লে অলঙ্কাৰ অথবা গুণে আনন্দ দিব নোৱাৰে।

ঔচিত্যৰ অবিহনে কাব্যত অলঙ্কাৰ গুণ আদি কাব্যিক উপাদানৰ আৰশ্যকতা নাথাকে। ঔচিত্যই হৈছে কাব্যৰ প্ৰাণ, ইয়াৰ অবিহনে কাব্য নিৰ্জীৱ। ক্ষেমেন্দ্ৰৰ দ্বাৰা উপস্থাপিত শ্লোক দুটা হ'ল—

কাব্যস্যালমলঙ্কাৰৈঃ কিং মিথ্যাগণিতৈগুণঃ
য়স্য জীৱিতমৌচিত্যং বিচিন্ত্যাপি ন দৃশ্যতে।
অলঙ্কাৰাস্তবলঙ্কাৰা গুণ এব গুণঃ সদা।
ঔচিত্যং ৰসসিদ্ধস্য স্থিৰং কাব্যস্য জীৱিতম্।।

(ঔচিত্যবিচাৰচৰ্চা, ৪-৫)

অৰ্থাৎ যি ৰচনাৰ মাজত বিচাৰিলে কাব্যৰ প্ৰাণস্বৰূপ ঔচিত্য নাথাকে সেই ৰচনাৰ মাজত থকা অলঙ্কাৰ আৰু মিথ্যা গুণ গণনাৰ কি প্ৰয়োজন? অলঙ্কাৰসমূহ আভৰণ আৰু গুণসমূহ বাক্যৰ শোভাকাৰক, কিন্তু ঔচিত্য হ'ল ৰসযুক্ত কাব্যৰ প্ৰাণ।

ঔচিত্যৰ ধাৰণা ব্যাপক। ই কাব্যৰ সকলো সৌন্দৰ্য্যক সামৰি লয়। কাব্যৰ মুখ্য বস্তু ৰস। ৰসৰ অনুকুল হ'ব লাগিব গুণ, অলঙ্কাৰ ৰীতি প্ৰভৃতি। ইয়াৰ অন্যথা হ'লে অনৌচিত্য হ'ব। ঔচিত্যৰ অনুপস্থিতি সকলো প্ৰকাৰ সাহিত্যৰ প্ৰধান দোষ। এই ক্ষেত্ৰত আনন্দবৰ্দ্ধনৰ ধাৰণা উপলব্ধ হয়—

অৰ্নৌচিত্যদৃতে নান্যদ্ ৰসভঙ্গস্য কাৰণম্।
প্ৰসিদ্ধৌচিত্যবন্ধস্তু ৰসস্যোপনিষৎ পৰা।।

(ধ্বন্যালোক, তৃতীয় উদ্যোত)

পূৰ্বৰ আলঙ্কাৰিকসকলৰ ঔচিত্যৰ ধাৰণা আনন্দবৰ্দ্ধনে বিস্তৃতভাৱে আলোচনা কৰিছে। কাব্যত বিভাৱ, অনুভাৱ, ব্যভিচাৰি ভাৱাদি ৰসৰ অনুকুল হ'ব লাগিব। আনন্দবৰ্দ্ধনে শব্দ আৰু অলঙ্কাৰৰো উচিত ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিছে। আনন্দবৰ্দ্ধনে ব্যক্ত কৰিছে যে শৃঙ্গাৰ ৰসৰ ক্ষেত্ৰত কৰ্কশ শব্দ আৰু দীৰ্ঘ সমাস সাধাৰণতে বৰ্জনীয়, তেনেদৰে যমকদি অলঙ্কাৰৰো সঘণ প্ৰয়োগ বৰ্জনীয় শৃঙ্গাৰ ৰসৰ প্ৰসঙ্গত।

ক্ষেমেন্দ্ৰ অভিনৱগুপ্তৰ শিষ্য আছিল। অভিনৱগুপ্ত আনন্দবৰ্দ্ধনৰ 'ধ্বন্যালোক'ৰ প্ৰসিদ্ধ টীকা 'লোচন'ৰ কৰ্তা। গতিকে ক্ষেমেন্দ্ৰৰ হাতত অনন্দবৰ্দ্ধন তথা পূৰ্বজ আলঙ্কাৰিক

সকলৰ ঔচিত্যৰ আদর্শহি প্রতিষ্ঠা লাভ কৰে। আনন্দবর্দ্ধনে ঔচিত্য আদর্শ আলোচনা কৰিছিল যদিও সূত্র আকাৰত উপস্থাপন কৰা নাছিল। সেয়ে ক্ষেমেন্দ্ৰই সূত্র আকাৰত প্রকাশ কৰিছে—

উচিতং প্রাহুৰাচার্য্যাঃ সদৃশং কিল য়স্য য়ৎ।
উচিতস্য চ য়ো ভাৱস্তদৌচিত্যং প্রচক্ষতে।।

ক্ষেমেন্দ্ৰই ঔচিত্যৰ আদর্শক মুখ্য স্থান দিছিল যদিও পৰৱৰ্তী কালত আলঙ্কাৰিক সকলে এই ধাৰণাক স্বীকাৰ কৰে যদিও ইয়াৰ স্থান কাব্য দোষৰ পৰিসৰত ৰখা দেখা যায়। মম্মটে কাব্যদোষৰ পৰিসৰত যিদৰে স্বীকাৰ কৰিছে তেনেদৰে মহিমভট্ট আৰু ভোজৰাজেও সকলো দোষকে অনৌচিত্য বুলি গ্ৰহণ কৰিছে। হেমচন্দ্ৰইও 'কাব্যানুশাসন'ত আনন্দবৰ্দ্ধনৰ দৰে ঔচিত্যৰ অভাৱত ৰসৰ পৰিপুষ্টিত ব্যাঘাত জন্মে বুলি স্বীকাৰ কৰিছে। বিশ্বনাথ কবিৰাজে 'সাহিত্য দর্পন'ত গুণ-দোষৰ বিভাজনৰ ভেটি স্বৰূপে ঔচিত্যৰ আদৰ্শক গ্ৰহণ কৰিছে। এইদৰে দেখা যায় যে ক্ষেমেন্দ্ৰৰ ঔচিত্যৰ আদৰ্শত আনন্দবৰ্দ্ধনাদি পূর্বজসকলৰ প্ৰভাৱ সুস্পষ্ট যদিও পৰবৰ্তী কালত ইয়াৰ স্থান মুখ্য নহৈ গৌণ হৈ পৰা দেখা যায়।

### ৫.৫.৩ মম্মট

মম্মটাচাৰ্য্য আনন্দবৰ্দ্ধনৰ ধ্বনিবাদৰসমৰ্থক সকলৰ ভিতৰত অগ্ৰগণ্য আলঙ্কাৰিক। ধ্বনি বিৰোধীসকলৰ অভিমতসমূহ খণ্ডন কৰি কাব্যশাস্ত্ৰৰ প্ৰায় সকলোবোৰ অঙ্গ সন্নিৱিষ্ট কৰি 'কাব্যপ্ৰকাশ' ৰচনা কৰে। 'কাব্যপ্ৰকাশে' ধ্বনিবাদক এক সুকীয়া মৰ্যাদা প্ৰদান কৰে। 'কাব্যপ্ৰকাশ' ৰচনা কৰিয়েই মম্মটাচাৰ্য্য 'ধ্বনি-প্ৰস্থাপন-পৰমাচাৰ্য্য' উপাধি লাভ কৰে। কাশ্মীৰ প্ৰদেশত জন্ম লাভ কৰা মম্মট 'মহাভাষ্যপ্ৰদীপ'ৰ ৰচয়িতা কৈয়ট তথা ঋক্ প্ৰাতিশাখাৰ ভাষ্যকৰ উৱটৰ অনুজ বুলি ভীমসেনে 'সুধাসাগৰ' গ্ৰন্থত উল্লেখ কৰিছে। মম্মটে অভিনৱগুপ্ত (১০১৫ খৃষ্টাব্দ) আৰু 'নবসাহসাঙ্কাচৰিত' (১০০৫ খৃষ্টাব্দ)ৰ বিষয়ে উল্লেখ কৰিছে। ৰজা ভোজৰ (১০৫৪ খৃষ্টাব্দলৈ ৰাজত্ব কৰা) দানশীলতাৰ উল্লেখ কৰিছে। ৰুয্যকে 'অলঙ্কাৰসৰ্বস্বত' (১২০০ খৃঃ) মম্মটৰ মত খণ্ডন কৰিছে। কাব্যানুশাসনত (১১৪৩ খৃঃ) হেমচন্দ্ৰই মম্মটৰ উল্লেখ কৰিছে। সেয়ে মম্মটৰ আৰ্বিভাৱ কাল খৃষ্টীয় একাদশ শতিকাৰ উত্তৰাৰ্ধ বুলি ক'ব পৰা যায়।

কাব্যপ্ৰকাশ কৰিকা, বৃত্তি আৰু উদাহৰণ এই তিনি স্তৰত লিখিত। লেখন শৈলী সূত্ৰাত্মক। কাব্য প্ৰকাশ ১০টা উল্লাসত বিভক্ত। গ্ৰন্থখনত সৰ্বমুঠ ১৫০টা কাৰিকা আছে। সংস্কৃত সাহিত্যৰ প্ৰসিদ্ধ মহাকবি তথা প্ৰসিদ্ধ আলঙ্কাৰিক সকলৰ ৰচনাৰ পৰা ইয়াত সৰ্বমুঠ ৬২০টা উদ্ধৃতি উপলব্ধ হয়। মম্মটে বিভিন্ন প্ৰসঙ্গত ভৰত, অভিনৱগুপ্ত, উদ্ভট, ধ্বনিকাৰ অথবা ধ্বনিকৃত, ৰুদ্ৰট, লোল্লট, শঙ্কুক প্ৰভৃতি আলঙ্কাৰিকৰ নাম উল্লেখ কৰিছে। তেনেদৰে কালিদাস, ভৱভুতি আদিৰ ৰচনাত পৰ্বাউদ্ধৃতি কৰ্পুৰমঞ্জৰী কুট্টনীমত, চণ্ডীশতক, নবসাহসাঙ্কচৰিত, ৰত্নাৱলী, বেণীসংহাৰ ইত্যাদি গ্ৰন্থৰ পৰা শ্লোক উদ্ধৃতিৰূপে ব্যৱহাৰ

কৰিছে। ধ্বন্যালোক, উদ্ভট, ভামহ, ৰুদ্রট, বামন, অভিনৱগুপ্ত আদি গ্ৰন্থৰ ওপৰত কাব্য প্ৰকাশ ৰচিত যদিও মম্মটৰ মৌলিকতা দেখা যায়। প্ৰাচীন আচাৰ্য্যসকলৰ প্ৰতি শ্ৰদ্ধাপুৰ্বক তেওঁলোকৰ মত সমূহ খণ্ডন কৰিছে।

গ্ৰন্থখনৰ বিষয়বস্তু সংক্ষিপ্তকৈ এই ধৰণেৰে পাব পৰা যায়— প্ৰথম উল্লাসত কাব্য-প্ৰয়োজন, কাব্য হেতু, কাব্য-লক্ষণ, কাব্যৰ ভেদ। দ্বিতীয় উল্লাসত শব্দশক্তি, শব্দৰ বাচ্যাৰ্থ, লক্ষ্যাৰ্থ আৰু ব্যঙ্গ্যাৰ্থ, লক্ষণা আৰু ব্যঞ্জনাৰ ভেদ। তৃতীয় উল্লাসত আৰ্থী ব্যঞ্জনা নিৰূপণ, চতুৰ্থ উল্লাসত উত্তম কাব্য তথা ধ্বনিকাব্য নিৰূপণ, ৰসাদি ধ্বনি বিচাৰ, ৰসভেদ শৃঙ্গাৰাদি ৰস সমীক্ষা, পঞ্চম উল্লাসত মধ্যম অৰ্থাৎ গুণীভূত ব্যঙ্গ্য কাব্য নিৰূপণ, ধ্বনি আৰু গুণীভূত ব্যঙ্গ্যৰ সম্বন্ধ, ষষ্ঠ উল্লাসত অবৰ কাব্য অৰ্থাৎ চিত্ৰকাব্য নিৰূপণ, সপ্তম উল্লাসত কাব্যদোষ নিৰূপণ, অষ্টম উল্লাসত গুণ নিৰূপণ, গুণ আৰু অলঙ্কাৰৰ বৈধৰ্ম্য, বামনাদিৰ দশগুণ তথা মাধুৰ্য্যাদি এয় গুণ, নৱম উল্লাসত শব্দালঙ্কাৰ নিৰূপণ বৃত্তি আৰু ৰীতি, দশম উল্লাসত অৰ্থালঙ্কাৰ নিৰূপণ। মম্মটে কাব্যপ্ৰকাশত সৰ্বমুঠ ৬১ বিধ অৰ্থালঙ্কাৰ উদাহৰণৰ সৈতে উপস্থাপন কৰিছে।

'কাব্যপ্ৰকাশ'ৰ ওপৰত অজস্ৰ টীকা ৰচিত হৈছে। বৰ্তমানলৈকে প্ৰায় ৭০টা মান সুপ্ৰসিদ্ধ টীকা উপলব্ধ হয়। সুপ্ৰাচীনতম টীকা গুজৰাট প্ৰদেশৰ জৈন পণ্ডিত মাণিক্যচন্দ্ৰ বিৰচিত 'সংকেত' টীকা। দ্বিতীয় প্ৰসিদ্ধ প্ৰাচীন টীকা হৈছে খৃষ্টীয় দ্বাদশ শতিকাত ৰচিত আচাৰ্য্য সৰস্বতী-তীৰ্থ-কৃত 'বালচিত্তানুৰঞ্জিনী' টীকা। সাহিত্যদৰ্পনকাৰ বিশ্বনাথ কবিৰাজেও কাব্যপ্ৰকাশৰ ওপৰত 'কাব্যপ্ৰকাশ দৰ্পণ' ৰচনা কৰে। বিশ্বনাথ কবিৰাজে 'কাব্যপ্ৰকাশদৰ্পণৰ' প্ৰাৰম্ভত উল্লেখ কৰে—

টীকা কাব্যপ্ৰকাশস্য দুৰ্বোধানুপ্ৰবোধিনী।
ক্ৰিয়তে কবিৰাজেন বিশ্বনাথেন ধীমতা।।

তেনেদৰে খৃষ্টীয় ১৬ শতিকাৰ মহামহোপধ্যায় গোবিন্দঠক্কুৰ প্ৰণীত কাব্যপ্ৰদীপ টীকা আৰু খৃষ্টীয় ১৭ শতিকাৰ শ্ৰীঝলকীকৰ বামনাচাৰ্য্য প্ৰণীত 'বালবোধিনী' টীকা বিশেষভাবে উল্লেখযোগ্য।

মম্মটাচাৰ্য্যই বিভিন্ন প্ৰসঙ্গত আনন্দবৰ্ধনৰ মতাদৰ্শ সাক্ষাৎ অথবা সংযোজন-বিযোজন কৰি কাব্য প্ৰকাশত উপস্থাপিত কৰিছে। উদাহৰণ স্বৰূপে মম্মটাচাৰ্য্যই কাব্যৰ হেতু নিৰূপণ কৰিছে—

শক্তিৰ্নিপুণতা লোকশাস্ত্ৰ কাব্যাদ্যবেক্ষণাৎ।
কাব্যজ্ঞশিক্ষয়াভ্যাস ইতি হেতুস্তদুদ্ভৱে।।

(কাব্যপ্ৰকাশ, ১.৩)

অৰ্থাৎ শক্তি, লোকশাস্ত্ৰকাব্যাদি নিৰীক্ষণৰ পৰা হোৱা নিপুণতা, কাব্যজ্ঞসকলৰ শিক্ষা লাভ কৰি কৰা অভ্যাস— এই কেইটা কাব্যৰ উদ্ভৱৰ হেতু (তিনিও মিলি এক হেতু)।

আচাৰ্য্য মম্মটে কাব্যৰ হেতু হিচাবে সৰ্বপ্ৰথম শক্তিক স্থান দিছে। ধ্বনিবাদী আনন্দবৰ্ধন আৰু অভিনৱগুপ্তই প্ৰতিভা  আৰু শক্তিক একৰূপত স্বীকাৰ কৰিছে। অনন্দবৰ্ধনে শক্তি কে কাব্য ৰচনাৰ হেতু হিচাবে স্বীকাৰ কৰিছে—

অব্যুৎপত্তিকৃতো দোষঃ শক্ত্যা সংব্ৰিয়তে কবেঃ।
য়ত্বশক্তিকৃতস্তস্য স ঝটিত্যবভাসতে।।

(ধ্বন্যালোক, উদ্যোত-৩)

এই প্ৰসঙ্গত অভিনৱগুপ্তই শক্তিক প্ৰতিভাৰ সৈতে একৰূপত স্বীকাৰ কৰিছে— "শক্তি প্ৰতিভানং বৰ্ণনীয়বস্তুবিষয়নুতনোল্লেখশালিত্বম্" (ধ্বন্যালোক, লোচন) ইয়াৰ অন্তৰালত ক'ব পৰা যায় যে মম্মটৰ পূৰ্ববৰ্তী ধ্বনি সমৰ্থক ৰাজশেখৰে কাব্যমীমাংসাত শক্তি আৰু প্ৰতিভাক ভিন্ন ৰূপত দৰ্শন কৰিছিল— সা (শক্তিঃ) কেৱলং কাব্যে হেতুৰিতি য়ায়াবৰীয়ঃ। বিপ্ৰসৃতিশ্চ সা প্ৰতিভাব্যুৎপত্তিভ্যাম্। শক্তি কৰ্তৃকে হি প্ৰতিভাবুৎপত্তি কৰ্মণী। শক্তস্য প্ৰতিভাতি শক্তশ্চ ব্যুৎপদ্যতে। (কাব্যমীমাংসা-৪)

মম্মটাচাৰ্য্যৰ কাব্যলক্ষণে আচাৰ্য্যগৰাকীৰ পূৰ্ববৰ্তী আলঙ্কাৰিক সকলৰ কাব্যস্বৰূপসমূহৰ এক সমন্বয়াত্মক ভাৱ প্ৰকাশ কৰে। য'ত ভামহ, দণ্ডী, বামন, কুন্তকাদিৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। মম্মটাচাৰ্য্যৰ কাব্যলক্ষণ হৈছে—

তদদোষৌ শব্দাৰ্থৌ সগুণাৱনলঙ্কৃতী পুনঃক্বাপি (কাব্যপ্ৰকাশ, ১)

ইয়াত কাব্যক বুজাবলৈ 'তৎ' শব্দ প্ৰয়োগ কৰিছে। এই কাব্যলক্ষণত অলঙ্কাৰ-গুণ, উক্তি-বৈচিত্ৰ্য আৰু ধ্বনি— এই সকলোবোৰৰ সমন্বয় আৰু সমুচিত স্থান আছে। কাব্যক বুজাবলৈ ব্যৱহাৰ কৰা 'তৎ' শব্দৰ প্ৰসঙ্গত আনন্দবৰ্ধনৰ ধ্বনি কাব্যৰ সংজ্ঞাৰ প্ৰভাৱ সুস্পষ্ট বুলি ক'ব পৰা যায়। আনন্দবৰ্ধনে প্ৰধান ধ্বনিৰ সংজ্ঞা দিবলৈ 'তৎ' শব্দ ব্যৱহাৰ কৰিছে—

য়ত্ৰাৰ্থঃ শব্দো বা তমৰ্থমুপ সৰ্জনীকৃতস্বাৰ্থৌ'।
ব্যভ্ক্তঃ কাব্যৰিশেষ স ধ্বনিৰিতি সুৰিভিঃ কথিতঃ।

(ধ্বন্যালোক, ১.১৩)

তেনেদৰে মম্মটৰ কাব্যলক্ষণত অলঙ্কাৰ অথবা ৰীতিবাদৰ প্ৰভাৱ বিদ্যমান যদিও প্ৰকৃতাৰ্থত আনন্দবৰ্ধনৰ ধাৰণা তথা প্ৰসিদ্ধ বাক্য— "সহৃদয়হৃদয়াহ্লাদিশব্দাৰ্থময়ত্বমেৱ কাব্যলক্ষণম্" (ধ্বন্যালোক, প্ৰথম উদ্যোত) মম্মটৰ কাব্যলক্ষণত উপলব্ধ "অনলংকৃতী পুনঃ  ক্বাপি"— এই প্ৰসঙ্গতো আনন্দবৰ্ধনৰ প্ৰভাৱ অনুভূত হয়। আনন্দবৰ্ধনৰ উক্তি

ৰসভাৱাদিতাৎপৰ্যমাশ্ৰিত্য বিনিবেশনম্।
অলংকৃতীনাং সৰ্বাসামলঙ্কাৰত্বসাধনম্।।

(ধ্বন্যালোক, দ্বিতীয় উদ্যোত)

অৰ্থাৎ তাৎপৰ্য্য এয়ে যে বিশিষ্ট শব্দাৰ্থৰূপ কাব্যত অলঙ্কাৰৰ সন্নিবেশ অনিবাৰ্য্য নহয়।

মম্মটাচাৰ্য্যই কাব্যপ্ৰকাশত উপস্থাপন কৰা কাব্যৰ ভেদ প্ৰসঙ্গত আনন্দবৰ্ধনৰ প্ৰভাৱ সুস্পষ্ট। মম্মট ৰসস্বৰূপ বিমৰ্শ প্ৰসঙ্গতো ৰস-ধ্বনিবাদৰ প্ৰভাৱ দেখা যায়। মম্মটাচাৰ্য্যৰ গুণস্বৰূপ নিৰ্ণয়, গুণৰ প্ৰকাৰাদি প্ৰসঙ্গতো আনন্দবৰ্ধনৰ পথকে অনুসৰণ কৰা দেখা যায়। আনন্দবৰ্ধনে গুণক ৰসৰ ধৰ্ম বুলি স্বীকাৰ কৰি কৈছিল—

তমৰ্থমবলম্বন্তে য়েহঙ্গিনং তে গুণাঃ স্মৃতা।

"য়ে তমৰ্থং ৰসাদিলক্ষণমঙ্গিনং সন্তমবলম্বন্তে তে গুণাঃ শৌৰ্য্যাদিক্য।।"

(ধ্বন্যালোক, তৃতীয় উদ্যোত)

এই প্ৰসঙ্গত লোচনকাৰ অভিনৱগুপ্তই ও ধ্বনিকাৰৰ মতকে সমৰ্থন কৰিছিল। মম্মটাচাৰ্যইও কাব্য প্ৰকাশ গুণক ব্যক্তিৰ শৌৰ্য্যাদিৰ লগত তুলনা কৰি ৰসৰ ধৰ্ম বুলি কৈছে আৰু গুণসমূহ অচল অৰ্থাৎ নিত্য বুলি উল্লেখ কৰিছে—

য়ে ৰসস্যাঙ্গিনো ধৰ্মাঃ শৌৰ্য্যাদয় ইবাত্মনঃ।
উৎকৰ্ষহেতবস্তে স্যুৰচলস্থিতয়ো গুণাঃ।।

(কাব্যপ্ৰকাশ, চতুৰ্থ উল্লাস)

ধ্বনিবাদী আচাৰ্য্য আনন্দবৰ্ধনে দণ্ডীপ্ৰভৃতি আলঙ্কাৰিক সকলে স্বীকাৰ কৰা দশগুণক অস্বীকাৰ কৰি মাধুৰ্য্য ওজঃ আৰু প্ৰসাদ এই তিনিগুণৰ মাজত শ্লেষাদি দশগুণক স্বীকাৰ কৰিছিল। মম্মটাচাৰ্য্যইও এই ধাৰণাকে অনুসৰণ কৰি "মাধুৰ্য্যৌজঃ প্ৰসাদাখ্যাস্ত্ৰয়স্তে ন পুনৰ্দশ।" মাধুৰ্য্যাদি গুণসমূহৰ স্বৰূপ নিৰ্ণয়ৰ ক্ষেত্ৰতো ধ্বনিবাদৰ প্ৰভাৱ অনুভূত হয়। অলঙ্কাৰসমূহ বাচক আৰু বাচ্যৰূপ কাব্যাঙ্গৰ শোতাবৰ্দ্ধক, ৰমণীৰ শৰীৰত কটক কুণ্ডলাদিৰ দৰে— "অঙ্গাশ্ৰিতাস্ত্বলঙ্কাৰা মন্তব্যঃ কটকাদিবৎ"। (ধ্বন্যালোক, তৃতীয় উদ্যোত)

মম্মটাচাৰ্যইও সেই একে ধাৰণাকে অনুসৰণ কৰি প্ৰকাশ কৰিছিল—

উপকুৰ্বন্তি তং সন্তং য়েহঙ্গদ্বাৰেন জাতুচিৎ।
হাৰাদিবদলংকাৰাস্তেহন্ধপ্ৰাসোপমাদয়ঃ।।

অৰ্থাৎ অনুপ্ৰাস উপমা আদিয়ে কণ্ঠাহাৰাদিৰ দৰে অঙ্গৰ শোভাবৰ্দ্ধন কৰে আভূষণাদিয়ে ৰমণীৰ ব্যক্তিত্ব শোভা বৰ্দ্ধন কৰাৰ দৰে কাব্যত অলঙ্কাৰ সমূহে ৰসৰূপ আত্মাৰ উৎকৰ্ষ সাধন কৰে। কাব্যদোষৰ আলোচনা প্ৰসঙ্গত কাব্যপ্ৰকাশত (সপ্তম উল্লাস) কোনো কোনো ক্ষেত্ৰত আনন্দবৰ্ধনৰ মতকো দোষাৰোপ কৰা দেখা যায়। তেনেদৰে মম্মটাচাৰ্য্যই কালিদাসাদি প্ৰসিদ্ধ কবিসকলৰ ৰচনাতো দোষ দেখুৱাই দিবলৈ কুণ্ঠাবোধ কৰা নাই।

মম্মটাচাৰ্য্যক ধ্বনিবাদৰ অগ্ৰগণ্য সমৰ্থক বুলি কোৱা হয়। মম্মটাচাৰ্য্যৰ পূৰ্বত আলঙ্কাৰিক সকলে এইদৰে কাব্যৰ সকলোবোৰ দিশ উপস্থাপন কৰা নাছিল। সেয়ে কাব্যপ্ৰকাশক অলঙ্কাৰ শাস্ত্ৰৰ প্ৰস্থান-গ্ৰন্থৰ মান্যতা দিয়া হয়। পৰবৰ্তী কালত 'কাব্য প্ৰকাশ'ৰ সুগভীৰ প্ৰভাৱ পৰিলক্ষিত হয়। 'কাব্যপ্ৰকাশ'ৰ অনুকৰণত পৰবৰ্তী কালত তিনিখন প্ৰসিদ্ধ অলঙ্কাৰশাস্ত্ৰ ৰচিত হয়। সেই কেইখন হৈছে হেমচন্দ্ৰৰ 'কাব্যানুশাসন', বিশ্বনাথ কবিৰাজৰ 'সাহিত্যদৰ্পণ' আৰু পণ্ডিত ৰাজ জগন্নাথৰ 'ৰসগঙ্গাধৰ'।

**জানি থওঁ আহক**

ধ্বনিবাদ প্ৰতিষ্ঠা হোৱাৰ পূৰ্বত ৰসবাদ, অলঙ্কাৰবাদ আৰু ৰীতিবাদৰ প্ৰভাৱ সুগভীৰ আছিল। ধ্বনিসিদ্ধান্তৰ পাছত বক্ৰোক্তিবাদ প্ৰতিষ্ঠা কৰে কুন্তকে, ধ্বনি সিদ্ধান্তক অস্বীকাৰ কৰিবলৈ। ক্ষেমেন্দ্ৰই পৰৱৰ্তীকালত ঔচিত্যবাদ প্ৰতিষ্ঠা কৰি ধ্বনি সিদ্ধান্তক সমৰ্থন কৰে। অভিনৱগুপ্তই ধ্বন্যালোকৰ ওপৰত প্ৰসিদ্ধ ধ্বন্যালোক লোচন টীকা গ্ৰন্থ ৰচনা কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

৩। ধ্বনি সিদ্ধান্তৰ প্ৰতিষ্ঠাত অভিনৱগুপ্ত আৰু মম্মটাচাৰ্য্য কিমানদূৰ সফল হৈছিল আলোচনা কৰক। (৫০টা মান শব্দৰ ভিতৰত লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

### ৫.৫.৪ ৰুয্যক

কাশ্মীৰ নিবাসী ৰুৰ্য্যক এগৰাকী সুপ্ৰসিদ্ধ আলঙ্কাৰিক। ধ্বনিবাদৰ সমৰ্থক এই গৰাকী আলঙ্কাৰিকক ৰাজানক ৰুৰ্য্যক বুলিও জনা যায়। ৰুয্যকৰ পিতৃ ৰাজানক তিলক এগৰাকী প্ৰসিদ্ধ আলঙ্কাৰিক আছিল। 'শ্ৰীকণ্ঠচৰিত'ৰ ৰচক মঙ্খই গ্ৰন্থখনত গুৰু ৰুয্যকক এগৰাকী, সাহিত্যশাস্ত্ৰী, বিদ্বান ব্যাখ্যাকাৰ হিচাবে শ্ৰদ্ধা জনাইছে। কবি মঙ্খ কাশ্মীৰ নৃপতি জয়সিংহৰ (১১২৮-৪৯ খৃষ্টাব্দ) সভাকবি আছিল। সেয়ে ৰুয্যকৰ আৰ্বিভাৰ কাল ১২শ শতিকাৰ মাজভাগ বুলি ভবা হয়।

ৰুয্যকৰ সু-প্ৰসিদ্ধ অলঙ্কাৰ শাস্ত্ৰ হৈছে 'অলঙ্কাৰসৰ্বস্ব'। ইয়াৰ উপৰিও ৰুয্যকে অলঙ্কাৰানুসাৰণী, কাব্যপ্ৰকাশসংকেত, নাটকমীমাংসা ব্যক্তিবিবেকবিচাৰ, সহৃদয়লীলা, সাহিত্যমীমাংসা শ্ৰীকণ্ঠস্তৱ, হৰ্ষচৰিতবাৰ্তিক আদি কেইবাখনো গ্ৰন্থ ৰচনা কৰে।

'অলঙ্কাৰসৰ্বস্ব' গ্ৰন্থখন সূত্ৰ, বৃত্তি আৰু উদাহৰণ— এই তিনি স্তৰত ৰচিত। ৰুয্যকে ভামহ, উদ্ভট, ৰুদ্ৰট, বামণ, ৱক্ৰোক্তিজীৱিতকাৰ, ব্যক্তিবিবেককাৰ, আনন্দবৰ্ধন, মম্মটচাৰ্য্য আদি পুৰ্বাচাৰ্য্যসকলৰ মত সমূহৰ সাৰভাগ সংগ্ৰহ কৰি অলঙ্কাৰৰ ওপৰত প্ৰামাণ্য গ্ৰন্থৰূপে স্বীকৃত গ্ৰন্থখনত ৬টা শব্দালঙ্কাৰ আৰু ৭৫টা অৰ্থালঙ্কাৰ উপস্থাপন কৰা হৈছে। অৰ্থালঙ্কাৰ সমূহৰ ভিতৰত পৰিণাম, ৰসবৎ, বিকল্প, বিচিত্ৰ আদি নতুন অলঙ্কাৰ সংযোজিত হয়। পৰৱৰ্তী কালত বিশ্বনাথ কবিৰাজ 'অলঙ্কাৰসৰ্বস্ব' গ্ৰন্থৰ দ্বাৰা সুগভীৰভাৱে প্ৰভাৱান্বিত হোৱা দেখা যায়। 'অলঙ্কাৰসৰ্বস্ব'ৰ ওপৰত জয়ৰথকৃত 'বিমৰ্শিনী' আৰু বিদ্যাধৰ চক্ৰবৰ্তী কৃত 'সঞ্জীৱনী'— সুপ্ৰসিদ্ধ তথা পণ্ডিত্যপূৰ্ণ দুটি টীকা।

'অলঙ্কাৰসৰ্বস্ব'ত অলঙ্কাৰ সমূহৰ ওপৰত সুবিস্তৃত বৰ্ণনাৰ উপৰিও ধ্বনি সিদ্ধান্তৰ ওপৰত আলোচনা উপলব্ধ হয়। ধ্বনিবিৰোধী মহিমভট্টৰ অনুমতিবাদৰ সমালোচনা

কৰিছে। প্ৰসঙ্গক্ৰমে ভট্টনায়কৰ ভাৱকত্ব আৰু ভোজকত্ব ব্যাপাৰদ্বয়, তথা কুন্তকৰ বক্ৰোকিতে আৰু মহিমভট্টৰ 'অনুমাণ'ক ধ্বনিৰ দৃষ্টিৰে সমালোচনা কৰিছে।

| **জানি থওঁ আহক** |
| --- |
| ধ্বনি সিদ্ধান্তৰ সমৰ্থক ৰুৰ্য্যকৰ অলঙ্কাৰ শাস্ত্ৰৰ গ্ৰন্থখন হৈছে 'অলঙ্কাৰসৰ্বস্ব'। |
| অলঙ্কাৰ সৰ্বস্বত সূত্ৰ, বৃত্তি আৰু উদাহৰণশৈলীত ৰচিত। |
| অলঙ্কাৰ সৰ্বস্বত ৬টা শব্দালঙ্কাৰ আৰু ৭৫টা অৰ্থালঙ্কাৰ উপস্থাপিত হৈছে। |

### ৫.৫.৫ হেমচন্দ্ৰ

জৈন পণ্ডিত হেমচন্দ্ৰই 'কাব্যানুশাসন' গ্ৰন্থ ৰচনা কৰি অলঙ্কাৰশাস্ত্ৰত সুকীয়া স্থান লাভ কৰে। গুজৰাটৰ আহমেদাবাদ জিলাৰ ধুন্ধুক নামৰ ঠাইত ১০৮৮ খৃষ্টাব্দত জন্ম লাভ কৰিছিল। হেমচন্দ্ৰ শ্বেতাম্বৰ জৈন মতাদৰ্শৰ সমৰ্থক আছিল। হেমচন্দ্ৰই অনহিল পটনৰ চালুক্য নৃপতি জয়সিংহ সিদ্ধৰাজৰ নিৰ্দেশত 'সিদ্ধ হেম-শব্দানুশাসন' ৰচনা কৰিছিল। জয়সিংহ সিদ্ধৰাজৰ ৰাজত্বকাল (১০৯৩-১১৪৩ খৃষ্টাব্দ) বুলি কোৱা হয়। ১১৭২ খৃষ্টাব্দত হেমচন্দ্ৰই ইহলীলা সম্বৰণ কৰিছিল।

হেমচন্দ্ৰৰ কাব্যানুশাসন আঠটা অধ্যায়ত বিভক্ত। গ্ৰন্থখন সূত্ৰ, বৃত্তি আৰু উদাহৰণ এই তিনি তৰপত ৰচিত হৈছে। গ্ৰন্থকাৰে গ্ৰন্থখনৰ ওপৰত 'বিৱেক' নামৰ টীকাও সংযোজন কৰে। প্ৰথম অধ্যায়ত কাব্যৰ উদ্দেশ্য, প্ৰয়োজন, কাব্যহেতু, শব্দ আৰু অৰ্থৰ স্বৰূপ, মুখ্যাৰ্থ, লক্ষ্যাৰ্থ, ব্যঙ্গ্যাৰ্থ নিৰূপণ, দ্বিতীয় অধ্যায়ত ৰস, স্থায়িভাৱ, ৰসৰ ভেদ ইত্যাদি, তৃতীয় অধ্যায়ত শব্দ-দোষ, বাক্য-দোষ, অৰ্থ-দোষ, ৰস-দোষ ইত্যাদি, চতুৰ্থ অধ্যায়ত মাধুৰ্য্যাদি গুণ নিৰূপণ, পঞ্চম অধ্যায়ত অনুপ্ৰাস যমক, চিত্ৰ, শ্লেষ, বক্ৰোক্তি আৰু পুনৰুক্তাভাস— এই ছয়টা শব্দালঙ্কাৰ নিৰূপণ, ষষ্ঠ অধ্যায়ত উপমাদি ২৯টা অৰ্থালঙ্কাৰ নিৰূপণ, সপ্তম অধ্যায়ত নায়ক নায়িকাৰ ভেদ আৰু গুণ, আৰু অষ্টম অধ্যায়ত প্ৰেক্ষ্য আৰু শ্ৰব্য ভেদে কাব্যৰ ভেদ আৰু উপভেদৰ আলোচনা উপস্থাপন কৰা হৈছে।

কাব্যানুশাসনক এক সংকলিত গ্ৰন্থ বুলি বিদ্বৎ সমাজে অভিহিত কৰে। কিয়নো ইয়াত পূৰ্বসুৰী সকলৰ অলেখ উপাদান সাক্ষাৎ ৰূপত উপলব্ধ হয়। ৰাজশেখৰৰ 'কাব্যমীমাংসা', মম্মটৰ 'কাব্যপ্ৰকাশ', আনন্দবৰ্ধনৰ 'ধ্বন্যালোক' আৰু অভিনৱগুপ্তৰ 'লোচন', হেমচন্দ্ৰৰ 'কাব্যানুশাসন'ৰ মুখ্য আধাৰ গ্ৰন্থ বুলি ক'ব পৰা যায়। ৰসস্বৰূপ বৰ্ণনা প্ৰসঙ্গত ভৰত আৰু অভিনৱগুপ্তৰ প্ৰভাৱ সুস্পষ্ট। কাব্যানুশাসনৰ উল্লেখনীয় বৈশিষ্ট্য এটি হৈছে গ্ৰন্থখনত বৃত্তি আৰু টীকাত বিভিন্ন প্ৰসঙ্গত প্ৰায় ১৫০০ শ্লোক সংস্কৃত সাহিত্যৰ প্ৰসিদ্ধ গ্ৰন্থ সমূহৰ পৰা উদ্ধৃত কৰিছে।

জৈন পণ্ডিতসকলৰ মাজত বিশেষকৈ অলঙ্কাৰ শাস্ত্ৰৰ ক্ষেত্ৰত হেমচন্দ্ৰই বিশিষ্ট মৰ্য্যদা লাভ কৰি আহিছে। পূৰ্বাচাৰ্য্য সকলৰ উপাদান গ্ৰহণ কৰিলেও কাব্যানুশাসনত মৌলিকতা নথকা নহয়। অলঙ্কাৰ নিৰূপণৰ ক্ষেত্ৰতে ক'ব পৰা যায় ভট্টি, দণ্ডী, ভামহ, উদ্ভট, ৰামন প্ৰভৃতি আলঙ্কাৰিক প্ৰায় ত্ৰিশৰ পৰা চল্লিশটা অলঙ্কাৰ নিৰূপণ কৰিছে,

মম্মটাচাৰ্য্যই ৬১ বিধ অলঙ্কাৰ স্বীকাৰ কৰিছে কিন্তু হেমচন্দ্ৰই ৩৫ বিধ অলঙ্কাৰ নিৰূপণ কৰিছে। ধ্বনিবাদৰ এজন সক্ৰিয় সমৰ্থকৰূপে হেমচন্দ্ৰৰ অলঙ্কাৰ শাস্ত্ৰত সুপ্ৰসিদ্ধ অনস্বীকৰণীয় হৈ থাকিব। ‘ছন্দোনুশাসন’, ‘অভিধানচিন্তামণি’, ‘দেশীনামমালা’, ‘ত্ৰিষষ্টিশলাকপুৰুষচৰিত’, ‘যোগশাস্ত্ৰ’ আদি গ্ৰন্থসমূহৰো প্ৰণেতা হেমচন্দ্ৰ আছিল বুলি প্ৰসিদ্ধি বিদ্যমান।

### ৫.৫.৬ বিশ্বনাথ কবিৰাজ

সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত বিশ্বনাথ কবিৰাজ এগৰাকী সুপৰিচিত আলঙ্কাৰিক। বিশ্বনাথ কবিৰাজৰ ‘সাহিত্য দৰ্পণ’ এখন বহুল ভাৱে সমাহত অলঙ্কাৰ শাস্ত্ৰ। বিশেষকৈ ছাত্ৰজীৱনত অৱশ্যেই পঠনীয় অলঙ্কাৰ শাস্ত্ৰ হিচাবে সাহিত্যদৰ্পনৰ অনন্য স্থান দেখা যায়। বিশ্বনাথ কবিৰাজ উৎকল প্ৰদেশ নিবাসী আছিল। বিশ্বনাথ কবিৰাজে ১৮টা ভাষাত নিপুনতা আয়ত্ব কৰিছিল। বিশ্বনাথ কবিৰাজৰ পিতৃ চন্দ্ৰশেখৰ এগৰাকী প্ৰসিদ্ধ কবি আছিল আৰু পিতা আৰু পুত্ৰ দুয়োগৰাকীয়ে কলিঙ্গনৃপত্তিৰ পৰা ‘সন্ধিবিগ্ৰহিক মহাপাত্ৰ’ উপাধি লাভ কৰিছিল। বিশ্বনাথ কবিৰাজে সম্ভৱত ১৩০০-১৩৮৪ খৃষ্টাব্দৰ মাজত সাহিত্য দৰ্পন ৰচনা কৰিছিল। বিশ্বনাথে কবিৰাজে দিল্লী নৃপতি আলাউদ্দিন খিলজীৰ প্ৰসঙ্গ উল্লেখ কৰিছে। সেয়ে বিশ্বনাথ কবিৰাজৰ সময় খৃষ্টীয় ১৪ শতিকাৰ পূবাৰ্ধ বুলি কোৱা হয়।

সাহিত্য দৰ্পনৰ উপৰিও বহু কেইখন গ্ৰন্থ ৰচনা কৰে। সেই সমূহৰ ভিতৰত— প্ৰভাৱতী পৰিনয় (নাটক), চন্দ্ৰকলা (নাটিকা), ৰাঘৱবিলাস (মহাকাব্য), নৰসিংহবিজয় (খণ্ডকাব্য), কংসবধ (কাব্য), কুবলয়াশ্চচৰিত (প্ৰাকৃত কাব্য), কাব্যপ্ৰকাশ দৰ্পণ (কাব্যপ্ৰকাশটীকা) আৰু প্ৰশস্তিৰত্নাৱলী (১৬ টা ভাষাত ৰচিত কৰম্ভক)।

সাহিত্য দৰ্পণৰ অন্যতম বৈশিষ্ট্য হৈছে গ্ৰন্থখনত অলঙ্কাৰ শাস্ত্ৰৰ প্ৰায় আটাইবোৰ দিশ সংযুক্ত কৰা হৈছে। দণ্ডী, মম্মট, জগন্নাথ আলঙ্কাৰিকসকলৰ গ্ৰন্থসমূহত নাট্যশাস্ত্ৰৰ আলোচনা কৰা নাই সাহিত্য দৰ্পনত কিন্তু নাট্যকলাৰ বিভিন্ন দিশ বিস্তৃতভাৱে চৰ্চিত হৈছে। গ্ৰন্থখন দহটা পৰিচ্ছেদত বিভক্ত। প্ৰথম পৰিচ্ছেদত মঙ্গলাচৰণ, কাব্য-প্ৰয়োজন, পূৰ্বাচাৰ্য্যসকলৰ কাব্যৰ সংজ্ঞাৰ আলোচনা তথা মম্মটৰ কাব্যসংজ্ঞাৰ খণ্ডন, দ্বিতীয় পৰিচ্ছেদত বাক্য, পদ, অভিধা, লক্ষণা ব্যঞ্জনা আদি আলোচনা, তৃতীয় পৰিচ্ছেদত ৰস নিৰূপণ, নায়ক-নায়িকাদিৰ ভেদ, চতুৰ্থ পৰিচ্ছেদত ধ্বনি নিৰূপণ, পঞ্চম পৰিচ্ছেদত ব্যঞ্জণা নিৰূপণ, ব্যঞ্জণা বিৰোধীসকলৰ মত খণ্ডন, ষষ্ঠ পৰিচ্ছেদত দৃশ্য আৰু শ্ৰব্যকাব্যৰ ভেদ, নাটকৰ লক্ষণ, নাটৰ অঙ্গসমূহৰ বৰ্ণন, মহাকাব্যৰ লক্ষণ, গদ্যকাব্যৰ ভেদ ইত্যাদি সপ্তম পৰিচ্ছেদত কাব্যদোষ নিৰূপণ, অষ্টম পৰিচ্ছেদত গুণ নিৰূপণ, নৱম পৰিচ্ছেদত ৰীতিনিৰূপণ আৰু দশম পৰিচ্ছেদত অনুপ্ৰাসাদি শব্দালঙ্কাৰ আৰু উপমাদি অৰ্থালঙ্কাৰ নিৰূপণ।

বিশ্বনাথ কবিৰাজৰ ধ্বনি প্ৰস্থানৰ পৰমচাৰ্য্য হিচাপে সুপ্ৰসিদ্ধ। ধ্বনি বিৰোধী সকলৰ বিশেষকৈ মহিমভট্টই উপস্থাপন কৰা অনুমানক খণ্ডন কৰি পঞ্চম পৰিচ্ছেদত

যুক্তিপূৰ্ণ অভিমত উপস্থাপন কৰিছে। প্ৰথম পৰিচ্ছেদত মম্মটৰ কাব্যলক্ষণ খণ্ডন কৰা প্ৰসঙ্গত আনন্দবৰ্ধনৰ 'ধ্বনিৰাত্মাকাব্যস্য' বাক্যাংশ উদ্ধৃত কৰি প্ৰশ্ন কৰিছে যে ধ্বনি বুলিলে বস্তুধ্বনি, অলঙ্কাৰ ধ্বনি, আৰু ৰস ধ্বনি এই তিনিবিধৰ ভিতৰত কোনটো কাব্যৰ আত্মা ? পূৰ্বাচাৰ্য্যসকলৰ অভিমতসমূহ যুক্তিৰে খণ্ডন কৰি বিশ্বনাথ কবিৰাজে কাব্যলক্ষণ আগবঢ়াইছিল 'বাক্যং ৰসাত্মকং কাব্যম'— অৰ্থাৎ ৰসাত্মক বাক্যই কাব্য। ৰস্যতে ইতি ৰসঃ— এই ব্যুৎপত্তিৰে আস্বাদনৰ যোগ্য ভাৱ, ৰসাভাস, ভাৱাভাস আদিও ৰস শব্দৰে স্বীকৃত হয়।

নাট্যশাস্ত্ৰৰ বিভিন্ন দিশ উপস্থাপনৰ ক্ষেত্ৰত ভৰতৰ 'নাট্যশাস্ত্ৰ', ধনঞ্জয়ৰ 'দশৰূপক' আৰু বিশ্বনাথ কবিৰাজৰ 'সাহিত্য দৰ্পণ', সুধাসমাজত বিশেষভাৱে সমাদৃত। মম্মটাচাৰ্য্যৰ 'কাব্যপ্ৰকাশ'ৰ সংক্ষিপ্ততাৰ কৰে পাঠকে উজটি খাবলগীয়া হয় কিন্তু তাৰ বিপৰীতে 'সাহিত্য দৰ্পণ' সহজ-সৰল তথা প্ৰবাহময়।

সাহিত্য দৰ্পনৰ ওপৰত বিশ্বনাথ কবিৰাজৰ পুত্ৰৰ অনন্তদাসৰ দ্বাৰা ৰচিত 'লোচন' নামৰ টীকা সুপ্ৰাচীন আৰু বৈদগ্ধ পূৰ্ণ। তেনেদৰে মহেশ্বৰ ভট্টকৃত 'বিজ্ঞাপ্ৰিয়া' টীকা, আচাৰ্য্য কৃষ্ণমোহন শাস্ত্ৰী কৃত 'লক্ষ্মী' টীকা বিশেষভাৱে উল্লেখযোগ্য কিয়নো এই সমূহে গ্ৰন্থখনৰ পঠন-পাঠনত অনন্য সহায় আগবঢ়াই আহিছে।

### ৫.৫.৭ পণ্ডিতৰাজ জগন্নাথ

পণ্ডিতৰাজ জগন্নাথ সমস্কৃত অলঙ্কাৰ শাস্ত্ৰ পৰম্পৰাৰ অন্তিম পৰ্য্যায়ত গণনা কৰা এগৰাকী বহু প্ৰতিভাধৰ আলঙ্কাৰিক। নাট্যশাস্ত্ৰকাৰ ভৰতৰ পৰা খৃষ্টীয় সপ্তদশ শতিকাৰ পণ্ডিতৰাজ জগন্নাথলৈকে সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ এক সুদীৰ্ঘ গৌৰৱময় ইতিহাস উপলব্ধ হয়। দিল্লীৰ বাদছাহ ছাহজাহানে 'পণ্ডিতৰাজ' উপাধিৰে বিভূষিত জগন্নাথে নব্যন্যায়ৰ শৈলীৰে সুপ্ৰসিদ্ধ অলঙ্কাৰ শাস্ত্ৰ 'ৰসগঙ্গাধৰ' ৰচনা কৰে। গ্ৰন্থখন সূত্ৰ, বৃত্তি আৰু উদাহৰণ এই তৰপত ৰচিত। সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত এই গ্ৰন্থখনে ধ্বন্যালোক, কাব্যপ্ৰকাশৰ পাছতে স্থান লাভ কৰে। গ্ৰন্থখন আধৰুৱা। দুটা আননতে সমাপ্ত। প্ৰথম আননত "ৰমণীয়াৰ্থ প্ৰতিপাদকশব্দঃ কাব্যম্"— এইদৰে কাব্যলক্ষণ উপস্থাপন কৰে। কাব্যৰ কাৰণ হিচাবে প্ৰতিভাক স্বীকাৰ, উত্তমোত্তম, উত্তম, মধ্যম আৰু অবৰ ভেদেৰে কাব্যৰ প্ৰকাশ, ৰস ভাৱ, ভাৱোদয়, ৰসাভাসাদি নিৰূপণ, গুণ নিৰূপণ উপলব্ধ হয়। দ্বিতীয় আননত ধ্বনিৰ ভেদ, অভিধা, লক্ষণা ব্যঞ্জনা নিৰূপণ, উপমাদি ৭০ বিধ অলঙ্কাৰৰ নিৰূপণ তথা বৰ্ণনা উপলব্ধ হয়। গ্ৰন্থখন পূৰ্বাচাৰ্য্য সকলৰ অভিমতসমূহৰ খণ্ডন উপলব্ধ হয় যদিও গ্ৰন্থকাৰৰ মৌলিকতাও দেখা যায়। বিশেষকৈ ৰস আৰু অলঙ্কাৰ প্ৰসঙ্গত গ্ৰন্থকাৰৰ মৌলিকতা উল্লেখনীয়।

ৰসগঙ্গাধৰত পণ্ডিতৰাজ জগন্নাথে 'ধ্বন্যালোক', কাব্যপ্ৰকাশ, অলঙ্কাৰ সৰ্বস্ব সাহিত্যদৰ্পন আদি গ্ৰন্থসমূহৰ বিবিধ প্ৰসঙ্গ যুক্তিসহকাৰে সমীক্ষা কৰিছে। আলঙ্কাৰিক হোৱাৰ উপৰিও পণ্ডিতৰাজ জগন্নাথ এগৰাকী সুনিপুন কবি আছিল। সংস্কৃত সাহিত্যত কেইবাখনো গ্ৰন্থ জগন্নাথৰ কৃতি হিচাবে প্ৰসিদ্ধ। গ্ৰন্থসমূহ হৈছে (১) ৰসগঙ্গাধৰ (২)

চিত্ৰমীমাংসা খণ্ডন (৩) মনোৰমাকুচমৰ্দিনী (৪) গঙ্গালহৰী (৫) অমৃত লহৰী (যমুনা স্তুতি) (৬) কৰুণা লহৰী (কৃষ্ণস্তুতি) (৭) লক্ষ্মী লহৰী (৮) সুধালহৰী (সূৰ্য্যস্তুতি) (৯) ভামিনীবিলাস (১০) আসফল লহৰী (১১) প্ৰাণাভৰন (কামৰূপনৰেশস্তুতি) (১২) জগদাভৰণ (জয়সিংহ ৰাণাবৰ্ণন)।

ৰসগঙ্গাধৰৰ ওপৰত নাগেশভট্ট ৰচিত 'মৰ্মপ্ৰকাশ' টীকা অতি প্ৰসিদ্ধ আৰু বিদগ্ধতাপূৰ্ণ। সেইদৰে ড° নাৰায়ণমিশ্ৰকৃত 'ৰসতৰঙ্গিণী' টীকাও এটি উল্লেখযোগ্য টীকা।

ৰসগঙ্গাধৰৰ দ্বিতীয় আননত পণ্ডিতৰাজ জগন্নাথে সংলক্ষ্যেক্ৰমধ্বনি উপস্থাপন কৰি মম্মটাচাৰ্য্যৰ, তথা ধ্বনিকাৰৰ মতৰ ওপৰত আলোচনা কৰি স্বকীয় অভিমত আগবঢ়াইছে। শব্দশক্তিমূলক ধ্বনিৰ প্ৰসঙ্গত বস্তুধ্বনি আৰু আলঙ্কাৰধ্বনিৰ সমীক্ষাত্মক আলোচনা উপস্থাপন কৰিছে।

এইদৰে দেখা যায় ধ্বনিবাদৰ সমৰ্থনত পণ্ডিতৰাজ জগন্নাথে ধ্বনিৰ সপক্ষে স্বকীয় মত দাঙি ধৰি অলঙ্কাৰ শাস্ত্ৰীয় পৰম্পৰাত মান্যতা লাভ কৰিছিল।

**জানি থওঁ আহক**

ধ্বনি সমৰ্থক হেমচন্দ্ৰৰ অলঙ্কাৰ শাস্ত্ৰখন হৈছে 'কাব্যানুশাসন'। কাব্যানুশাসনত আঠটা অধ্যায় আছে। ধ্বনি সিদ্ধান্তৰ সমৰ্থক বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পণ। দহটা পৰিচ্ছেদত গ্ৰন্থখন বিভক্ত। কাব্যশাস্ত্ৰৰ প্ৰায় সকলো দিশ আলোচিত হৈছে খৃষ্টীয় সপ্তদশ শতিকাৰ পণ্ডিতৰাজ জগন্নাথৰ ৰসগঙ্গাধৰ অন্যতম প্ৰসিদ্ধ অলঙ্কাৰ শাস্ত্ৰ।

**আত্মমূল্যায়ন প্ৰশ্ন**

ধ্বনিৰ সমৰ্থনত 'সাহিত্যদৰ্পণ' গ্ৰন্থখনত কি উল্লেখ আছে? (৪০টা মান শব্দৰ ভিতৰত লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

### ৫.৬ ধ্বনি বিৰোধীসকল

সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ এই সুদীৰ্ঘ পৰিক্ৰমাত ধ্বনিবাদৰ সমৰ্থকৰ লগে লগে ধ্বনিবিৰোধী আচাৰ্য্য সকলেও স্বকীয় মতাদৰ্শ উপস্থাপন কৰিবলৈ গ্ৰন্থ ৰচনা কৰিছিল। আনন্দবৰ্ধনে নিজেই ধ্বন্যালোকৰ প্ৰাৰম্ভত ধ্বনিবিৰোধী সকলৰ অস্তিত্বৰ আভাস দিছিল। আনন্দবৰ্ধনৰ মতে ধ্বনিবিৰোধী সকল তিনিপ্ৰকাৰৰ কিছুমান অভাৱবাদী। অৰ্থাৎ যি সকলে ধ্বনি নাই বুলি ভাৱে আৰু গুৰ্ণ ৰীতি আদি স্বীকাৰ কৰে। তেওঁলোকৰ ভিতৰত ভামহ, দণ্ডী, উদ্‌ভট প্ৰভৃতি আলঙ্কাৰিক আৰু ৰীতিবাদী বামনাচাৰ্য্য উল্লেখনীয়।

আনকিছুমান ভাক্তবাদী অৰ্থাৎ উদ্‌ভট আদি আচাৰ্য্যসকলে ব্যঞ্জনা বৃত্তি স্বীকাৰ নকৰি ব্যঙ্গ্যাৰ্থক লক্ষণাৰ অন্তৰ্ভূক্ত কৰে। আন কিছুমান আকৌ অনিৰ্বচনীয়তাবাদী। যিসকলৰ মতে ধ্বনি বাণীৰ বিষয়ে নহৈ হৃদয়ৰ বিষয় সেয়ে বাণীৰে প্ৰকাশ কৰা সম্ভৱ নহয়।

পৰৱৰ্তী কালত অভিধাবাদী, তাৎপৰ্য্যবাদী আৰু অনুমানবাদী আচাৰ্য্যসকলে ধ্বনিকঅস্বীকাৰ কৰি ক্ৰমশঃ অভিধা, শব্দশক্তি, তাৎপৰ্য্যবৃত্তি আৰু অনুমানৰ অন্তৰ্ভূক্ত কৰিবলৈ প্ৰয়াস কৰে। মম্মটাচাৰ্য্যই (খৃষ্টীয় একাদশ শতিকাৰ উত্তৰাৰ্ধ) সেই সকলক প্ৰত্যুত্তৰ দিবলৈ কাব্য প্ৰকাশ ৰচনা কৰে। কুন্তকে কাব্যৰ আত্মা ধ্বনি বুলি স্বীকাৰ কৰা নাই। কুন্তকৰ মতে ধ্বনি বক্ৰতাৰ এটা প্ৰকাৰ। ধ্বনিৰ প্ৰত্যয়টো কুন্তকে পদপূৰ্বাধবক্ৰতাৰ অন্তৰ্গত পৰ্য্যয় বক্ৰতা আৰু উপচাৰ বক্ৰতাৰ মাজত স্বীকাৰ কৰিছে। ধ্বন্যাকোলত অত্যন্ততিৰস্কৃত বাচ্য ধ্বনি বুজোৱা দৃষ্টান্তবোৰ বক্ৰোক্তি জীৱিত গ্ৰন্থত উপচাৰ বক্ৰতাৰ দৃষ্টান্ত হিচাবে উপস্থাপন কৰা হৈছে। কুন্তকৰ মতে বক্ৰোক্তি সৰ্বব্যাপক আৰু ই কাব্যৰ গুণ, অলঙ্কাৰ, ধ্বনি ৰস আদি সকলো উপাদানকে সামৰি লয়।

ধ্বনিবিৰোধী আচাৰ্য্যসকলৰ ভিতৰত অন্যতম এগৰাকী হৈছে ৰাজনক মহিমভট্ট। মহিমভট্টই ধ্বনি সিদ্ধান্ত প্ৰত্যাখ্যান কৰিবলৈ 'ব্যক্তিবিবেক' গ্ৰন্থ ৰচনা কৰে। ব্যক্তি বা ব্যঞ্জনা বৃত্তিৰ বিবেক অৰ্থাৎ সমালোচনা-তাৎপৰ্য্যপূৰ্ণ এই শিৰোনামৰ গ্ৰন্থখনৰে মহিমভট্টই যুক্তি সহকাৰে দেখুৱাইছে যে ধ্বনিৰ ধাৰণা অনুমানৰ দ্বাৰা লাভ হয়। ইয়াত ব্যঞ্জনা বৃত্তিৰ অৱকাশ নাই। মহিমভট্টৰ সতে অৰ্থ দুই প্ৰকাৰৰ বাচ্যাৰ্থ নাইবা অভিধেয়াৰ্থ আৰু অনুমান লব্ধ অৰ্থ। পৰম্পৰাগত ভাৱে প্ৰসিদ্ধ 'গঙ্গায়াং ঘোষঃ'— বাক্যশাৰীত ধ্বনিবাদী সকলৰ মতে লক্ষণাৰ সহায়ত গঙ্গাতীৰত গোৱালৰ গাঁওখন আৰু ব্যঞ্জনা বৃত্তিৰ সহায়ত শীতলতা আৰু পৰিত্ৰতাৰ অনুভৱ উপলব্ধ হয়। কিন্তু মহিমভট্টৰ মতে ধাৰণা অনুমাণলব্ধহে। ধ্বনিবাদী সকলে বস্তুধ্বনি আৰু অলঙ্কাৰধ্বনিৰ মাজত এটি ক্ৰম স্বীকাৰ কৰে কিন্তু ৰসধ্বনিৰ ক্ষেত্ৰত বিভাৱাদিৰ অৱগতি আৰু ৰসাস্বাদনৰ মাজত সময়ৰ কোনো ক্ৰম নাথাকে।

কিন্তু মহিমভট্টৰ মতে অসংলক্ষ্যক্ৰমধ্বনিৰ ক্ষেত্ৰতো সময়ৰ এটা ক্ৰম আছে। গতিকে ইও অনুমানৰ অধীন। মহিমভট্টই এইদৰে ধ্বনিৰ ধাৰণা, ধ্বনিৰ সংজ্ঞা, ভেদ ইত্যাদি সকলোবোৰ চোকা ভাষাৰে সমালোচনা কৰিছে।

ধ্বনি সিদ্ধান্তক সমৰ্থন নকৰা অন্যান্য সকলৰ ভিতৰত আৰু কেইগৰাকীমান আলঙ্কাৰিক দেখা যায়। ভট্টনায়কে 'হৃদয় দৰ্পণ'ত আৰু মুকুলভট্টই 'অভিধাবৃত্তি মাতৃকা'ত ধ্বনি-সিদ্ধান্তৰ বিৰুদ্ধে যুক্তিপূৰ্ণ আলোচনা উপস্থাপন কৰিছে। তেনেদৰে ধনঞ্জয়ে 'দশৰূপক'ত আৰু ধ্বনিকে 'দশৰূপক'ৰ ওপৰত লিখা 'অৱলোক'ত যুক্তিসহকাৰে কাব্যৰ অন্তঃনিহিত অৰ্থ বুজাবলৈ ব্যৱহাৰ কৰা ব্যঞ্জনা বৃত্তিক অস্বীকাৰ কৰিছে। সেই অৰ্থ সূচাবলৈ তাৎপৰ্য্যবৃত্তি স্বীকাৰ কৰিব পৰা যায়।

এইদৰে দেখা যায় যে ইতিমধ্যে কাব্য জগতত সুগভীৰ ভাৱে প্ৰভাৱ পেলোৱা শক্তিশালী ধ্বনি-সিদ্ধান্তৰ বিৰোধিতা কৰিবলৈ কিছুমান আলঙ্কাৰিক আগবাঢ়ি আহিছিল যদিও পৰবৰ্তী কালত সেই ধাৰণাসমূহ সফল হ'ব পৰা নাছিল।

## ৫.৭ সাৰাংশ (Summing Up)

আনন্দবৰ্ধন ধ্বনিবাদৰ প্ৰধান তথা প্ৰতিস্থাপক প্ৰবক্তা। ধ্বনিৰ ধাৰণা আনন্দবৰ্ধনে নতুনকৈ স্থাপন কৰা নাই। পূৰ্বৰে পৰা এই ধাৰণা আছিল আৰু আনন্দবৰ্ধনে ধ্বনি বিৰোধী সকলৰ প্ৰত্যুত্তৰ দিবলৈ ধ্বনিৰ স্বৰূপ নিৰ্ণয় তথা প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ে। আনন্দবৰ্ধনৰ পূৰ্বৰ অলঙ্কাৰ, গুণ আৰু ৰীতিবাদী সকলৰ দৃষ্টিভঙ্গী পৰিহাৰ কৰি ধ্বনিবাদ প্ৰতিষ্ঠা কৰি সাহিত্য আলোচনাৰ নতুন পথৰ সন্ধান দিয়ে। আনন্দবৰ্ধনৰ পূৰ্বৰ আচাৰ্য্যসকলে কাব্যৰ শৰীৰ তথা বহিৰঙ্গ দিশটো বিচাৰ কৰিছিল, আনন্দবৰ্ধনে কাব্যৰ অন্তঃনিহিত শক্তিৰ ওপৰত গুৰুত্ব দি কাব্য বিচাৰ কৰাৰ দিশ মুকলি কৰে। কাব্যৰ আবেদনৰ মুখ্য বস্তু ৰস। এই ৰস বাচ্য নহয় ই অভিব্যঞ্জিত হয়। ব্যঙ্গাৰ্থ বা প্ৰতীয়মানাৰ্থ যেতিয়া কাব্যত চমৎকাৰ ৰূপত প্ৰতিভাত হয় তেতিয়াই ধ্বনি কাব্য হে পৰে। আনন্দবৰ্ধনে কাব্যত গুণ, ৰীতি, অলঙ্কাৰৰ আৱশ্যকতা স্বীকাৰ কৰিছে কিন্তু আটাইবোৰকে ৰসৰ অধীন বুলি স্বীকাৰ কৰিছে। আনন্দবৰ্ধনে বস্তু, অলঙ্কাৰ আৰু ৰস ধ্বনিক ধ্বনিৰ অন্তৰ্গত কৰিছে। ইয়াৰ ভিতৰত ৰসধ্বনিক শ্ৰেষ্ঠতা প্ৰদান কৰিছে যদিও বস্তু আৰু অলঙ্কাৰ ধ্বনিকো উপেক্ষা কৰা নাই। আনন্দবৰ্ধনে ৰসৰ ধাৰণা ভাৰতৰ পৰা গ্ৰহণ কৰিছিল যদিও এই প্ৰত্যয়ক নাটকৰ পৰা কাব্যলৈ লৈ আনিছিল। আনন্দবৰ্ধনৰ পাছত ধ্বনি সিদ্ধান্তৰ সপক্ষে আৰু বিপক্ষে আলঙ্কাৰিক সকলে স্বকীয় মতাদৰ্শ প্ৰদৰ্শন কৰি গ্ৰন্থ ৰচনা কৰে। সমৰ্থক সকলৰ ভিতৰত অভিনৱগুপ্ত, ক্ষেমেন্দ্ৰ, মম্মটাচাৰ্য্য, ৰুয্যক, হেমচন্দ্ৰ, বিশ্বনাথ কবিৰাজ পণ্ডিতৰাজ জগন্নাথ প্ৰধান। বিৰোধী সকলেও নিজ নিজ গ্ৰন্থসমূহত যুক্তিপূৰ্ণ মত আগবঢ়ায়।

মহিমভট্টই ধ্বনি সিদ্ধান্তৰ বিৰোধিতা কৰি ব্যক্তিবিবেক ৰচনা কৰে। মহিমভট্টৰ মতে ৰসক অভিধা শক্তিৰ দ্বাৰা লাভ কৰিব পৰা যায়। ব্যঞ্জনা শক্তিৰ উপস্থিতি মহিমভট্টই স্বীকাৰ কৰা নাই। কিন্তু ৰসক স্বীকাৰ কৰিছিল। কিন্তু বিশ্বনাথ কবিৰাজ আদিৰ মতে ৰস বাচ্য নহয়, ৰস বাচ্য হ'লে কাব্যত দোষ জন্মে। 'স্বশব্দবাচ্যতা' দোষৰ অন্তৰ্গত হ'ব। সেয়ে মহিমভট্টক ৰসবাদী আনহাতে বিশ্বনাথ কবিৰাজ আদিক ৰসধ্বনিবাদী বুলি ক'ব পৰা যায়। আনন্দবৰ্ধনে ধ্বনিক কাব্যৰ আত্মা বুলি কওঁতে বস্তু, ধ্বনি, অলঙ্কাৰ ধ্বনি আৰু ৰসধ্বনি তিনিওবিধ ধ্বনিক বুজাইছে। বিশ্বনাথ কবিৰাজ আদি আলঙ্কাৰিক ৰস ধ্বনিকহে কাব্যৰ আত্মা বুলি স্বীকাৰ কৰিছে। সেয়ে বিশ্বনাথক প্ৰভৃতিক ৰসধ্বনিবাদী বুলি কব পৰা যায়।

ধ্বনিবাদৰ অগ্ৰগণ্য সমৰ্থক হৈছে মম্মটাচাৰ্য্য। 'কাব্যপ্ৰকাশত' ধ্বন্যালোকৰ সিদ্ধান্তসমূহৰ সমীক্ষাত্মক বিশ্লেষণকে ধ্বনিবাদক মম্মটাচাৰ্য্যই সুপ্ৰতিষ্ঠিত কৰে। 'কাব্যপ্ৰকাশ'ৰ অনুকৰণত পৰৱৰ্তীকালত তিনিখন সুপ্ৰসিদ্ধ গ্ৰন্থ উপলব্ধ হয়। সেই কেইখন হৈছে— হেমচন্দ্ৰৰ 'কাব্যানুশাসন', বিশ্বনাথ কবিৰাজৰ 'সাহিত্য দৰ্পণ' আৰু পণ্ডিতৰাজ জগন্নাথৰ 'ৰসগঙ্গাধৰ'। ধ্বনি সিদ্ধান্তৰ অন্যতম অনুগামী ৰুয্যকৰ 'অলঙ্কাৰসৰ্বস্ব'ত ধ্বনিবিৰোধী মহিমভট্টক কঠোৰ ভাষাৰে সমালোচনা কৰি ধ্বনিবাদক প্ৰতিষ্ঠা কৰাত সহায়তা আগবঢ়োৱা দেখা যায়। হেমচন্দ্ৰৰ 'কাব্যানুশাসন' গ্ৰন্থতো 'ধ্বন্যালোকৰ' প্ৰত্যক্ষ

প্ৰভাৱ সুস্পষ্ট। ধ্বনি সিদ্ধান্তৰ সুগভীৰ প্ৰভাৱেৰে সমৃদ্ধ অন্যতম আলঙ্কাৰিক হৈছে বিশ্বনাথ কবিৰাজ। বিশ্বনাথ কবিৰাজৰ ‘সাহিত্য দৰ্পণ’ত আনন্দবৰ্ধনৰ অভিমতৰ সমালোচনাৰ লগতে স্থান বিশেষে সমৰ্থন উপলব্ধ হয়। বিশেষকৈ পঞ্চম পৰিচ্ছেদত মহিমভট্টই উপস্থাপন কৰা অনুমানক খণ্ডন কৰি ব্যঞ্জণা নিৰূপণ কৰিছে। ধ্বনিবাদৰ অনুগামী অন্যতম প্ৰসিদ্ধ আলঙ্কাৰিক পণ্ডিতৰাজ জগন্নাথৰ ‘ৰসগঙ্গাধৰ’ বিশেষ ভাৱে উল্লেখযোগ্য। ‘ৰসগঙ্গাধৰ’ত পূৰ্বাচাৰ্য্য সকলৰ কাব্যৰ সংজ্ঞা বিশ্লেষণ কৰি কাব্যৰ নতুন সংজ্ঞা উপস্থাপন কৰাৰ উপৰিও আলঙ্কাৰিক গৰাকীয়ে ধ্বনিৰ প্ৰকাৰ, অভিধা লক্ষণা ব্যঞ্জনা বৃত্তিসমূহৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়াইছে।

এইদৰে দেখা যায় ধ্বনিবাদে অলঙ্কাৰশাস্ত্ৰৰ সমালোচনা তথা নব্য ধাৰণাৰ যি পদক্ষেপ আগবঢ়াইছিল সেই পথৰ অনুগামী সকলে স্বকীয় মতাদৰ্শেৰে সেই প্ৰত্যয়ক আৰু অধিক সুদৃঢ় কৰি তুলিছিল।

## ৫.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। আনন্দবৰ্দ্ধনে ধ্বনিবিৰোধী সকলৰ মত খণ্ডন কৰি কিদৰে ধ্বনিক প্ৰতিষ্ঠা কৰিছিল? বহলাই আলোচনা কৰক।
২। ধ্বনিবাদৰ প্ৰভাৱৰ ওপৰত এটি সুবিস্তৃত টোকা প্ৰস্তুত কৰক।
৩। ধ্বনিবাদৰ সমৰ্থনত মম্মটাচাৰ্য্য আৰু বিশ্বনাথ কবিৰাজৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

## ৫.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

আচাৰ্য্য লোকমণি দাহাল, ‘ধ্বন্যালোক’, ভাৰতীয় বিদ্যা প্ৰকাশন, দিল্লী।

ত্ৰৈলোক্যনাথ গোস্বামী, ‘নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য’, বাণী প্ৰকাশ, গুৱাহাটী।

বিশ্বনাৰায়ণ শাস্ত্ৰী, ‘সাহিত্য দৰ্পণ’, শৰাইঘাট প্ৰকাশন, গুৱাহাটী।

ভট্টমথুৰানাথ শাস্ত্ৰী, ‘ৰসগঙ্গাধৰ’, মতীলাল বাণাৰসী দাস, দিল্লী।

মুকুন্দ মাধৱ শৰ্মা, ‘ধ্বনি আৰু ৰসতত্ত্ব’, বাণী প্ৰকাশ, গুৱাহাটী।

সত্যব্ৰত সিংহ, ‘কাব্যপ্ৰকাশ’, চৌখম্বা বিদ্যাভৱন, বাৰাণসী।

সত্যব্ৰত সিংহ, ‘সাহিত্য দৰ্পণ’, চৌখম্বা বিদ্যাভৱন, বাৰাণসী।

P. V. Kane, ‘History of Sanskrit Poetics’, MLBD, Delhi

*****

# ষষ্ঠ বিভাগ
# বক্ৰোক্তিবাদ

**বিভাগৰ গঠন ঃ**


৬.১ ভূমিকা (Introduction)
৬.২ উদ্দেশ্য (Objectives)
৬.৩ বক্ৰোক্তিৰ সংজ্ঞা
৬.৪ বক্ৰোক্তিৰ ইতিহাস আৰু বক্ৰোক্তিবাদ
৬.৫ বক্ৰতাৰ ভেদ
  ৬.৫.১ বৰ্ণ-বিন্যাস বক্ৰতা
  ৬.৫.২ পদ-পূৰ্ব্বাৰ্দ্ধ বক্ৰতা
  ৬.৫.৩ পদোত্তৰাৰ্দ্ধ বক্ৰতা
  ৬.৫.৪ বাক্য বক্ৰতা
  ৬.৫.৫ প্ৰকৰণ বক্ৰতা
  ৬.৫.৬ প্ৰবন্ধ বক্ৰতা
৬.৬ সাৰাংশ (Summing Up)
৬.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৬.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


## ৬.১ ভূমিকা (Introduction)

কাব্যৰ আন এবিধ বহু চৰ্চিত উপাদান হ'ল বক্ৰোক্তি। কাব্যসন্মত আৰু আহ্লাদদায়ক ৰূপে উপস্থাপন কৰা কথাকে বক্ৰোক্তি বোলে। ভাৰতীয় কাব্যতত্ত্বৰ আলোচকসকলৰ ভিতৰত আচাৰ্য ভামহ আৰু দণ্ডীয়ে পোনতে বক্ৰোক্তিৰ আলোচনা আগবঢ়ায় আৰু কুন্তকাচাৰ্যই বক্ৰোক্তিক কাব্যৰ জীৱন বুলি প্ৰতিষ্ঠা কৰে। পৰবৰ্তী আলংকাৰিকসকলে বক্ৰোক্তিক বিশেষ গুৰুত্ব সহকাৰে,আলোচনা কৰা নাই। এই পাঠটিত ৰক্ৰোক্তিৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে।

## ৬.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰিলে আপুনি—

১। বক্ৰোক্তিৰ সংজ্ঞা নিৰূপন কৰিব পাৰিব,

২। বক্ৰোক্তিৰ ইতিহাস সম্পৰ্কে জানিব পাৰিব,

৩। বক্ৰোক্তিবাদৰ স্বৰূপ সম্পৰ্কে ধাৰণা কৰিব পাৰিব,

৪। বক্ৰোক্তিৰ ভেদ বুজিবলৈ সমৰ্থ হ'ব।

## ৬.৩ বক্রোক্তিৰ সংজ্ঞা

একাদশ শতিকাৰ আলংকাৰিক আচাৰ্য কুন্তকে বক্রোক্তিৰ এটি স্পষ্ট ধাৰণা দি কৈছে বক্রোক্তি হ'ল 'বৈদগ্ধ্যভঙ্গী ভনিতি' অৰ্থাৎ ই কথা কোৱাৰ এক বিদগ্ধতাপূৰ্ণ ভঙ্গী। এনে বক্রোক্তিৰ স্বৰূপ সম্বন্ধে কুন্তকে কৈছে—"*শাস্ত্ৰাদি প্ৰসিদ্ধ প্ৰস্থান ব্যতিৰেকী বৈচিত্ৰ্য বিশেষঃ*" অৰ্থাৎ লোকত বা শাস্ত্ৰত যি অৰ্থ বুজাবৰ কাৰণে যি শব্দৰ গাঁথনি প্ৰসিদ্ধ বা প্ৰচলিত তাতকৈ অতিৰিক্ত বা পৃথক এক প্ৰকাৰ শব্দাৰ্থৰ বিচিত্ৰ গাঁথনি, যিটি থকাৰ কাৰণে শব্দাৰ্থৰ সাহিত্যই নিজক কাব্যৰূপে প্ৰকাশ কৰিব পাৰে আৰু সুন্দৰ তথা হৃদয়গ্ৰাহী হৈ সহৃদয় সমাজত আদৰ পাব পাৰে—এই বৈচিত্ৰ্যই হ'ল বক্ৰতা। কুন্তকে ইয়াক বিচিত্ৰ অভিধা বিশেষ বুলিও কৈছে। কাব্যৰ অন্যতম উদ্দেশ্য চমৎকাৰ সাধন বা আহ্লাদ প্ৰদান। সেয়েহে ইয়াৰ উদ্দেশ্য সম্বন্ধে কোৱা হৈছে—"*লোকোত্তৰ চমৎকাৰকাৰি বৈচিত্ৰ্য সিদ্ধয়ে*"। অলৌকিক চমৎকাৰ সম্পদক বৈচিত্ৰ্য সাধনেই হ'ল ইয়াৰ প্ৰধান উদ্দেশ্য।

## ৬.৪ বক্রোক্তিৰ ইতিহাস আৰু বক্রোক্তিবাদ

কুন্তকে প্ৰতিষ্ঠা কৰা বক্রোক্তিক ষষ্ঠ শতিকাতে ভামহেই স্বীকৃতি দিছিল। অলংকাৰ নিৰূপণ প্ৰসংগত তেওঁ বক্রোক্তি যে সমস্ত অলংকাৰৰ আধাৰ তাক স্বীকাৰ কৰিছে। তেওঁৰ মতে বাক্যৰ দ্বাৰা অৰ্থ প্ৰকাশভংগীৰ বৈচিত্ৰ্যই হ'ল বক্রোক্তি। ভামহে অতিশয়োক্তি আৰু বক্রোক্তিৰ মাজত প্ৰভেদ বিচাৰ কৰা নাই।

আচাৰ্য দণ্ডীয়ে ৰসাল অৰ্থৰ উপস্থাপক পদাৱলীক কাব্য বুলি কৈ অলংকাৰ নিৰূপণ প্ৰসংগত আকৌ স্বভাৱোক্তি আৰু বক্রোক্তি ভেদে বাঙ্‌ময় দুবিধ বুলি কৈছে। তাৰ দ্বাৰা দণ্ডীয়ে ভামহৰ অভিপ্ৰেত বক্রোক্তিৰ পৰিসৰ কিছু সংকীৰ্ণ কৰিছে। ভামহৰ মতে অতিশয়োক্তি বা বক্রোক্তি ব্যতিৰেকে কোনো অলংকাৰ বা কাব্যৰ সম্ভাৱনা নাই। দণ্ডীয়ে স্বভাৱোক্তিকো অলংকাৰ বুলি আৰু তদ্‌যুক্ত বাক্যক কাব্য বুলি স্বীকাৰ কৰিছে। অৱশ্যে বক্রোক্তিৰ স্বৰূপ সম্বন্ধেও ভামহৰ লগত দণ্ডীৰ কোনো মতভেদ দেখিবলৈ পোৱা নাযায়।

আলংকাৰিক বামণ আৰু ৰুদ্ৰটে বক্রোক্তিক সমস্ত অৰ্থালংকাৰৰ সামান্যৰূপ বুলি স্বীকাৰ কৰা নাই। বৰং একোটা পৃথক অলংকাৰ বুলিহে স্বীকাৰ কৰিছে। মম্মটভট্ট, বিশ্বনাথ আদি পৰৱৰ্তী আলংকাৰিকসকলে বক্রোক্তিক এটা শব্দালংকাৰ বুলি গণ্য কৰিছে। অৱশ্যে আনন্দৱৰ্ধনে বক্রোক্তিৰ ক্ষেত্ৰত ভামহৰ দৃষ্টিভংগীকে সমৰ্থন কৰিছে। তেওঁৰ অমৰ গ্ৰন্থ "*বক্রোক্তিজীৱিত*"ত ভামহৰ দৃষ্টিভঙ্গী পৰিষ্কাৰ কৰি বক্রোক্তিক এনে উচ্চ স্থান দিলে যে, ই এটা স্বতন্ত্ৰ মতবাদৰূপে সাহিত্য ভাণ্ডাৰৰ বহুমূলীয়া ৰত্নৰাশিৰ ভিতৰত চিৰদিন বিৰাজ কৰি আছে।

শব্দ বাচক, অৰ্থ তাৰ ৱাচ্য, এই বাচ্য-বাচকৰ মিলিত ভাৱকে কাব্য বোলে। প্ৰতিভাৰ দাৰিদ্ৰ্য-বশতঃ যি সকলে কেবল শব্দচ্ছটাৰ মাধুৰ্য্য সৃষ্টি কৰে তেওঁবিলাকে কাব্যৰ যথাৰ্থ সম্পদ বা স্বৰূপ প্ৰকাশ কৰিব নোৱাৰে ; সেইদৰে কেবল অৰ্থৰ চাতুৰ্য্যৰ দ্বাৰা শুকান তৰ্কৰ গাঁথনিত কাব্য সম্পদ ফুটি নুঠে। প্ৰতিভাৰ প্ৰভাৰ দ্বাৰা প্ৰথমতে বৰ্ণনীয় বস্তুটি কবিৰ চিত্তত অব্যক্তভাৱে উদ্ভাসিত হৈ উঠে। সেই বস্তুটি যেতিয়া 'বক্ৰ' অৰ্থাৎ বিচিত্ৰ ৰচনা ভঙ্গীৰ বাক্যৰ দ্বাৰা উজ্জ্বলভাৱে অভিব্যক্ত হৈ উঠে আৰু সহৃদয় জনৰ চিত্তত পৰম আহ্লাদ বা চমৎকাৰ আধান কৰে তেতিয়াই তাক কাব্য বোলা হয়। গতিকে যিসকলে, ৰচনা বৈচিত্ৰ্যৰ দ্বাৰা চমৎকাৰপ্ৰদ, কবিকৌশলকল্পিত, কমনীয় শব্দকে বা অৰ্থকে কাব্য বোলে তেওঁলোক উভয়ে ভ্ৰান্ত।

ভামহৰ "*শব্দাৰ্থৌ সহিতৌ কাব্যম্*"—এই বাক্যতো শব্দাৰ্থৰ বিচিত্ৰভাৱে মিলিত সত্তাকে কাব্য বুলি কোৱা হৈছে। কুন্তকে কৈছে যে, একে কথা বাক্যৰ ভঙ্গীত বিভিন্নভাৱে প্ৰকাশিত হ'লে কাব্য সম্পদৰ প্ৰচুৰ তাৰতম্য ঘটে।

*মানী-বিলোচন-পাতানষণ্ড-ৱাষ্প কলুষানভিগৃহ্ন্।*
*মন্দ মন্দ মুদিতঃ প্ৰয়যৌ খং ভীত ভীত ইৱ শীতময়ুখঃ।।*
*ক্ৰমাদেক-দ্বিত্ৰি প্ৰভৃতি পৰিপাটীঃ প্ৰকটয়ন্*
*কলাঃ স্বৈৰং স্বৈৰং নৱকমল-কন্দাঙ্কুৰৰুচঃ।*
*পুৰন্ধ্ৰীণাং প্ৰেয়ো-বিৰহ-দহনোদ্দীপিত-দৃশাং*
*কটাক্ষেভ্যো বিভ্যন্নিভৃত ইৱ চন্দ্ৰোঽ ভ্যুদয়তে।।"*

এই দুটা কবিতাত একে অৰ্থ বিভিন্নভাবে বিভিন্ন বৰ্ণ-বিন্যাসেৰে প্ৰকাশ হোৱাত ওপৰৰটোতকৈ তলৰটো বেছি ৰমণীয় হৈছে।

*"অভিমানি ললনাৰ শীতল চকুলোঁ টুপি—*
*হৰিলৈ পৃথিৱীৰ পৰা*
*ভয়ে ভয়ে জোন বাই আকাশত উঠি যাই*
*হাঁহি বোলে নপৰিলো ধৰা।।"*
*"প্ৰিয় বিৰহ বেদনা-দাহৰ ৰহণ সনা*
*অসহন কটাক্ষ ঈক্ষণ।*
*দেখি জোন-বাই ডৰে কোমল মৃণাল কৰে*
*সামৰি ললিত কলাগণ।।*
*এটি দুটিকৈ লৈ চুপি চুপি আঁৰ হৈ*
*নীলাঞ্চলে লাহৰি বদন।*
*ঢাকি পাচে জুমি চাই বোলে আৰু ভয় নাই মাৰি হাঁহি বিশ্ববিমোহন।"*

ইয়াতো একে অৰ্থ ভিন্ ভিন্ ধৰণৰ বৰ্ণবিন্যাস বা ৰচনা ভঙ্গিমাৰ কাৰণে তলৰটো যেনে মনোহৰ হৈছে—ওপৰৰটো তাতকৈ কম ৰমণীয় হৈছে।

যদি শব্দ আৰু অৰ্থৰ মিলিত সত্তাই কাব্যত্ব হয়—তেন্তে সকলো বাক্যত সৰ্ব্বদাই শব্দ আৰু অৰ্থৰ মিলন অৱশ্যে থাকে,—বাচ্য অৰ্থ আৰু বাচক শব্দৰ মিলনৰ অভাৱ ক'তোই থাকিব নোৱাৰে, গতিকে ইহঁতৰ মিলিত সত্তাক কাব্য বোলাৰ অৰ্থ কি?

এই প্ৰশ্নৰ উত্তৰত কুন্তকে কৈছে যে, কাব্য হ'ব লাগিলে এই শব্দাৰ্থৰ মিলনৰ এটা অসাধাৰণ—অৰ্থাৎ যিটো সাধাৰণ বাক্যত পোৱা নাযায়—তেনে বৈশিষ্ট্য (যাক চমৎকাৰিতা আদি শব্দৰ দ্বাৰা কোৱা হয়) থাকিব লাগিব। যেতিয়া এটা বাক্য আন এটা বাক্যৰ লগত বিচিত্ৰ বিন্যাসত সংযোজিত হ'ব তেতিয়া বৰ্ণৰ লগত বৰ্ণ মিলি সি যেনেকৈ একপিনে ছন্দ আৰু ধ্বনিৰ সাহায্যত স্বৰ আৰু ধ্বনি লহৰীৰ লিলায়িত গতিৰ দ্বাৰা অতি ৰমণীয় মাধুৰ্য্য সৃষ্টি কৰিব, আন পিনে তেনেকৈ তাৰ কুক্ষিগত অৰ্থবিলাকো তাৰ ললিত গতিৰ অনুৰূপভাৱে তাৰ লগত তুল্য-যোগিতা ৰাখি, পৰস্পৰে মিলি নতুন চমৎকাৰিত্বৰ সৃষ্টি কৰিব। এনেকৈ ধ্বনিৰ লগত ধ্বনিৰ মিলনত আৰু অৰ্থ লগত অৰ্থৰ মিলনত যি পৰস্পৰস্পৰ্দ্ধী অৰ্থাৎ জেদাজেদিভাৱে দুই প্ৰকাৰৰ (শব্দ সমাবেশ আৰু অৰ্থ সমাবেশৰ) চাৰুতা উৎপন্ন হ'ব ; সিহঁতৰ পৰস্পৰৰ সমঞ্জস্যই ইয়াত, সাহিত্য বা মিলন শব্দ অৰ্থ। তেনে মিলনে ই কাব্যত্বৰ প্ৰয়োজক (হেতু)। উদাহৰণস্বৰূপে কুন্তকে, 'মালতী মাধৱ' নাটকৰ শ্লোক এটি উদ্ধৃত কৰিছে। যেনে—

*"অসাৰং সংসাৰং পৰিমুষিত-ৰত্নং ত্ৰিভুৱনং*
*নিৰালোকং লোকং মৰণ-শৰণং ৱান্ধৱজনম্।*
*অদৰ্পং কন্দৰ্পং জন-নয়ন-নিৰ্ম্মাণমফলং*
*জগজ্জীৰ্ণাৰণ্যং কথমসি ৱিধাতুং ব্যৱসিতঃ।।"*

—সংসাৰ অসাৰ হ'ব ত্ৰিভুৱনে হেৰুৱাব
আজি হেৰা অমূল্য ৰতন।
লোকৰ আলোক বাঁতি ইয়াতেই শেষ হ'ব
মৰি যাব য'ত বন্ধু জন।।
কন্দৰ্পৰ-দৰ্প আৰু নাথাকিব জগতত
বৃথা হ'ব নয়ন নিৰ্ম্মাণ।
ভুৱন বননি হ'ব তোমাৰ কুযশ ৰব
এই কাযে হ'লে যত্নবান্।।

কোনো কাপালিকে সুন্দৰী এজনীক বধ কৰিবলৈ উদ্যত হোৱাত কোনো এজনে সুন্দৰীৰ অসাধাৰণ ৰূপ-লাৱণ্য বৰ্ণনা কৰিবলৈ গৈ এই কথা কৈছে। ইয়াত, সুন্দৰীক বধ কৰিলে সংসাৰৰ কি ক্ষতি হ'ব তাকে ক'বলৈ গৈ, যে কবিৰ মনত এটা এটাকৈ কথা ভাহি উঠিছে, তাৰ লগে লগে এইটো ও প্ৰতিভাত হৈছে যে, এইখিনিৰ দ্বাৰা ঠিক যথেষ্ট নহ'ল—এই অভাৱ বোধৰ দ্বাৰা প্ৰণোদিত হৈ কবিয়ে, অৰ্থটি কেনেকৈ আৰু স্পষ্টভাৱে ফুটাই তুলিব পাৰে—তাৰে চেষ্টা কৰিছে ; আৰু যত্নৰ লগে লগে তেওঁৰ প্ৰতিভাচন্দ্ৰৰ প্ৰত্যেকটি কলা যেন এটা এটাকৈ উদ্‌ভাসিত হৈ, নতুন নতুন ভাব-ৰশ্মি বিকীৰণ কৰিছে। তাতে পৰস্পৰস্পৰ্দ্ধী, ভাবৰ মাজেদি একোটি অখণ্ড, পৰিপূৰ্ণ অৰ্থ-সম্পদ ফুটি উঠিছে। প্ৰথমতে ক'লে যে, সুন্দৰী মৰিলে সংসাৰ অসাৰ হ'ব' ; কিন্তু ইয়াৰ দ্বাৰা অন্তৰৰ বেদনা সম্পূৰ্ণভাৱে প্ৰকাশ কৰিব নোৱাৰাত কবিয়ে আকৌ ক'লে যে, 'ত্ৰিভুৱনৰ একমাত্ৰ অমূল্য ৰত্ন অপহৃত হ'ব ; পৃথিৱীৰ আলোক বন্তি নুমাই যাব, এওঁৰ বন্ধু বান্ধৱে মৃত্যু-শয্যা গ্ৰহণ কৰিব, মানুহৰ চক্ষুৰিন্দ্ৰিয় সৃষ্টি নিষ্ফল হ'ব, জগৎ অৰণ্যত পৰিণত হ'ব ; এইদৰে এটা এটাকৈ ভাবৰ কলাবোৰ পৰস্পৰে জেদাজেদি কৈ, প্ৰকাশিত হোৱাত সমগ্ৰ ভাৱময় পূৰ্ণ চন্দ্ৰটি উদ্ভাসিত হৈ উঠিল। কবিয়ে, যদি কেৱল ক'লেহেঁতেন যে এওঁ নিহত হ'লে সংসাৰ অসাৰ হ'ব ; বা বন্ধু বান্ধৱৰ মৃত্যু অৱশ্যম্ভাবী, তেন্তে তাত কোনো চমৎকাৰিত্ব নাথাকিলহেঁতেন। ইয়াত, অনেক বিলাক ৰমণীয়ভাৱে জেদাজেদিকৈ, পৰস্পৰৰ সম্পূৰকভাৱে এটা মহাভাবৰ মাজেদি একেলগে প্ৰতিভাত হ'বৰ কাৰণে এটাই যেন আনটোক অপেক্ষা কৰি, তাৰ লগত সমানভাৱে নিজক প্ৰকাশিত কৰিবলৈ, কবি হৃদয়ৰ ধাৰাৱাহিক যত্নৰ দ্বাৰা, কবি-প্ৰতিভাক ফুটাই তুলিছে আৰু সিহঁতে পৰস্পৰে অঙ্গাঙ্গিভাৱে যি এটা কাব্য সম্পদৰ সৃষ্টি কৰিছে তাতেই তাৰ ৰমণীয়তা বা চমৎকাৰিত্ব ঘটিছে। তৰঙ্গায়িতভাৱে, ভাবৰ উপৰি ভাব উঠি যি আকাঙ্ক্ষা উৎপন্ন কৰিছে তাক যদি, নতুন ভাব উঠি পূৰণ কৰি দিব নোৱাৰিহেঁতেন তেন্তে ইয়াৰ এনে মনোহাৰিত্ব নাথাকিলহেঁতেন। সেইদৰে শব্দৰ গাঁথনি যদি ভাবৰ অনুৰূপ নহ'লহেঁতেন—বিৰুদ্ধ সমাস বা ক্ৰম-ভঙ্গ দোষ, নাইবা যি শব্দৰ য'ত, প্ৰয়োজন তাৰ অভাৱ থাকি গ'লহেঁতেন, তেন্তে ইয়াৰ সৌন্দৰ্য্য হানি ঘটিলহেঁতেন। আৰু শব্দৰ সৌন্দৰ্য্য হানিৰ দ্বাৰা অৰ্থ-সৌন্দৰ্য্যৰো হানি হ'লহেঁতেন। শব্দ আৰু অৰ্থ, এই উভয়কে লৈ যি সমগ্ৰতা বা সাহিত্য, তাৰ প্ৰতি অৱয়বৰ, পৰস্পৰৰ সৌন্দৰ্য্যত, সমগ্ৰটোৰ সৌন্দৰ্য্য ফুটি উঠে। এই সমগ্ৰতাৰ সামঞ্জস্যই, কুন্তকৰ অভিমত ৱক্ৰোক্তিৰ সাধাৰণ ধৰ্ম্ম বা লক্ষণ।

ভামহৰ পদানুসৰণ কৰি কুন্তকেও, স্বভাৱোক্তিৰ অলঙ্কাৰতা খণ্ডন কৰিছে। তেখেতে কয় যে, যিকোনো বস্তুৰ বৰ্ণনা কৰিলেও তাৰ স্বভাৱ তাত অৱশ্যে থাকিব, স্বভাৱক এৰি কোনো বস্তু উপস্থিত হ'ব নোৱাৰে। সেই স্বভাৱৰ লগত অতিৰিক্ত কোনো ধৰ্ম্ম যোগ নহ'লে কোনো ধৰ্ম্মৰ যোগ নহয় ; গতিকে ই

অলঙ্কাৰ নহয়। কিন্তু স্বভাৱোক্তি অলঙ্কাৰ বোলোতাসকলে, ইয়াতে ক'ব যে, যথাৰ্থ স্বভাৱোক্তি স্থলতো বিষয় বস্তুটিৰ বহিৰঙ্গ, জড় ভাবটো প্ৰকাশ কৰা সম্ভৱপৰ নহয় ; মানুহৰ চিত্তত প্ৰৱেশ কৰিলেই সি বিশিষ্ট চিত্ত ধৰ্ম্মৰ দ্বাৰা অধিবাসিত বা অনুৰঞ্জিত হৈ উঠে। কবিয়ে সেই ৰূপটি হে শব্দৰ দ্বাৰা প্ৰকাশ কৰে।

৬.৫ বক্ৰতাৰ ভেদ

কুন্তকে কৈছে যে, কাব্যৰ আত্মস্বৰূপ বক্ৰতা ছবিধ। যেনে—বৰ্ণ বিন্যাস বক্ৰতা, পদ-পূৰ্ব্বাৰ্দ্ধ—(প্ৰাতিপদিক) বক্ৰতা, পদোত্তৰাৰ্দ্ধ (প্ৰত্যয়) বক্ৰতা, বাক্য-বক্ৰতা, প্ৰকৰণ বক্ৰতা, আৰু প্ৰবন্ধ-বক্ৰতা। ইহঁতৰ প্ৰত্যেকৰ অৱান্তৰ-ভেদ বহুত। কবিপ্ৰতিভাৰ বৈচিত্ৰ্য বশতঃ—ই নানাৰূপে প্ৰস্ফুটিত হৈ কাব্যোদ্যানক অলৌকিক শোভা-সম্পন্ন কৰি তোলে।

৬.৫.১ বৰ্ণ-বিন্যাস বক্ৰতা

ফুলৰ পাহিবোৰৰ দৰে বৰ্ণবিলাক যাতে যথাস্থানত সন্নিবিষ্ট আৰু পৰস্পৰস্পৰ্দ্ধিভাৱে সজ্জিত হৈ সহৃদয় সমাজৰ হৃদয়ত অলৌকিক আহ্লাদ বা আনন্দৰ আধান কৰে, তেনে ভাৱে কৰা, অক্ষৰ সন্নিবেশ বা আখৰৰ গাঁথনি বিশেষেই বৰ্ণবিন্যাস-বক্ৰতা। ইয়াকে আনবিলাকে, অনুপ্ৰাস আৰু যমক বুলি কয়। যেনে—

"কাপি বিলাসবিলোলবিলোচনখেলন-জনিত-মনোজম্।
ধ্যায়তি মুগ্ধ-বধূৰধিকং মধুসূদন-বদন-সৰোজম্।।

কৰতল-তাল-তৰল-বলয়াৱলি কলিত কলস্বন-বংশে।
ৰাসৰসে সহ নৃত্য পৰা হৰিণা যুৱতিঃ প্ৰশংসে।।"

—*(গীতগোবিন্দ)*

"জানকী কামিণী কৌতুকে চললি লীলায়ে সখীসৱ সঙ্গে
ৰঙ্গে কৰতু কেলি মেলি আঞ্চোল ডুলাৱে।
নৱ পিউ পৰশ ৰসিক কৰু বালা মালা কৰতলে লোলে।"

ইত্যাদি। *(ৰাম বিজয় নাট)*

ইয়াত, আখৰ গাঁথনিৰ দ্বাৰা, কৰিতাটো শুনা মাত্ৰেই শ্ৰোতাৰ হৃদয় আনন্দত নাছি উঠে। কৰি ৰঘুনাথচৌধুৰীদেৱৰ 'মাধুৰী' কৰিতাটিও এই ৱক্ৰতাৰ উৎকৃষ্ট উদাহৰণ।

### ৬.৫.২ পদ-পূৰ্ব্বাৰ্দ্ধ বক্ৰতা

প্ৰকৃতি আৰু প্ৰত্যয় লগ লাগি এটা পদ হয়। প্ৰকৃতি বা প্ৰাতিপদিকেই পদৰ পূৰ্ব্বাৰ্দ্ধ বা প্ৰথম অংশ। কবিতাত সেই প্ৰাতিপদিক সন্নিৱেশৰ বৈচিত্ৰ্যক বোলা হয় পদ-পূৰ্ব্বাৰ্দ্ধবক্ৰতা। ইয়াৰ অৱান্তৰ-ভেদ বহুত। উদাহৰণ ৰূপে আমি, ইয়াত কেইটামানৰ হে উল্লেখ কৰিম।

**ৰূঢ়িবৈচিত্ৰ্য বক্ৰতাঃ** য'ত বাচ্য অৰ্থৰ অসাধাৰণ উৎকৰ্ষ বা অপকৰ্ষ বুজাবৰ কাৰণে ৰূঢ়ি শব্দ প্ৰয়োগৰ দ্বাৰা কোনো অসম্ভাব্য ধৰ্ম্মৰ অস্তিত্ব সূচনা কৰা হয়, নাইবা সম্ভাৱিত ধৰ্ম্মৰে আধিক্য-প্ৰতীতি জন্মোৱা হয়, তাকে 'ৰূঢ়ি-বৈচিত্ৰ্য-বক্ৰতা' বোলে। যেনে—

"ভাৰ্গৱ ৰামক জিনিয়ে শ্ৰীৰাম-চন্দ্ৰ প্ৰিয়া-সহিতে অযোধ্যাপুৰ প্ৰবেশল।"

*(ৰামবিজয়)*

ইয়াত পৰশুৰাম শব্দৰ বদলি 'ৰাম' এই এই প্ৰাতিপদিকটোৰ ব্যৱহাৰৰ দ্বাৰা কৰিয়ে, বাচ্য পৰশুৰামৰ শৌৰ্য্য বীৰ্য্য আদিৰ আতিশয্য প্ৰকাশ-পূৰ্ব্বক শ্ৰীৰামৰ প্ৰতিপক্ষৰূপে ঠিয় হ'ব পৰা ক্ষমতা, আৰু তেওঁকো জয় কৰিছে বুলি শ্ৰীৰামৰ, তদধিক বিক্ৰমৰ সূচনা কৰিছে। ৰাম শব্দটি ৰূঢ় শব্দ, গতিকে ই ৰূঢ়ি-বৈচিত্ৰ্য-পদ-পূৰ্ব্বাৰ্দ্ধ-বক্ৰতা।

সেইদৰে-

"তদনন্তৰ স্ত্ৰীক দুৰ্জ্জন স্বভাব শুনহ।" *(কেলি গোপাল)*

ইয়াত গোপীণ দৌৰ্জ্জন্যৰ আতিশয্য বা অনন্য-সাধাৰণতা প্ৰকাশ-পূৰ্ব্বক, স্ত্ৰীসঙ্গৰ হেয়তা সূচনা কৰিবলৈ ৰূঢ়ি 'স্ত্ৰী' শব্দটিৰ ব্যৱহাৰ কৰা হৈছে।

**পৰ্য্যায় বক্ৰতা**—এক অৰ্থৰ বোধক নানা শব্দ থাকিলেও যিটোৱে কৰিৰ অভিপ্ৰেত অৰ্থটি বেছি পৰিষ্কাৰ কৈ উপস্থাপিত কৰে নাইবা স্বয়ং বা বিশেষণ আদিৰ যোগত কোনো ৰমণীয় অৰ্থৰ ইঙ্গিত দি বাচ্য অৰ্থটিক অলঙ্কৃত কৰি তোলে, তেনে শব্দৰ যথাস্থানত প্ৰয়োগ কৰাক পৰ্য্যায়-বক্ৰতা বোলে। ইও এক প্ৰকাৰ পদপূৰ্ব্বাৰ্দ্ধ-বক্ৰতা। যেনে-

পাৰিজাতস্য হৰণং নিশম্য কুপিতা সচী।
পতিং পুৰন্দৰং প্ৰাহ ধিগ্‌জন্ম তৱ বজ্ৰিণঃ।।

*(পাৰিজাত হৰণ নাট)*

ইন্দ্ৰৰ বাচক নানা শব্দ থাকিলেও 'পুৰন্দৰ' আৰু 'বজ্ৰী' শব্দ প্ৰয়োগৰ দ্বাৰা 'পৰম পৰাক্ৰমী ইন্দ্ৰৰ বজ্ৰনামৰ মহাস্ত্ৰ হাতত থকা সত্বেও প্ৰতিকাৰ নকৰাৰ কাৰণে ধিক্‌কাৰ দিয়াটো সঙ্গত হৈছে'—এই বোধ, বিজ্ঞ শ্ৰোতাৰ জন্মে। গতিকে, ই পৰ্য্যায়-বক্ৰতা। সেইদৰে-

*'ভালমন্দ লোক চৰচাক নাহি লাজ।*

*কিবা ৰাতি কিবা দিন তিৰী লৈয়া কাজ।।*

শঙ্কৰৰ বচনে হৰিৰ ভৈল হাস।

বোলে মন দিয়া শুন শুন দিগবাস।।" *(উষাপৰিণয়, পীতাম্বৰদ্বিজ)*

'তোমাৰ লাজ নাই, এই কথাৰ উত্তৰত 'দিগবাস' বুলি সম্বোধনৰ দ্বাৰা- 'মোৰ লাজ নাই বুলিছা—তুমি বিবস্ত্ৰ হৈ ফুৰা'—এই অৰ্থৰ সূচনা কৰি 'হৰিৰ হাসক সমৰ্থন কৰা হ'ল। গতিকে 'দিগবাস' এই শব্দটিয়ে ইয়াত পৰ্য্যায়-বক্ৰতাৰ ঘটকা হৈছে। এই দুবিধ বক্ৰতাত অভিধামূলক ব্যঞ্জনা, সৰ্ব্বদাই থাকে। গতিকে এয়ে ধ্বনিবাদীসকলৰ অভিধামূলক ধ্বনি।

*"জয় গুৰু শঙ্কৰ সৰ্ব্বগুণাকৰ যাকেৰি নাহি উপাম।"*

ইয়াত 'শঙ্কৰ' শব্দটি 'সৰ্ব্বগুণাকৰ' ইত্যাদি বিশেষণৰ দ্বাৰা মহাদেৱৰ ইঙ্গিত দি, বাচ্য অৰ্থটিক অধিক ৰমণীয় কৰিছে। য'ত এনে বিশেষণ নাই কেৱল 'শঙ্কৰ আছে যেনে-

*"শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে*

*বহে ব্ৰহ্মাণ্ডক ভেদি।"*

ইয়াত স্বয়ং শঙ্কৰ শব্দটোৱে মহাদেৱৰ ইঙ্গিত দি, তেওঁৰ লগত মহাপুৰুষ শঙ্কৰদেৱৰ উপমানোপমেয়-ভাৱ সূচনাৰ দ্বাৰা বাচ্য অৰ্থটিক ৰমণীয় কৰিছে। পূৰ্ব্বোক্ত শব্দ-শক্ত্যুদ্‌ভৱ-ধ্বনিৰ উদাহৰণ ৰূপে উদ্ধৃত কবিতাও এইবিধ ব্ৰক্ৰতাৰ উদাহৰণ।

কোনো কোনো শব্দই স্থান-বিশেষে নিজৰ অৰ্থৰ বা স্বৰূপৰ সৌকুমাৰ্য্যৰ দ্বাৰাই শ্ৰোতাৰ হৃদয়ৰঞ্জন কৰিব পাৰে। তাত সেই শব্দৰ সমাৱেশো 'পৰ্য্যায় বক্ৰতা' নামৰ 'পদপূৰ্ব্বাৰ্দ্ধ-বক্ৰতা'। যেনে—"ধীৰ গম্ভীৰ মনোহৰ গতি" বুলিলেও য'ত অৰ্থবোধ হয় তাত কোৱা হৈছে—"সুন্দৰ ধীৰ-ললিত-গজাগমনা"। স্তনবাচক নানা শব্দ থাকিলেও "পয়োধৰ অধৰ দৰ্শন নখ হাল"—ইয়াত 'পয়োধৰ' আদি শব্দৰ ব্যৱহাৰ পৰ্য্যায়-বক্ৰতাৰ পোষক।

**উপচাৰ-বক্ৰতাঃ** পদপূৰ্ব্বাৰ্দ্ধ-বক্ৰতাৰ আন এটা ৰূপ হৈছে—উপচাৰ-ৱক্ৰতা। এই বক্ৰতাৰ উদাহৰণ সকলো সাহিত্যতে বহুলভাৱে পোৱা যায়। য'ত আন এটা স্বভাৱৰ বস্তুত আন এটা বস্তুৰ স্বভাৱ আৰোপ কৰা হয় তেনে শব্দ সন্নিবেশক 'উপচাৰ-বক্ৰতা' বোলে। মুৰ্ত্তত অমূৰ্ত্তৰ ধৰ্ম্ম (স্বভাৱ) বা অমূৰ্ত্তত মূৰ্ত্তৰ ধৰ্ম্ম চেতনত অচেতনৰ বা অচেতনত চেতনৰ ধৰ্ম্ম, দ্ৰৱত ঘনৰ বা ঘনত দ্ৰৱৰ ধৰ্ম্ম আৰু সূক্ষ্মত স্থূলৰ বা স্থূলত সূক্ষ্মৰ ধৰ্ম্ম আৰোপ কৰি কবিতাক অতিশয় আহ্লাদজনক কৰি তোলা হয়।

*কাণাইৰ ৰূপৰ কিছু নাহিকে উপাম।"*

*একপুঞ্জ হুয়া আছে গোপিনীৰ প্ৰেম।।" (বড়গীত)*

ইয়াত মূৰ্ত্ত কাণাইত অমূৰ্ত্ত-স্বভাৱ প্ৰেমৰূপতা আৰু অমূৰ্ত্ত প্ৰেমত মূৰ্ত্তৰ ধৰ্ম্ম, পুঞ্জীভাৱ আৰোপ কৰা হৈছে।

বতাহে উৰাই আনি ঢালি দিয়ে তাত।

চেনেহৰ সুমধুৰ তান।

সোণালী কিৰণ জালে আৱৰে জীৱন

আৱেগত কঁপি উঠে প্ৰাণ।। *(যতীন্দ্ৰনাথ দুৱৰা)*

ইয়াত অমূৰ্ত্ত চেনেহত মূৰ্ত্তৰ ধৰ্ম্ম 'বতাহে উৰাই অনা, আৰু মূৰ্তৰ ধৰ্ম 'ঢালি দিয়া', সুৰৰ ধৰ্ম তানত আৰোপ কৰা হৈছে। আৰু প্ৰাণত মূৰ্তৰ ধৰ্ম, কম্পন আৰোপ কৰা হৈছে। এই উপচাৰ বক্ৰতা ধ্বনিবাদী সকলৰ মতে লক্ষণামূলক ধ্বনিৰ বিষয় অৰ্থাৎ—য'তে য'তে লক্ষণামূলক ব্যঞ্জনা ত'তে ত'তে উপচাৰ বক্ৰতা থাকে।

**বিশেষণ-বক্ৰতাঃ** য'ত বিশেষণৰ দ্বাৰা ক্ৰিয়া বা কাৰ্য সৌন্দৰ্য্য ফুটি উঠে তাৰ নাম বিশেষণ-বক্ৰতা। যেনে-

"দেখু সখী ঐচন নিকৰুণ কাল।

পয়োধৰ অধৰ দৰ্শন নখ হাল।।

খসল কেশ-পাশ তুটল হাৰ।।" ইত্যাদি *(কেলিগোপাল)*

ইয়াত গৃহীত বিশেষণ বোৰৰ দ্বাৰা গোপী-কৃষ্ণৰ মিলন ক্ৰিয়াটিক অত্যন্ত ৰমণীয় কৰি তোলা হৈছে।

"চিন্তিত গোপিণী পেখয়ে নৈৰাশা।

লম্বিত আনন ফোকাৰে নিশ্বাসা।।

তনুমন ঝামৰি নয়নে ঝুৰে বাৰি।

পদনখ ক্ষিতি লেখু দেখু অন্ধিয়াৰি।।

কুচ দুহু কুঙ্কুম লেপিত লোলে।

তাপিত ব্ৰজবধূ শঙ্কৰে বোলে।" *(কেলিগোপাল)*

ইয়াত উল্লিখিত বিশেষণবোৰৰ দ্বাৰা বিৰহ-কাতৰা গোপিনী অতি ৰমণীয় হৈ উঠিছে। এই বিশেষণ-বক্ৰতাই বৰ্ণনীয় বিষয়ৰ লগত খাপ খাই ঔচিত্য অনুসাৰী হ'লে সমস্ত সৎকাব্যৰ জীৱনৰূপে থাকে। ইয়াৰ দ্বাৰাই ৰস অতিশয় পৰিপুষ্টভাৱে উথলি উঠে। যিটোৱে নিজ মহিমাৰ দ্বাৰা ৰসস্বভাৱ অলঙ্কাৰক অলৌকিক শোভা-সম্পন্ন কৰি তোলে; কাব্যত তেনে বিশেষণ ব্যৱহাৰ কৰিব লাগে।

**সম্বৃতি বক্ৰতাঃ** য'ত বৈচিত্ৰ্য প্ৰকাশৰ অৰ্থে সৰ্ব্বনাম আদি শব্দ প্ৰয়োগৰ দ্বাৰা কোনো বিষয় আবৃত কৰি ৰখা হয় তাক সম্বৃতি-বক্ৰতা বোলে। ইও পদ-পূৰ্ব্বাৰ্দ্ধ-বক্ৰতাৰ প্ৰকাৰ-বিশেষ।

*"মলয়া পৱনে আহি ক'লে কিবা কাণে কাণে।"*

ইয়াত মলয়া পৱনৰ কথাৰ অৰ্থটি যে ভাষাৰে প্ৰকাশ কৰিব পৰা অৰ্থবিলাকতকৈ অতিৰিক্ত এক ধৰণৰ—এইটো বুজাবৰ কাৰণে 'কিবা' সৰ্বনাম শব্দৰ দ্বাৰা অৰ্থটি আবৃত কৰি কোৱা হৈছে।

**লিঙ্গ-বৈচিত্ৰ্য-বক্ৰতাঃ** আন একপ্ৰকাৰ পদ পূৰ্বাৰ্দ্ধ-বক্ৰতা হৈছে লিঙ্গ-বৈচিত্ৰ্য-বক্ৰতা। বিভিন্ন-লিঙ্গক শব্দৰ প্ৰয়োগৰ দ্বাৰা বক্তব্য অৰ্থ প্ৰকাশিত হ'লেও যে কোনো, বিশেষ লিঙ্গৰ শব্দ ব্যৱহাৰ কৰি, ৰমণীয়তা বঢ়াই দিয়া হয় সেয়ে লিঙ্গ-বৈচিত্ৰ্য-বক্ৰতা।

*"কাৰ পৰশত ফুলিলি বান্ধৈ" ইত্যাদি-(ৰঘুনাথ চৌধুৰী)*

ইয়াত পুলিঙ্গ 'বন্ধু' শব্দ প্ৰয়োগ নকৰি স্ত্ৰীলিঙ্গ 'বান্ধৈ' (বান্ধৱী) শব্দ প্ৰয়োগ কৰাত লিঙ্গ-বৈচিত্ৰ্য-বক্ৰতাৰ পুষ্টি হৈছে।

বৃত্তি-বক্ৰতা, ধাতু বা ক্ৰিয়া-বৈচিত্ৰ্য-বক্ৰতা আদি, পদ-পূৰ্বাৰ্দ্ধ-বক্ৰতাৰ, আৰু কেইটামান ভেদ আছে।

### ৬.৫.৩ পদোত্তৰাৰ্দ্ধ বক্ৰতা

সুপ্-তিঙ্ ৰূপ প্ৰত্যয়ৰ সন্নিবেশৰ দ্বাৰা য'ত বৰ্ণনাটিক হৃদয়গ্ৰাহী কৰি তোলা হয়, সেইপ্ৰত্যয়াশ্ৰিত বক্ৰতাক প্ৰত্যয়-বক্ৰতা বা পদোত্তৰাৰ্দ্ধ-বক্ৰতা বোলা হয়। এই বক্ৰতাও কাৰকবৈচিত্ৰ-বিহিত, পুৰুষ বৈচিত্ৰ্য-বিহিত আদি ভেদে নানাপ্ৰকাৰ।

**কাৰক-বৈচিত্ৰ্য-বিহিতঃ** য'ত কাব্যৰ শোভাৰ্থে অকাৰকক কাৰকৰূপে বা আন কাৰকক আন কাৰকৰূপে উপস্থাপিত কৰা হয় সেই বক্ৰতা কাৰকবৈচিত্ৰ্যবিহিত। যেনে-

*"সুখৰ আহত শান্ত উল্লাসে বহন কৰিছে ব্যৰ্থ নিশ্বাস।"* (দেৱকান্ত বৰুৱা)

আৰু - *"উচ্ছ্বাস আৰু অশ্ৰুৰ মাজত শুইছে বিশ্ৰামে ক্লান্ত হৈ।"*

ইয়াত বহন আৰু শয়ন ক্ৰিয়াৰ অকৰ্ত্তা উল্লাস আৰু বিশ্ৰামক তাৰ কৰ্তাৰূপে উপস্থাপিত কৰাত কবিতা ফাকি বেছি মনোমোহা হৈছে।

*"কৰুণা ভৰা হৃদয় মাজে। কিয়নো বিকল ৰাগিণী বাজে।।"*

হৃদয় মাজ ৰাগিণী বাজনাৰ কোনো কাৰক নহয় যদিও, তাক কাব্য শোভাৰ্থে অধিকৰণ কাৰকৰূপে উপস্থাপিত কৰা হৈছে।

**পুৰুষ-বৈচিত্ৰ্য-বিহিতঃ** কাব্য শোভাৰ্থে য'ত প্ৰথম, মধ্যম, উত্তম পুৰুষৰ কোনো এটা ব্যৱহাৰ কৰা হয় সেই বক্ৰতা 'পুৰুষ-বৈচিত্ৰ্যবিহিত।

*"কহে কৃষ্ণ-কিঙ্কৰ হৰিক ভজ লোই।*

*হৰি বিনে সুহৃদ বান্ধৱ নাহি কোই।।"* (বৰগীত)

এই কথা কৃষ্ণকিঙ্কৰে নিজে কৈছে হেতুকে যদিও ইয়াত উত্তম পুৰুষ ব্যৱহাৰ কৰা উচিত আছিল। তথাপি প্ৰথম পুৰুষ ব্যৱহাৰ কৰি নিজৰ বিনয় প্ৰকাশৰ দ্বাৰা কাব্য-শোভাৰ পুষ্টিসাধন কৰা হৈছে।

দৃষ্টান্তৰূপে ইয়াত কেই প্ৰকাৰমান বক্ৰতাৰ কথা কোৱা হ'ল। কবিৰ প্ৰতিভা-প্ৰভাৱত পূৰ্বোক্ত পদপূৰ্বাৰ্দ্ধবক্ৰতা আৰু পদোত্তৰাৰ্দ্ধ-বক্ৰতা আৰু বহুপ্ৰকাৰ হ'ব পাৰে।

৬.৫.৪ বাক্য বক্ৰতা

অৱয়ৱী এটা, সৰ্বাঙ্গসুন্দৰ হ'বলৈ হ'লে যিদৰে অৱয়ব বিলাকৰ প্ৰত্যেকৰ সৌন্দৰ্য্যৰ বাহিৰেও সেইবিলাকৰ বিৰেশ-সৌষ্ঠৱ অৱশ্যে অপেক্ষণীয়, সেইদৰে সৰ্বাঙ্গসুন্দৰ কাব্য হ'বলৈ হ'লেও বক্ৰভাৱাপন্ন পদ বিলাকৰ বক্ৰভাৱে বা বিচিত্ৰভাৱে সমাৱেশ অৱশ্যে অপেক্ষণীয়। অৱয়ৱবিলাকৰ সৌন্দৰ্য্য আৰু সেইবিলাকৰ সন্নিৱেশ-সৌন্দৰ্য্যৰ দ্বাৰা অৱয়ৱীত তদতিৰিক্ত একপ্ৰকাৰ সামূহিক সৌন্দৰ্য্য ফুটি উঠে। পদ আদি অৱয়ৱৰ বক্ৰতাৰ বাহিৰে বাক্যত পদবিলাকৰ সন্নিবেশ-বৈচিত্ৰ্যৰূপ আন একপ্ৰকাৰ বক্ৰতা থাকে; তাকে বোলে বাক্যবক্ৰতা। অৰ্থাৎ বাক্যটি যিবিলাক পদৰ দ্বাৰা, যেনেভাৱে গঠন কৰিলে সহৃদয় সামাজিকৰ হৃদয়ত অলৌকিক আহ্লাদ বা আনন্দপৰিস্পন্দবিশেষ আধান কৰিব পাৰে, কাব্যৰ সেই ভঙ্গিমাটিৰ নাম বাক্যবক্ৰতা।

এই বাক্য-বক্ৰতাও কবিৰ ৰুচি আৰু প্ৰতিভা অনুসৰি বহু প্ৰকাৰ হয়। সমস্ত অৰ্থালঙ্কাৰ এই বাক্য-বক্ৰতাৰ ভিতৰতে পৰে। সকলো সালঙ্কাৰ, ৰসাল কবিতাই ইয়াৰ উদাহৰণ।

৬.৫.৫ প্ৰকৰণ বক্ৰতা

বাক্য কিছুমান লগ-লাগি একোটা প্ৰকৰণ হয়। যিদৰে কিছুমান সুন্দৰ বস্তু সুন্দৰভাৱে সজ্জিত কৰি ৰাখিলে তাৰ দ্বাৰা তাত এটা সামুদায়িক সৌন্দৰ্য্য উৎপন্ন হয়,—তাৰ ভিতৰত কোনো এটা বস্তু যথাস্থানত সন্নিবিষ্ট নহ'লে সেই সৌন্দৰ্য্যৰ ত্ৰুটি ঘটে ; সেইদৰে বাক্যাৰ্থবিলাকৰ যথাৰীতি সন্নিৱেশৰ দ্বাৰাহে প্ৰকৰণ বা অধ্যায় এটা, নাটকৰ ক্ষেত্ৰত, প্ৰত্যেকটা অঙ্ক মনোহৰ হৈ উঠে। এনে প্ৰকৰণৰ মনোহাৰী ৰচনাই প্ৰকৰণ-বক্ৰতা। যেনে শ্ৰীশঙ্কৰদেৱৰ ৰচিত 'ৰাম বিজয়' নাটকত পৰশুৰামৰ লগত ৰামৰ সমাগম-প্ৰসঙ্গত, পৰশুৰামৰ আৰু মহৰ্ষি বিশ্বামিত্ৰৰ

হতাহতিৰ কথা অৱতাৰণা কৰা হৈছে। মহৰ্ষি বিশ্বামিত্ৰ নিজে লগত থাকি শ্ৰীৰামৰ এনে বিপদৰ সময়ত একাষাৰ কথাও নোকোৱাকৈ থকাটো অশোভন। কবিয়ে এই অশোভাৰ বাৰণৰ অৰ্থেই এই খণ্ড যুদ্ধখনৰ অৱতাৰণা কৰিছে। এনেকৈ কাব্য বা নাটকত ৰসৰ পৰিপুষ্টিৰ কাৰণে নানা পাত্ৰ-পাত্ৰী বা ঘটনা-বৈচিত্ৰ্যৰ অৱতাৰণা সৰ্বত্ৰই কৰা হয়।

৪.১ প্ৰৱন্ধ বক্ৰতা

ওপৰৰ পাঁচবিধ বক্ৰতাৰ সমাৱেশত গোটেই গ্ৰন্থখনত যি এটা সামুহিক বৈচিত্ৰ্য জন্মে যিটোৰ দ্বাৰা, সমগ্ৰ গ্ৰন্থখন এটা পৰিপুষ্ট চমৎকাৰাত্মক আহ্লাদৰ হেতু হয় ; সেইটোক বোলা হয় প্ৰৱন্ধৱক্ৰতা। সমগ্ৰ কাব্য বা নাটক ইয়াৰ উদাহৰণ। কুন্তকে বৈচিত্ৰ্যপূৰ্ণ বাক্য ভঙ্গীক কাব্যৰ জীৱন বুলিছে। ৰসবাদীসকলৰ ৰস আৰু ৰসাভাস আদিক নাইবা, অন্যান্য কাব্য ধৰ্মক তেওঁ অস্বীকাৰ কৰা নাই।

"নিৰন্তৰ ৰসোদ্গাৰ-গৰ্ভ-সৌন্দৰ্য্যনিৰ্ভৰাঃ।
গিৰঃ কৱীনাং জয়ন্তি ন কথামাত্ৰমাশ্ৰিতঃ।। *(ৱক্ৰোক্তি জীৱিত)*

এই শ্লোকত কুন্তকে স্পষ্টভাৱে কবিবাক্যত ৰসৰ প্ৰাধান্য স্বীকাৰ কৰিছে। আচাৰ্যজনে কৈছে যে—

*"মাৰ্গানুগুণ্যসুভগো মাধুৰ্য্যাদিগুণোদয়ঃ।*
*অলঙ্কৰণ-বিন্যাসো ৱক্ৰতাতি-শয়ান্বিতঃ।।*
*বৃত্ত্যৌচিত্য-মনোহাৰি ৰসানাং পৰিপোষণম্।*
*স্পৰ্দ্ধয়া বিদ্যতে যত্ৰ যথাস্বমুভয়োৰপি।।*
*সা কাপ্যৱস্থিতি স্তদ্বিদাহ্লাদৈক নিৱন্ধনম্।*
*পদাদিবাক্‌পৰিস্পন্দ-সাৰঃ সাহিত্যমুচ্যতে।।"*

উক্ত মাৰ্গ, মাধুৰ্য্যাদি গুণ, অলঙ্কাৰ বিন্যাস, বক্ৰতা বিন্যাস, বৃত্তি, ঔচিত্য আৰু নানাবিধ ৰসৰ পৰিপুষ্টি - এই সকলো শব্দ আৰু অৰ্থ এই উভয়কে আশ্ৰয় কৰি, পৰস্পৰে স্পৰ্দ্ধা সহকাৰে (জেদাজেদিভাৱে) থাকে। সেই বাক্য-শোভাৰ সাৰভূত, সামাজিকৰ আহ্লাদৰ হেতু, অৱস্থা বিশেষেই প্ৰকৃত সাহিত্য।

ইয়াৰ দ্বাৰা, অন্যান্য সাহিত্যিকৰ অঙ্গীকৃত, সকলো সাহিত্য ধৰ্মৰে উপযোগিতা বা উপাদেয়তা স্বীকাৰ কৰা হৈছে। কিন্তু পূৰ্বোক্তৰূপ, বক্ৰতাৰ দ্বাৰাই ৰস ব্যঞ্জিত বা আস্বাদিত হয় গতিকে, এওঁৰ মতে, বক্ৰোক্তিয়ে কাব্যৰ প্ৰাণ বা আত্মা। "বক্ৰোক্তিঃ কাব্য-জীৱিতম্"।

**আত্মমূল্যায়ন প্ৰশ্ন**

বামন, ৰুদ্ৰত আৰু পৰৱৰ্তী আলংকাৰিকসকলে বক্ৰোক্তিক কেনেদৰে স্বীকৃতি দিছে? (৬০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

## ৬.৬ সাৰাংশ (Summing Up)

ষষ্ঠশতিকাতে ভামহে বক্ৰোক্তিক সকলো অলংকাৰৰ সাধাৰণ ধৰ্ম বুলি মত পোষণ কৰিছিলে। ভামহৰ এই অভিমতকে আধাৰ ৰূপে গ্ৰহণ কৰি ৰাজানক কুন্তকে 'বক্ৰোক্তি কাব্য-জীৱিতম্' অৰ্থাৎ বক্ৰোক্তিয়ে কাব্যৰ জীৱন বা প্ৰাণ বুলি যুক্তিৰে বক্ৰোক্তিবাদ প্ৰতিষ্ঠা কৰিলে। তেওঁৰ মতে বক্ৰোক্তি হ'ল 'বৈদগ্ধ্য ভংগী ভনিতি এনে বিদগ্ধতাপূৰ্ণ ভংগীতে কাব্যসুষমা লুকাই থাকে। তেওঁৰ মতে কাব্যত বক্ৰোক্তি ছয় প্ৰকাৰে প্ৰকাশ পায়। তেনেদৰে আশ্ৰয় অনুযায়ী বক্ৰোক্তিক ছটা ভাগত ভাগ কৰিব পাৰি।

## ৬.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। বক্ৰোক্তিৰ সংজ্ঞা লিখি কুন্তকৰ বক্ৰোক্তিবাদৰ আলোচনা কৰক।

২। ব্যাখ্যা কৰক – *'বক্ৰোক্তি কাব্যজীৱিতম্'*।

## ৬.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Reading)


ড° মুকুন্দ মাধৱ শৰ্মা : *ধ্বনি আৰু ৰসতত্ত্ব*

যতীন বৰা : *ছন্দ, ধ্বনি আৰু অলঙ্কাৰ*

তীৰ্থনাথ শৰ্মা : *সাহিত্য-বিদ্যা পৰিক্ৰমা*

ত্ৰৈলোক্যনাথ গোস্বামী : *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য*

মনোৰঞ্জন শাস্ত্ৰী : *সাহিত্য দৰ্শন*

S.K. Dey : *Sanskrit Poetics*


●●●

# সপ্তম বিভাগ
# বক্ৰোক্তিবাদ আৰু আচাৰ্য কুন্তক

**বিভাগৰ গঠনঃ**


৭.১ ভূমিকা (Introduction)
৭.২ উদ্দেশ্য (Objectives)
৭.৩ সংস্কৃত অলংকাৰশাস্ত্ৰৰ পৰম্পৰা
৭.৪ বক্ৰোক্তিবাদৰ পৰম্পৰা
৭.৫ ভামহ, দণ্ডী আৰু ৰুদ্ৰটৰ দৃষ্টিত বক্ৰোক্তি
৭.৬ কুন্তকৰ বক্ৰোক্তিবাদ
৭.৭ কবি প্ৰতিভা
৭.৮ বক্ৰোক্তিৰ প্ৰকাৰ
৭.৯ সাৰাংশ (Summing up)
৭.১০ আৰ্হি প্ৰশ্ন (Sample questions)
৭.১১ প্ৰসঙ্গ গ্ৰন্থ (Reference/suggested Readings)


## ৭.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত বক্ৰোক্তিৰ ধাৰণা আৰু প্ৰয়োগ সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত বক্ৰোক্তিবাদ আৰু আচাৰ্য কুন্তকৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা দাঙি ধৰা হ'ব।

সৌন্দৰ্যপ্ৰীতি মানুহৰ সহজাত প্ৰবৃত্তি। সৌন্দৰ্যৰ সৈতে আনন্দ ওতঃপ্ৰোতভাৱে জড়িত। মাৰ্কিন দাৰ্শনিক জৰ্জ ছাণ্টায়নে ১৮৯৬ চনত প্ৰকাশিত তেওঁৰ 'The Sense of Beauty' নামৰ গ্ৰন্থত কৈছে— ''Beauty is constituted by the objectification of pleasure. It is pleasure objectified'' - এই মত অনুসৰি ক'ব পাৰি যে সৌন্দৰ্যৰ উপলব্ধিয়েহে চিত্তত আনন্দৰ স্ফুৰণ ঘটায়। কিন্তু এই আনন্দ লৌকিক অথবা পাৰ্থিৱ বিষয়ভোগৰ পৰা ওপজা আনন্দ নহয়, ই এক ইন্দ্ৰিয়াতীত আনন্দ। সাহিত্যৰ মাজতো সেই সৌন্দৰ্য পৰিস্ফুট হয়। কাব্য এখনত কবিয়ে প্ৰকাশভংগী সুন্দৰ, ৰুচিসন্মত, হৃদয়গ্ৰাহী কৰিবলৈ অনবৰতে ব্যগ্ৰ হৈ থাকে। কাব্যক সৌন্দৰ্যমণ্ডিত কৰিব পৰা উপাদানসমূহৰ লক্ষণ, স্বৰূপ, প্ৰয়োজন আদি নিৰ্ণয় আৰু বিশ্লেষণ কৰিবলৈ অলংকাৰশাস্ত্ৰ প্ৰণয়ন কৰাৰ আৱশ্যকতা অনুভৱ কৰিলে। কাব্যৰ উৎকৰ্ষ সাধন কৰা কাৰকসমূহ যিদৰে বিস্তৃতভাৱে আলোচনা কৰিলে ঠিক সেইদৰে কাব্যৰ অপকৰ্ষ ঘটোৱা কাৰকসমূহো ব্যাখ্যা কৰিলে। এইক্ষেত্ৰত ভৰতমুনিৰ পৰা পণ্ডিতৰাজ জগন্নাথলৈ বিভিন্ন আলংকাৰিকে অলংকাৰশাস্ত্ৰ ৰচনা কৰি স্বকীয় মতবাদ সাব্যস্ত কৰিলে। তেওঁলোকৰ দৃষ্টিভংগীৰ ওপৰত ভিত্তি কৰি সৃষ্টি হয় অলংকাৰশাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়। তেনে কিছুমান উল্লেখযোগ্য সম্প্ৰদায় হ'ল— ৰস সম্প্ৰদায়, অলংকাৰ

সম্প্ৰদায়, বক্ৰোক্তি সম্প্ৰদায়, ধ্বনি সম্প্ৰদায়, ৰীতি সম্প্ৰদায়, ঔচিত্য সম্প্ৰদায় ইত্যাদি। এই সম্প্ৰদায়সমূহৰ মাজত পৰস্পৰ নিবিড় সম্বন্ধ থাকিলেও কাব্যৰ আত্মা বিচাৰত পাৰ্থক্য পৰিলক্ষিত হয়। খ্ৰীষ্টীয় দশম-একাদশ শতাব্দীৰ সময়ছোৱা ভাৰতীয় অলংকাৰশাস্ত্ৰৰ বাবে অতি উল্লেখযোগ্য। এই কালছোৱাতে অভিনৱগুপ্ত, কুন্তক আৰু ভোজ আদি আলংকাৰিকে ভাৰতীয় কাব্যশাস্ত্ৰত নৱ নৱ চিন্তাৰ উন্মেষ ঘটায়। এই অধ্যায়টিত কুন্তকৰ বক্ৰোক্তিবাদৰ বিষয়ে আলোচনা কৰা হৈছে।

## ৭.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰি আপোনালোকে—

- কুন্তকৰ বক্ৰোক্তিবাদৰ ঐতিহাসিক পটভূমি সম্পৰ্কে আভাস পাবলৈ সমৰ্থ হ'ব,
- বক্ৰোক্তিজীৱিতত আলোচনা কৰা বক্ৰোক্তিৰ ধাৰণাৰ লগত পৰিচিত হ'ব পাৰিব,
- কাব্যগত বক্ৰতা কবি প্ৰতিভাৰ বলতহে যে উজলি উঠে সেই বিষয়ে এটি ধাৰণা লাভ কৰিব,
- বক্ৰোক্তি এক প্ৰকাৰ অসাধাৰণ প্ৰকাশ ক্ষমতা বুলি অনুধাৱন কৰিব পাৰিব আৰু কাব্যৰ প্ৰয়োজনীয় উপাদানৰূপে বিশ্লেষণ কৰিব পাৰিব।

## ৭.৩ সংস্কৃত অলংকাৰশাস্ত্ৰৰ পৰম্পৰা

সংস্কৃত অলংকাৰশাস্ত্ৰৰ এটি দীঘলীয়া আৰু বৈচিত্ৰ্যময় পৰম্পৰা আছে। বেদ হৈছে ভাৰতীয় সাহিত্যৰ মূলাধাৰ। ৰস, গুণ, ধ্বনি, অলংকাৰ ইত্যাদি কাব্য সৌন্দৰ্যৰ কাৰকসমূহৰ উপস্থিতি বৈদিক সাহিত্যত দেখিবলৈ পোৱা যায়। ঋগ্বেদৰ পৰাই অলংকাৰশাস্ত্ৰৰ পৰম্পৰাই পাতনি মেলে। দেৱতাৰ স্তুতিমূলক মন্ত্ৰসমূহত লৌকিক কবি-হৃদয়ৰ পৰিচয় পোৱা যায়। ঋগ্বেদৰ প্ৰথম মণ্ডলৰ এটা মন্ত্ৰত 'ইযুষীৰাগমুপমা শাশ্বতীনাম্' (১û১১১û৫৫) এনেদৰে উপমাৰ উল্লেখ পোৱা যায়। ঋগ্বেদত অলংকাৰ শব্দৰ স্থানত অৰংকৃত, অৰংকৃতি আদি শব্দৰ প্ৰয়োগ পৰিলক্ষিত হয়। তাত উপমা, অনুপ্ৰাস, অতিশয়োক্তি, উৎপ্ৰেক্ষা, অনন্বয় আদি অলংকাৰৰ দৃষ্টান্ত দৃষ্টিগোচৰ হয়। ঋগ্বেদৰ ঊষা সূক্তৰ এটা মন্ত্ৰত (১.১২৪.৭) মাধুৰ্যগুণ তথা উপমা অলংকাৰৰ হৃদয় আহ্লাদকাৰী প্ৰয়োগ দেখিবলৈ পোৱা যায়। গতিকে ঋগ্বেদতেই অলংকাৰশাস্ত্ৰৰ বীজ অঙ্কুৰিত হৈছিল বুলি ক'ব পাৰি। বৈদিক ঋষিসকলৰ কলাত্মক অভিব্যক্তিত উপমা আৰু ৰূপকৰ বীজ পোৱা যায়। কালক্ৰমত উপনিষদ আৰু বেদাংগ সাহিত্যতো সাহিত্যকলাৰ সংযোজন ঘটিল। কঠোপনিষদত ৰূপকৰ মনোৰম দৃষ্টান্ত দেখিবলৈ পোৱা যায় (১û৩û৩)। তৈত্তিৰীয় উপনিষদত 'ৰসো বৈ সঃ' বুলি কৈ ৰসক পৰমানন্দৰ হেতু বুলি আখ্যা দিছে। শতপথ ব্ৰাহ্মণতো স্পষ্টভাৱে অলংকাৰ শব্দৰ উল্লেখ পোৱা

যায় (১৩û৮û৪)। অৱশ্যে বৈদিক সাহিত্যত কাব্যতত্ত্বৰ বিষয়সমূহৰ সমাবেশ হ'লেও সেইবোৰৰ লক্ষণ, স্বৰূপাদি প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও নিৰূপণ কৰা গ্ৰন্থ দেখিবলৈ পোৱা নাযায়।

যাস্কই নিৰুক্তত উপমাৰ লক্ষণ আৰু পাঁচোটা প্ৰকাৰ সবিস্তৰে বৰ্ণনা কৰিছে (৩û১৩)। এইক্ষেত্ৰত কৰ্মোপমা, ভূতোপমা, ৰূপোপমা, সিদ্ধোপমা, লুপ্তোপমা ভেদে উপমাৰ শ্ৰেণী বিভাজন কৰিছে। যাস্কই উপমাৰ উদাহৰণস্বৰূপে কিছুমান মন্ত্ৰ উদ্ধৃত কৰিছে। তেওঁৰ পূৰ্বসূৰী গাৰ্গ্যই উপমাৰ লক্ষণ নিৰ্দিষ্ট কৰিছিল (অথাত উপমা। যদতত্তত্সদৃশমিতি।) পাণিনিয়ে অষ্টাধ্যায়ীত 'উপমানানি সামান্যবচনৈঃ' (২û১û৫৫) এই সূত্ৰত উপমাৰ অপৰিহাৰ্য উপাদান উপমানৰ উল্লেখ কৰিছে। ৰামায়ণ-মহাভাৰতত নৱ ৰস তথা অলংকাৰৰ সুচাৰু প্ৰয়োগৰ অনেক উদাহৰণ পোৱা যায়। এই মহাকাব্য দুখন অতি মধুৰ অলংকৃত শৈলীত ৰচিত হৈছে। ৰামায়ণৰ সুন্দৰকাণ্ডৰ চতুদৰ্শ সৰ্গত অশোকবনত বিৰহ-বেদনাত জৰ্জৰিত সীতাৰ অৱস্থা উপমা অলংকাৰৰ সহায়ত প্ৰকাশ কৰা হৈছে। কাব্যিক সৌন্দৰ্যৰ ক্ষেত্ৰত সৰ্বশ্ৰেষ্ঠৰূপে পৰিগণিত ৰামায়ণৰ সুন্দৰকাণ্ডত কবিয়ে বৰ্ণনীয় বিষয়ক কমনীয় কল্পনাৰে যিধৰণে উপস্থাপন কৰিছে তাত তেওঁৰ কাব্যিক প্ৰতিভাৰ উমান পাব পাৰি। শ্লোকসমূহত অনুৰণিত হোৱা অনুপ্ৰাসৰ ঝংকাৰে পাঠকৰ হৃদয় উদ্বেলিত কৰে। উপমা, ৰূপক, উৎপ্ৰেক্ষা আদি অলংকাৰৰ মাধ্যমত ৰামায়ণৰ প্ৰকৃতি বৰ্ণনা অধিক পৰিপুষ্টি লাভ কৰিছে। ৰামায়ণ আৰু মহাভাৰতত উপলব্ধ তথ্যৰ আধাৰতে আলংকাৰিকসকলে মহাকাব্যৰ লক্ষণ নিৰ্ধাৰণ কৰিবৰ প্ৰয়াস কৰিছিল। ৰামায়ণ-মহাভাৰতৰ পৰৱৰ্তী সময়তো নানবিধ সাহিত্যকলাৰ সমাবেশেৰে উত্তম কাব্য ৰচনাৰ সোঁত প্ৰবাহিত হোৱা দেখা যায়।

সংস্কৃত অলংকাৰশাস্ত্ৰৰ প্ৰাচীনতম আলংকাৰিক হৈছে ভৰতমুনি। তেওঁ ৰচনা কৰা নাট্যশাস্ত্ৰই প্ৰথম অলংকাৰ শাস্ত্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে। নাট্যশাস্ত্ৰত নাটকৰ উৎপত্তি, ৰংগমঞ্চৰ আকাৰ, অভিনয়ৰ প্ৰকাৰ, কাব্যৰ গুণ-দোষ, অলংকাৰ, ৰসসূত্ৰ ইত্যাদি বিষয় আলোচিত হৈছে। কাব্যত ৰসৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি ভৰতে কৈছে যে ৰস অবিহনে কোনো অৰ্থ প্ৰতিপাদন কৰিব নোৱাৰি (ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ততে)। ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা আৰু বিস্ময়— এই আঠবিধ স্থায়িভাৱৰ পৰা সৃষ্টি হোৱা আঠবিধ ৰস যথাক্ৰমে- শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস আৰু অদ্ভুত ৰস ইয়াত উল্লেখ কৰিছে। নাট্যক উদ্দেশ্য কৰি প্ৰতিপাদন কৰা বাবে এইবোৰক নাট্যৰস বুলি জনা যায়। আনন্দবৰ্ধন, মম্মট প্ৰভৃতি আলংকাৰিকে দৃশ্যকাব্যৰ বাহিৰেও শ্ৰব্যকাব্যসমূহৰ ক্ষেত্ৰটো এই অষ্টৰসক স্বীকাৰ কৰি ল'লৈ আৰু তাৰ লগত শম নামৰ স্থায়িভাৱৰ পৰা সৃষ্টি হোৱা শান্তৰসকো যোগ দিলে। নাট্যকলাৰ লগত ৰসৰ সম্পৰ্ক থকাৰ বাবেই নাট্যশাস্ত্ৰত ৰসবিষয়ক আলোচনাই স্থান পাইছে। ভৰতমুনিৰ পৰা পণ্ডিতৰাজ জগন্নাথলৈ প্ৰসিদ্ধ আলংকাৰিকে বিভিন্ন সময়ত অলংকাৰশাস্ত্ৰ প্ৰণয়ন কৰি

সাহিত্যকলাৰ বিভিন্ন বিষয় সুপ্ৰতিষ্ঠিত কৰি গৈছে। তেনে অলংকাৰশাস্ত্ৰসমূহৰ ভিতৰত কিছুমান উল্লেখ যোগ্য হ'ল— ভামহৰ কাব্যালংকাৰ, দণ্ডীৰ কাব্যাদৰ্শ, আনন্দবৰ্ধনৰ ধ্বন্যালোক, কুন্তকৰ বক্ৰোক্তিজীৱিত, বামনৰ কাব্যালংকাৰ সূত্ৰ, ক্ষেমেন্দ্ৰৰ ঔচিত্যবিচাৰচৰ্চা, মম্মটৰ কাব্যপ্ৰকাশ, বিশ্বনাথৰ সাহিত্য দৰ্পণ, জগন্নাথৰ ৰসগংগাধৰ।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) সংস্কৃত অলংকাৰশাস্ত্ৰৰ বৈদিক পৰম্পৰা মানে কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৭.৪ বক্ৰোক্তিবাদৰ পৰম্পৰা

প্ৰাচীন অলংকাৰশাস্ত্ৰসমূহত বক্ৰোক্তিৰ প্ৰসংগই বিশেষ স্থান লাভ কৰিছে। আলংকাৰিকসকলে ৰস, অলংকাৰ, ধ্বনি, ৰীতি আদি উপাদানসমূহৰ দৰে বক্ৰোক্তিকো প্ৰয়োজনীয় উপাদানৰূপে বিবেচনা কৰে। ভামহৰ বক্ৰোক্তিবাদ বিষয়ক চিন্তাৰ পৰিপূৰ্ণতা লাভ কৰে কুন্তকৰ বক্ৰোক্তিত। ভাৰতীয় কাব্যশাস্ত্ৰত কুন্তকে মৌলিক প্ৰতিভা তথা প্ৰচুৰ মেধা শক্তিৰে যি বক্ৰোক্তিক সুকীয়া মতবাদৰূপে প্ৰতিষ্ঠা কৰিলে তাৰ পটভূমি অতি প্ৰাচীন। বক্ৰোক্তিক কাব্যৰ প্ৰাণ বুলি কুন্তকে প্ৰতিষ্ঠা কৰিলেও ইয়াৰ প্ৰয়োজনীয়তা তেওঁৰ পূৰ্ববৰ্তী সংস্কৃত কবি আৰু আলংকাৰিকসকলে স্বীকাৰ কৰিছে। লৌকিক সংস্কৃত সাহিত্যৰ প্ৰসিদ্ধ কবি সুবন্ধু, অমৰুক আৰু বাণভট্টই স্বকীয় কাব্যত বক্ৰোক্তিৰ উল্লেখ কৰিছে। সুবন্ধুই বাসবদত্তাৰ বিভিন্ন স্থানত অলংকাৰশাস্ত্ৰৰ বিষয়সমূহ উল্লেখ কৰিছে। তেওঁ বক্ৰোক্তিৰ মূল উপাদান 'বৈদগ্ধ্যৰ' সৈতে সম্পূৰ্ণ পৰিচিত যে আছিল সেইটো নিম্নপ্ৰদত্ত শ্লোকৰ পৰাই জানিব পাৰি—

সৰস্বতী দত্তপ্ৰবৰপ্ৰসাদশ্চক্ৰে সুবন্ধুঃ সুজনৈকবন্ধুঃ।

প্ৰত্যক্ষৰ - শ্লেষময়প্ৰবন্ধবিন্যাসবৈদগ্ধ্যনিধিৰ্নিবন্ধম্।। - (বাসবদত্তা, ১৩)

অমৰুকে 'অমৰুশতকম্'ত বক্ৰোক্তিৰ বিবেচনা শব্দৰ ক্ৰীড়ালাপ অৰ্থত প্ৰয়োগ কৰিছে (সা পত্যু প্ৰথমেহপৰাধসময়ে সখ্যোপদেশবিনা নো জানাতি সংবিভ্ৰমাংগবলনাবক্ৰোক্তিসংসূচনম্- অমৰুশতকম্, ২৯)। সংস্কৃত গদ্য সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ গদ্যকাৰ বাণভট্টই কাদম্বৰী কাব্যত উজ্জয়িনীৰ নাগৰিকক বক্ৰোক্তি-নিপুণ

বুলি বৰ্ণনা কৰিছে। (শিক্ষিতাশেষদেশভাষেণ বক্ৰোক্তিনিপুণেন আখ্যায়িকাখ্যান-পৰিচয়চতুৰেণ)। শুকনাসৰ বৰ্ণনা প্ৰসংগতো 'কামিনী-কুচপত্ৰভংগেষু বক্ৰতা' এনেদৰে কৈ বক্ৰোক্তিৰ উল্লেখ কৰিছে। কাদম্বৰীত 'শুক-সাৰিকা'ৰ প্ৰসংগতো বক্ৰতাৰ উল্লেখ পোৱা যায়। বাণভট্ট বিৰচিত হৰ্ষচৰিতত বক্ৰোক্তি শব্দৰ স্পষ্ট উল্লেখ নাথাকিলেও ইয়াৰ পৰ্য্যায়বাচী হিচাপে বৈদগ্ধ্য শব্দৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। বাণভট্টই বক্ৰোক্তিৰ ধাৰণা শব্দ-অৰ্থৰ চমৎকাৰপূৰ্ণ বচন-বিদগ্ধতাৰ অৰ্থত গ্ৰহণ কৰিছে। নিঃসন্দেহে বাণভট্ট বক্ৰোক্তি মাৰ্গত নিপুণ কবি আছিল। ৰাঘবপাণ্ডবীয়ৰ ৰচক কবিৰাজে বাণভট্টক বক্ৰোক্তিমাৰ্গনিপুণ বুলি আখ্যা দি বাণভট্টৰ এনেদৰে প্ৰশংসা কৰিছে—

> সুবন্ধুৰ্বাণভট্টশ্চ কবিৰাজ ইতি ত্ৰয়ঃ।
> বক্ৰোক্তিমাৰ্গনিপুণাশ্চতুৰ্থো বিদ্যতে ন বা।। (ৰাঘৱপাণ্ডবীয়, ১/৪১)

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

১) বক্ৰোক্তিবাদৰ বিকাশত লৌকিক সংস্কৃত সাহিত্যৰ কবিসকলৰ অৱদান কিদৰে বিচাৰ কৰিব পাৰি? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

## ৭.৫ ভামহ, দণ্ডী আৰু ৰুদ্ৰটৰ দৃষ্টিত বক্ৰোক্তি

কুন্তকৰ আগতে ভৰত, ভামহ, দণ্ডী, বামন আদি আলঙ্কাৰিকসকলে বক্ৰোক্তিক বিভিন্ন ধৰণে বিচাৰ কৰিছে। ভামহে কাব্যালঙ্কাৰ গ্ৰন্থত বক্ৰোক্তিক সকলো অলংকাৰৰ মূল হিচাপে স্বীকাৰ কৰি ইয়াক কাব্যতত্ত্বৰ অপৰিহাৰ্য ধৰ্ম বুলি গণ্য কৰিছে। তেওঁৰ মতে বক্ৰোক্তি এবিধ অলংকাৰ নহয়, ই হৈছে উক্তি-বৈচিত্ৰ্য মাত্ৰ। তেওঁৰ মতে শব্দ আৰু অৰ্থ উভয়তে বক্ৰতা থকা উচিত যিয়ে বাক্‌ভংগীক চমৎকৃত কৰে। বচনভংগীৰ বক্ৰতাই অলংকাৰ। ভামহে অলংকাৰৰ লক্ষণ এনেদৰে দিছে—

> বক্ৰাভিধেয়শব্দোক্তিৰিষ্টা বাচামলংকৃতিঃ — (কাব্যালংকাৰ, ১/৩৬)

অৰ্থাৎ শব্দ আৰু অভিপ্ৰেত অৰ্থক বক্ৰভাৱে প্ৰকাশ কৰা উক্তি-বৈচিত্ৰ্যই বাক্যৰ সৌন্দৰ্য বা অলংকাৰ। দণ্ডীয়ে কাব্যাদৰ্শ গ্ৰন্থত কাব্যৰ শোভা বৃদ্ধি কৰা ধৰ্মকে অলংকাৰ বুলি আখ্যা দিছে এনেদৰে— কাব্যশোভাকৰান্ ধৰ্মানলংকাৰান্ প্ৰচক্ষতে। বামনৰ মতে সৌন্দৰ্য বা অলংকাৰেই কাব্যৰ স্বৰূপসূচক মূল উপাদান। কিয়নো অলংকাৰৰ পৰাই বাক্য কাব্য বুলি গৃহীত হয় (কাব্যং গ্ৰাহ্যমলংকাৰাত্ - কাব্যালংকাৰ

সূত্র)। এই অলংকাৰনো প্ৰকৃততে কি, এই সম্পৰ্কে তেওঁ কৈছে 'সৌন্দৰ্য্যমলংকাৰঃ' অৰ্থাৎ সৌন্দৰ্য্যই অলংকাৰ।

ভামহে বক্ৰোক্তিক অতিশয়োক্তিৰ সমতুল্য হিচাপে গণ্য কৰিছে। বঢ়াই কোৱাৰ আকাংক্ষা অথবা অতিশয়োক্তিৰ প্ৰভাৱ সকলো অৰ্থালংকাৰতেই বিদ্যমান। আচলতে অলংকাৰৰ জৰিয়তে কাব্যক সৌন্দৰ্যমণ্ডিত কৰা হয়, সেয়া সম্ভৱ হৈ উঠে অতিশয়োক্তিৰ জৰিয়তে। অতিশয়োক্তিৰ দ্বাৰা কবিয়ে অসাধাৰণ অনুভূতিক প্ৰকাশ কৰি সহৃদয়ৰ মনত আনন্দৰ উদ্ৰেক কৰে। অসম্ভৱ বৰ্ণনা বা বৰ্ণনা বাহুল্যৰ অনুপস্থিতিত অতিশয়োক্তি অত্যুক্তিৰহিত। ভামহৰ দৃষ্টিত এই অতিশয়োক্তিয়েই বক্ৰোক্তি। ইয়াৰ দ্বাৰা অৰ্থ বিচিত্ৰ ৰূপত প্ৰকাশিত হয় বাবে কবিয়ে বিশেষ চেষ্টা কৰিব লাগে। ইয়াৰ অবিহনে কোনো অলংকাৰ সম্ভৱ নহয়। ভামহে বক্ৰোক্তি বা অতিশয়োক্তি বিহীন ৰচনা কাব্যৰূপ লোৱাৰ পোষকতা কৰা নাই। ভামহৰ মতে কাব্যৰ সৌন্দৰ্য সৰল বা পোনপটীয়া উক্তিত নাথাকে, কাব্য-সৌন্দৰ্যৰ মূল উৎস হ'ল বক্ৰোক্তি। তেওঁ বক্ৰোক্তিবিহীন কথনক বাৰ্তা (দৈনন্দিন প্ৰচলিত সাধাৰণ উক্তি বা শাস্ত্ৰাদিৰ উক্তি) বুলি আখ্যা দিছে এনেদৰে—

বাৰ্তামেনাং প্ৰচক্ষতে— (কাব্যালংকাৰ, ২/৮৭)

বক্ৰোক্তি বিষয়ক ধাৰণা আচাৰ্য দণ্ডীৰ কাব্যাদৰ্শ গ্ৰন্থতো পোৱা যায়। দণ্ডীয়ে কাব্যক দুটা ভাগত ভাগ কৰিছে - স্বভাৱোক্তি আৰু বক্ৰোক্তি। তেওঁ স্বভাৱোক্তি অলংকাৰক প্ৰধান অলংকাৰ হিচাপে স্বীকাৰ কৰিছে। স্বভাৱোক্তিত পদাৰ্থৰ পোনপটীয়া অথবা স্বাভাৱিক বৰ্ণনা পোৱা যায়, এনে বৰ্ণনা কম চমৎকাৰপূৰ্ণ বা চিত্তাকৰ্ষক হয়। কিন্তু বক্ৰোক্তিত পদাৰ্থৰ পোনপটীয়া বৰ্ণনা পোৱা নাযায়, বক্ৰ অথবা চমৎকাৰপূৰ্ণ বৰ্ণনাৰ পয়োভৰ দেখা যায়। দণ্ডীৰ মতে বক্ৰোক্তিত শ্লেষৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে যাৰ দ্বাৰা কাব্যৰ শোভা বৃদ্ধি হয়—

শ্লেষঃ সৰ্বাসু পুষ্ণাতি প্ৰায়ো বক্ৰোক্তিষু শ্ৰিয়ম্।
ভিন্নং দ্বিধা স্বভাবোক্তিৰ্বক্ৰোক্তিশ্চেতি বাঙ্ময়ম্।। (কাব্যাদৰ্শ, ২/৩৬৩)

বক্ৰোক্তিৰ ইতিহাসত ৰুদ্ৰটেই পোনপ্ৰথমবাৰৰ বাবে বক্ৰোক্তিক এটা বিশেষ শব্দালংকাৰ বুলি বিবেচনা কৰিছে। বিশ্বনাথ কবিৰাজেও সাহিত্যদৰ্পণৰ প্ৰথম পৰিচ্ছেদত বক্ৰোক্তিক এক প্ৰকাৰ শব্দালংকাৰ বুলি স্বীকাৰ কৰিছে। ৰুদ্ৰটৰ মতে বক্ৰোক্তি দুই প্ৰকাৰৰ— শ্লেষ বক্ৰোক্তি আৰু কাকু বক্ৰোক্তি। শব্দৰ শ্লেষ (এটা শব্দৰ দুটা বা ততোধিক অৰ্থ)ৰ কাৰণে শ্ৰোতাই বক্তাৰ ঈপ্সিত অৰ্থ গ্ৰহণ নকৰি আন এটা অৰ্থ গ্ৰহণ কৰিলে তাক শ্লেষ-বক্ৰোক্তি বোলে। (কাব্যালংকাৰ,২/১৪-১৫)। সেইদৰে উচ্চাৰণ তথা স্বৰৰ আৰোহ-অৱৰোহৰ কাৰণে বক্তাই কোৱা কথা অন্য এজনে বেলেগ অৰ্থত গ্ৰহণ কৰিলে তাক কাকু বক্ৰোক্তি বোলা হয়। ৰুদ্ৰটৰ দৃষ্টিভংগীৰে ক'ব পাৰি যে যেতিয়া বক্তাৰ দ্বাৰা ব্যৱহৃত উক্তি শ্লেষ বা কাকুৰ (স্বৰ-বিকৃতি) জৰিয়তে অন্য এটা অৰ্থলৈ ৰূপান্তৰিত কৰা হয় তাকে সাধাৰণতে বক্ৰোক্তি বোলা হয়।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

১। ভামহৰ বক্ৰোক্তিৰ ধাৰণাই বক্ৰোক্তিবাদৰ বিকাশত কিদৰে সহায় কৰিছিল? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। ৰুদ্ৰটে উল্লেখ কৰা বক্ৰোক্তিৰ দুটা প্ৰকাৰৰ বিষয়ে চমুকৈ লিখক। (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৭.৬ **কুন্তকৰ বক্ৰোক্তিবাদ**

খ্ৰীষ্টীয় একাদশ শতাব্দীৰ কাশ্মীৰৰ আলংকাৰিক কুন্তকে বক্ৰোক্তিজীৱিতম্ নামৰ অলংকাৰ গ্ৰন্থ ৰচনা কৰে। উক্ত গ্ৰন্থখনৰ অধ্যায়সমূহক উন্মেষ নামৰে জনা যায়। বক্ৰোক্তিজীৱিত গ্ৰন্থত কাৰিকা আৰু কুন্তকৰ স্বৰচিত বৃত্তি পোৱা যায়। প্ৰসংগক্ৰমে কুন্তকে বিভিন্ন গ্ৰন্থৰ পৰা শ্লোক উদাহৰণ হিচাপে উদ্ধৃত কৰিছে। সৰ্বমুঠ চাৰিটা উন্মেষ যুক্ত গ্ৰন্থখনৰ প্ৰথম উন্মেষত কাব্যৰ প্ৰয়োজন, কাব্যৰ লক্ষণ, বক্ৰোক্তিৰ লক্ষণ, সাহিত্য শব্দৰ ব্যুৎপত্তি আৰু বক্ৰতাৰ ছটা প্ৰকাৰ আলোচনা কৰিছে। গ্ৰন্থখনত তেওঁ তিনিটা মাৰ্গৰ (ৰীতি) বৰ্ণনা কৰিছে। সেই মাৰ্গ তিনিটা হ'ল—সুকুমাৰ মাৰ্গ, বিচিত্ৰ মাৰ্গ আৰু মধ্যম মাৰ্গ। দ্বিতীয় উন্মেষত ছয় প্ৰকাৰ বক্ৰোক্তিৰ অন্যতম বৰ্ণবিন্যাস বক্ৰতাৰ বিস্তৃত আলোচনা আছে। সেই প্ৰসংগত যমক অলংকাৰকো বৰ্ণবিন্যাস বক্ৰতাৰ এটা প্ৰকাৰ হিচাপে উল্লেখ কৰিছে। ইয়াত কুন্তকে পদপূৰ্বাৰ্দ্ধ আৰু প্ৰত্যয়াশ্ৰিত বক্ৰতাৰো আলোচনা উদাহৰণৰ সৈতে কৰিছে। তৃতীয় উন্মেষত বক্ৰোক্তিৰ চতুৰ্থ প্ৰকাৰ অৰ্থাৎ বাক্যবক্ৰতাৰ আলোচনা কৰিছে। চতুৰ্থ উন্মেষত প্ৰকৰণ বক্ৰতা আৰু প্ৰবন্ধ বক্ৰতা আলোচিত হৈছে। বক্ৰোক্তিজীৱিত গ্ৰন্থ ৰচনাৰ উদ্দেশ্য সম্পৰ্কে গ্ৰন্থখনৰ প্ৰথম উন্মেষৰ আৰম্ভণিতে কুন্তকে কৈছে— "লোকোত্তৰচমৎকাৰকাৰিবৈচিত্ৰ্যসিদ্ধয়ে"। কুন্তকৰ মতে অলৌকিক চমৎকাৰী অৰ্থাৎ পাঠকক আহ্লাদিত কৰিব পৰা বিচিত্ৰতা সৃষ্টিয়েই গ্ৰন্থখন ৰচনাৰ উদ্দেশ্য। কুন্তকৰ এই উক্তিৰ মাজতে বক্ৰোক্তিৰ বীজ নিহিত হৈ আছে। কুন্তকৰ মতে বক্ৰোক্তি কাব্যৰ জীৱন।

বক্র আৰু উক্তি এই দুটা পদৰ সংযোগত বক্ৰোক্তি শব্দটো নিষ্পন্ন হৈছে। বক্র শব্দৰ সাধাৰণ অৰ্থ হ'ল বেঁকা, উক্তিৰ অৰ্থ হ'ল বচন। গতিকে বক্ৰোক্তি শব্দটোৰ অৰ্থ হ'ল বিচিত্ৰ বা বেঁকাকৈ কোৱা উক্তি বা বচন। প্ৰচলিত উক্তিৰ পৰা পৃথক চমৎকাৰযুক্ত বচনভংগী বা ৰচনাশৈলীয়েই হ'ল বক্ৰোক্তি। বক্ৰোক্তিজীৱিতৰ প্ৰথম উন্মেষত বক্ৰোক্তিক তেওঁ 'বৈদগ্ধভংগীভণিতি' বুলি কৈছে এনেদৰে— 'বক্ৰোক্তিৰেব বৈদগ্ধ্যভংগীভণিতিৰুচ্যতে'। বৈদগ্ধ্যভংগীৰ অৰ্থ হ'ল কবি-প্ৰতিভা সম্ভূত বিচক্ষণ শৈলী, ভণিতিৰ অৰ্থ হ'ল বচন। এইদৰে কুন্তকে কবি কৰ্মৰ নিপুণতাৰ পৰা উৎপন্ন হোৱা মনোৰম আৰু চমৎকাৰপূৰ্ণ বাক্‌ভংগীক বক্ৰোক্তি বুলি কৈছে। বক্ৰোক্তি সিদ্ধান্ত অনুসৰি কাব্য সৌন্দৰ্য উক্তি-বৈচিত্ৰ্যৰ ওপৰত নিৰ্ভৰ কৰে আৰু বিচিত্ৰ উক্তিয়ে হৈছে কাব্যৰ জীৱন। কুন্তকে বক্ৰোক্তিক কাব্য সৌন্দৰ্যৰ মানদণ্ড হিচাপে স্বীকাৰ কৰি ইয়াক কাব্যৰ জীৱন স্বৰূপ বুলি কৈছে। কুন্তকে তেওঁৰ পূৰ্ববৰ্তী আলংকাৰিক ভামহৰ কাব্যৰ লক্ষণৰ দ্বাৰা প্ৰভাৱিত হৈ বক্ৰোক্তিৰ ধাৰণা আগবঢ়াইছিল। শব্দাৰ্থৰ সংযোগত কাব্য হয়। অলৌকিক আনন্দ প্ৰদান কৰিব পৰা তেনেকুৱা শব্দাৰ্থৰ বিচিত্ৰ ব্যৱহাৰ চাতুৰ্যৰ অন্য নাম বক্ৰোক্তি। কুন্তকে কৈছে—

শব্দাৰ্থৌ সহিতৌ বক্ৰকবিব্যাপাৰশালিনী।
বন্ধে ব্যৱস্থিতৌ কাব্যং তদ্বিদাহ্লাদকাৰিণি।।— (বক্ৰোক্তিজীৱিত, ১।৭)

দেখা গ'ল যে কুন্তকে কাব্যৰ পৰিভাষা ভামহৰ 'শব্দাৰ্থৌ সহিতৌ কাব্যম্ এই কাব্য লক্ষণেৰে আৰম্ভ কৰি শব্দ আৰু অৰ্থৰ ওপৰত সমান গুৰুত্ব প্ৰদান কৰিছে। কিন্তু কেৱল চমৎকাৰ শব্দ বা অৰ্থৰ দ্বাৰাই কাব্যসৃষ্টি কৰিব নোৱাৰি। কুন্তকৰ মতে কাব্যক অলংকৃত কৰা শব্দ আৰু অৰ্থৰ বাহিৰে অন্য যদি কিবা গুৰুত্বপূৰ্ণ উপাদান আছে সেয়াই হ'ল বক্ৰোক্তি। কাব্যগত বক্ৰতা কবি প্ৰতিভাৰ বলতহে উজলি উঠে।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

'বক্ৰোক্তিৰেব বৈদগ্ধ্যভংগীভণিতিৰুচ্যতে'— এই উক্তিৰ তাৎপৰ্য কি? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ৭.৭ কবি প্ৰতিভা

বক্ৰোক্তিজীৱিত গ্ৰন্থত কুন্তকে কৈছে যে কাব্যিক সৃষ্টিত কবি-প্ৰতিভাই প্ৰাধান্য লাভ কৰে - কবিপ্ৰতিভাপ্ৰৌঢ়িৰেব প্ৰাধান্যেনাৱতিষ্ঠতে। প্ৰতিভা হৈছে কবিসকলৰ সৃজনীমূলক সামৰ্থ্য আৰু ইয়াৰ বলতে কবিৰ অন্তৰৰ অনুভূতিসমূহ বহিঃ প্ৰকাশ লাভ

কৰে। অভিনৱগুপ্তই ধ্বন্যালোকৰ লোচন টীকাত কৈছে যে প্ৰতিভা হ'ল অপূৰ্ব বস্তু নিৰ্মাণ কৰিবৰ বাবে সক্ষম এক প্ৰকৃষ্ট জ্ঞান (প্ৰতিভা অপূৰ্ববস্তুনিৰ্মাণক্ষমা প্ৰজ্ঞা- ধ্বন্যালোক, ১৫৬)।আনন্দবৰ্ধনে কৈছে যে অপাৰ কাব্যৰ জগতখনত কবি নিজেই প্ৰজাপতি অৰ্থাৎ সৃষ্টিকৰ্তা ব্ৰহ্মা। তেওঁ নিজে যেনেদৰে ইচ্ছা কৰে তেনেদৰেই এই বিশ্বখনৰ  ৰূপৰ পৰিৱৰ্তন ঘটাই ল'ব পাৰে -

অপাৰে কাব্যসংসাৰে কবিৰেকঃ প্ৰজাপতিঃ।

যথাস্মৈ ৰোচতে বিশ্বং তথেদং পৰিবৰ্ততে।। - (ধ্বন্যালোক, তৃতীয় উদ্যোত) কবিজনৰ যদি শৃংগাৰ ৰসত অনুৰাগ থাকে তেনেহ'লে সমগ্ৰ জগতখনেই ৰসময় হৈ পৰে।  আকৌ তেওঁৰ যদি অনীহাৰ ভাৱ হয় তেতিয়া সমগ্ৰ জগত নিৰস হৈ পৰে। প্ৰতিভাৰ বলতহে কবিয়ে স্বইচ্ছাৰে চেতন বস্তুক অচেতনৰূপে আৰু অচেতন বস্তুক চেতনৰূপে আচৰণ কৰাব পাৰে। মহাকবিসকলৰ ৰচনাত যি এক সুন্দৰ ব্যঙ্গাৰ্থ প্ৰকাশিত হয় সেই ৰচনাই এটি বিশেষ ধৰণৰ অলৌকিক প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। প্ৰতিভাৰ সহায়ত কবিয়ে ভূত, ভৱিষ্যত আৰু বৰ্তমান- এই তিনিও কালৰে বস্তু বা ঘটনা দেখা পায়। কাব্যালংকাৰৰ প্ৰণেতা ৰূদ্ৰটে কবি প্ৰতিভা, ব্যুৎপত্তি আৰু অভ্যাসক কাব্যৰ কাৰণ বুলি কৈছে। ৰাজশেখৰে কবিৰ সহজাত সামৰ্থ্যৰ প্ৰাধান্যকে স্বীকাৰ কৰে আৰু তেওঁৰ মতে এই সহজাত প্ৰবৃত্তিয়ে প্ৰতিভা আৰু পাৰদৰ্শিতা সৃষ্টি কৰে। কেৱল প্ৰতিভাসম্পন্ন কবিসকলেহে বাক্‌বৈচিত্ৰ্যৰে পাঠকৰ হৃদয় আহ্লাদিত কৰিব পাৰে। দৰাচলতে বক্ৰোক্তিৰ মাজত থকা শব্দাৰ্থৰ বৈচিত্ৰ্যই কাব্যত্বৰ মূল ভেটি। বৈচিত্ৰ্যবিহীন কেৱল বাৰ্তা-বোধক বাক্যই কাব্যত্বৰ দাবী কৰিব নোৱাৰে। এনে বৈচিত্ৰ্য সৃষ্টিৰ বাবে লাগে কবি প্ৰতিভা। এনে প্ৰতিভাৰ জৰিয়তে কবিয়ে অভিপ্ৰেত ভাৱধাৰাক শব্দেৰে ৰূপায়িত কৰি তাক পাঠকৰ বাবে আনন্দদায়ক কৰি তোলে। সেয়েহে কুন্তকে কাব্য সৃষ্টিত কবিগত প্ৰতিভাক আগস্থান দিছে।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

কাব্যসৃষ্টিত কবি-প্ৰতিভাৰ গুৰুত্ব কিদৰে বিবেচনা কৰা হয়? (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৭.৮ বক্ৰোক্তিৰ প্ৰকাৰ

কুন্তকৰ মতে কাব্যত বক্ৰতা প্ৰধানকৈ ছয় বিধ। সেইবোৰ হ'ল — বৰ্ণবিন্যাসবক্ৰতা, পদপূৰ্বাৰ্দ্ধবক্ৰতা, প্ৰত্যয়াশ্ৰিত-বক্ৰতা, বাক্য-বক্ৰতা, প্ৰকৰণ-বক্ৰতা আৰু প্ৰবন্ধ-বক্ৰতা।

বৰ্ণবিন্যাস বক্রতা অক্ষৰ বা বৰ্ণৰ বিন্যাসত (যথাস্থানত সংযোগ কৌশল) থাকে। শব্দৰ অন্তৰ্ভুক্ত অক্ষৰ সংযোগ যদি উপযুক্ত অৰ্থ প্ৰতিপাদক তথা হৃদয়গ্ৰাহী হয়, তেনে অক্ষৰযুক্ত ৰচনা বৰ্ণবিন্যাস বক্রতাৰ অন্তৰ্গত। অনুপ্ৰাস আৰু যমক অলংকাৰ যুক্ত ৰচনাত এনে ধৰণৰ বক্রতা বিদ্যমান।

সুবন্ত বা তিঙন্ত যুক্ত পদৰ পূৰ্বৰ ৰূপ হৈছে প্ৰাতিপদিক। প্ৰাতিপদিকৰ প্ৰয়োগৰ বৈচিত্ৰ্যই হৈছে পদপূৰ্বাৰ্দ্ধবক্রতা। ইয়াৰ ৰূঢ়ি বৈচিত্ৰ্য বক্রতা, পৰ্যায় বক্রতা, উপচাৰ বক্রতা, বিশেষণ বক্রতা, সংবৃত্তি বক্রতা, বৃত্তিবৈচিত্ৰ্য বক্রতা, লিংগ বৈচিত্ৰ্য বক্রতা ইত্যাদি বহুতো প্ৰকাৰ দেখিবলৈ পোৱা যায়।

কুন্তকৰ মতে সুপ্ আৰু তিঙ্ প্ৰত্যয়ৰ সমাগমে ৰচনাক যেতিয়া চমৎকাৰপূৰ্ণ কৰি তোলে তেতিয়া তাক প্ৰত্যয়াশ্ৰিত বক্রতা বোলে। এই প্ৰকাৰ বক্রতাত সংখ্যা (একবচন-দ্বিবচন-বহুবচন), কাৰক, পুৰুষ (প্ৰথম, মধ্যম, উত্তম) আদিৰ সুনিপুণ প্ৰয়োগত কাব্যগত বক্রতাই মহত্ত্ব লাভ কৰে।

পদৰ সমষ্টিয়ে বাক্যৰ সৃষ্টি কৰে। বাক্যৰ অবয়ব স্বৰূপ পদৰ সৌন্দৰ্যই বাক্যৰ সৌন্দৰ্য বৃদ্ধি কৰে। বাক্য এটা অভিপ্ৰেত অৰ্থ প্ৰকাশ কৰিব পৰা পদচয়নৰ দ্বাৰা যথাস্থানত বক্রভাবে বা বিচিত্ৰভাৱে সন্নিবেশ কৰিলে সেই বাক্য সুন্দৰ আৰু মনোগ্ৰাহী হৈ পৰে। ইয়াকে বাক্য বক্রতা বোলে। সকলোবোৰ অৰ্থালংকাৰেই বাক্য বক্রতাৰ অন্তৰ্গত। কবিপ্ৰতিভাৰ ভিন ভিন ৰূপৰ বাবে বাক্য বক্রতাৰ প্ৰকাৰো অসংখ্য।

এখন গ্ৰন্থত বিষয়বস্তু বৈচিত্ৰ্যৰ বা ঘটনা বৈচিত্ৰ্যৰ অৱতাৰণা কিছুমান বাক্যৰ জৰিয়তে একোটা খণ্ডত কৰা হয়। এনেকুৱা খণ্ডবিশেষক (অধ্যায়) কুন্তকে প্ৰকৰণ বুলি কৈছে। এখন গ্ৰন্থৰ খণ্ডবিশেষত বিষয়বস্তু বা ইতিবৃত্তৰ ৰমণীয় উপস্থাপন কৌশলেই প্ৰকৰণ বক্রতা।

উপৰি উক্ত পঞ্চ বক্রতা প্ৰবন্ধ বক্রতাৰ অংগ বা সহায়ক হিচাপে থাকে। প্ৰবন্ধ মানে হ'ল সমস্ত দৃশ্যকাব্য তথা শ্ৰব্যকাব্য। প্ৰবন্ধ বক্রতা কাব্যত মুখ্য হিচাপে থাকে। পাঁচবিধ বক্রতাৰ সৌন্দৰ্যৰ ওপৰতে দৰাচলতে প্ৰবন্ধৰ সৌন্দৰ্য নিৰ্ভৰ কৰে। পাঁচবিধ বক্রতাৰ সন্নিবেশত কোনো দৃশ্যকাব্য বা শ্ৰব্যকাব্যত সামগ্ৰিকভাৱে যি বৈচিত্ৰ্যৰ সৃষ্টি হয়, যাৰ দ্বাৰা সমগ্ৰ কাব্যখন হৃদয়গ্ৰাহী হৈ পৰে তাকেই প্ৰবন্ধ বক্রতা বোলা হয়।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

পঞ্চ প্ৰকাৰ বক্রোক্তিৰ সৈতে প্ৰবন্ধ বক্রতাৰ সম্বন্ধ বিচাৰ কৰা। (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

## ৭.৯ সাৰাংশ (Summing Up)

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি সংস্কৃত অলংকাৰশাস্ত্ৰৰ পৰম্পৰা, কুন্তকৰ বক্ৰোক্তিবাদৰ ঐতিহাসিক পটভূমি, বক্ৰোক্তিৰ স্বৰূপ তথা ইয়াৰ ছটা প্ৰকাৰৰ বিষয়ে জানিলে। কুন্তকে বক্ৰোক্তিবাদ উপস্থাপন কৰি সাহিত্য সমালোচনাত এক অভিনৱ সংযোজন ঘটাইছিল। তেওঁ বক্ৰোক্তিকেই কাব্যৰ প্ৰাণশক্তি হিচাপে মান্যতা প্ৰদান কৰি ইয়াক অপৰিহাৰ্য কাব্য বৈচিত্ৰ্য হিচাপে প্ৰতিপন্ন কৰিলে। এনে কাব্য বৈচিত্ৰ্যৰ প্ৰাধান্য কাব্যত অনস্বীকাৰ্য বুলি জ্ঞাত হ'ল। বক্ৰোক্তিয়ে কাব্যৰ আস্বাদনত এক অনাবিল আৰু অনুপম চমৎকাৰিতা সৃষ্টি কৰে বুলি আপুনি জানিব পাৰিলে।

## ৭.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সংস্কৃত অলংকাৰশাস্ত্ৰৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰক।

২। বক্ৰোক্তিপদৰ অৰ্থ কি? কুন্তকৰ বক্ৰোক্তিবাদ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

৩। কাব্যগত বক্ৰতা কিদৰে কবি-প্ৰতিভাৰ জৰিয়তে পৰিস্ফুট হয় চমুকৈ বৰ্ণনা কৰক।

৪। কুন্তকৰ বক্ৰোক্তিবাদৰ ঐতিহাসিক পটভূমি দাঙি ধৰিবলৈ যত্ন কৰক।

৫। চমুটোকা লিখা ঃ

বক্ৰোক্তিজীৱিত, নাট্যশাস্ত্ৰ, কবি-প্ৰতিভা, ৰুদ্ৰট, ভামহ।

## ৭.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


মনোৰঞ্জন শাস্ত্ৰী ঃ *সাহিত্য-দৰ্শন*

তীৰ্থনাথ শৰ্মা ঃ *সাহিত্য-বিদ্যা পৰিক্ৰমা*

ত্ৰৈলোক্যনাথ গোস্বামী ঃ *সাহিত্য আলোচনা*

কুন্তক, সম্পা, পৰমেশ্বৰদীন পাণ্ডেঃ *বক্ৰোক্তিজীৱিতম্*


******